প্ৰকাশযোগ্য

**ভাৰতৰউচ্চতমন্যায়ালয়**

ফৌজদাৰীআপীলঅধিকাৰক্ষেত্ৰ

**ফৌজদাৰীআপীল গোচৰনং৮৮৯/ ২০০৭**

**অৰূপভূঞা**

–আপীলকাৰী

বনাম

**অসম ৰাজ্য *আৰু*অন্যান্য**

–উত্তৰদাতাসকল

লগতে

**ফৌজদাৰী আপীল গোচৰনং১৩৮৩/২০০৭ ত**

**পুনৰীক্ষণআবেদন (ফৌজদাৰী) নং৪১৭/২০১১**

লগতে

**ফৌজদাৰী আপীল গোচৰনং৮৮৯/২০০৭ ত**

**পুনৰীক্ষণআবেদন (ফৌজদাৰী) নং৪২৬/২০১১**

লগতে

**বিশেষঅনুমতিআবেদন (ফৌজদাৰী) নং৫৯৭১/২০১৯**

লগতে

**বিশেষঅনুমতিআবেদন (ফৌজদাৰী) নং৫৯৬৪/২০১৯**

লগতে

**ফৌজদাৰীআপীল গোচৰনং১৩৮৩/২০০৭**

লগতে

**বিশেষঅনুমতিআবেদন (ফৌজদাৰী)নং১৬৬৩৭/২০১৪**

লগতে

**বিশেষঅনুমতিআবেদন (ফৌজদাৰী) নং৫৬৪৩/২০১৯**

লগতে

**বিশেষঅনুমতিআবেদন (ফৌজদাৰী)নং৬২৭০/২০১৯**

**ৰায়**

**এমআৰশ্বাহ, ন্যায়াধীশ**

১.এইআদালতৰ২৬.০৮.২০১৪তাৰিখৰআদেশৰপিছত**(২০১৫) ১২এছ.চি.চি.৭০২**প্ৰকাশিত **অৰূপভূঞাবনামইউনিয়ন, (২০১১) ৩এছ.চি.চি.৩৭৭,কেৰালাৰাজ্যবনামৰানীফ, (২০১১) ১এছ.চি.চি.৭৮৪,** গোচৰৰৰায়দানৰবিৰুদ্ধে প্ৰসংগটো*এই*বৃহৎবিচাৰপীঠতদিয়াহৈছে।

প্ৰসংগৰপটভূমি

২.যেএইআদালতৰখণ্ডবিচাৰপীঠে**ৰানীফ (উপৰোক্ত)**গোচৰতবাকস্বাধীনতাআৰুসংগঠনৰসদস্যপদৰসন্দৰ্ভতঅসংখ্যআমেৰিকান ৰায়বিবেচনাকৰি"সংগঠনৰদ্বাৰাঅপৰাধ"মতবাদনাকচকৰিমতপোষণ কৰিছিলযেকেৱলনিষিদ্ধসংগঠনৰসদস্যপদেকোনোব্যক্তিকদোষীসাব্যস্তনকৰেযদিহেতেওঁ হিংসাৰআশ্ৰয়নলয়বামানুহকহিংসাৰপ্ৰতিউচটনিনিদিয়েআৰুএনে কাৰ্য্যনকৰেযিয়ে ৰাজহুৱাশান্তিৰবিশৃংখলতাবাবিভ্ৰান্তিসৃষ্টিকৰিবপাৰে।১০ৰপৰা১৪নংঅনুচ্ছেদতএইআদাল তে**ৰানীফৰ (উপৰোক্ত)**গোচৰতপৰ্যবেক্ষণকৰিছেআৰুতলতদিয়াধৰণেকৈছে:

> “১০.) এই অভিযোগৰসন্দৰ্ভতযেউত্তৰদাতাপি.এফ.আই.ৰঅন্তৰ্গত, এইটোসত্য যেৰেদাউলহুছেইনখানবনামৰাষ্ট্ৰীয়তদন্তসংস্থা২০১০ (১) এচ্.চি.চি৫২১ত কোৱা হৈছে যেএটাসংগঠনক‘অবৈধসংগঠন' হিচাপেঘোষণাকৰাহোৱা নাই বাবেই এইটো হ'বনোৱাৰেযেউক্তসংগঠনটোৱেসন্ত্ৰাসবাদীকাৰ্যকলাপতলিপ্তহোৱা নাছিল।অৱশ্যেআমাৰমতামততউক্তসিদ্ধান্তটোপৃথকবুলি ধৰিবপৰাযায় কাৰণ সেইগোচৰটোতঅভিযুক্তইঅস্ত্ৰ আৰু গোলা-বাৰুদ ক্ৰয়ৰ বাবে উগ্ৰপন্থী সংগঠনটোলৈ ধনপঠিয়াইছিল। বৰ্তমানৰ গোচৰটোৰ অভিযোগসেইটো নহয়।
>
> মহাৰাষ্ট্ৰৰাজ্য বনামধনেন্দ্ৰশ্ৰীৰামভুৰলে২০০৯(১১) এচ্.চি.চি.৫৪১গোচৰটো পৃথককৰিবপৰাযায়কাৰণউক্ত গোচৰটোত উচ্চ ন্যায়ালয়ে উত্তৰদাতাক জামিন প্ৰদান কৰাৰ বাবে ভালকাৰণ দৰ্শাইছে। উক্ত গোচৰটোত পি.এফ.আই. এটা সন্ত্ৰাসবাদী সংগঠন বুলি প্ৰমাণ কৰিবলৈ কোনো তথ্য নোপোৱাত উত্তৰদাতা কেৱল পি.এফ.আই.ৰ অন্তৰ্গত হোৱাৰ বাবে শাস্তি দিব পৰা নাযায়।

তদুপৰি যদিও পি.এফ.আই. এটা অবৈধ সংগঠন বুলি বিবেচনা কৰা যায়,আমিএতিয়াওবিবেচনাকৰিবলৈবাকীআছেযেএই সংগঠনৰ সকলো সদস্য স্বয়ংক্ৰিয়ভাৱে দোষী হয় নে নহয়।“

১১)

স্কেলছবনামআমেৰিকাযুক্তৰাষ্ট্ৰ৩৬৭ইউ.এছ.২০৩আমেৰিকাৰউচ্চতমন্যায়ালয়ৰন্যায়াধীশশ্ৰীযুত হাৰলানেসদস্যপদৰদফাটোৰসৈতেমোকাবিলাকৰামেককেৰনআইন, ১৯৫০ `জানি লোৱা' সদস্যপদ, সক্ৰিয় সদস্য পদ, নিষ্ক্ৰিয় আৰু এটা বিধ্বংসী সংগঠনৰ নামমাত্ৰ সদস্য হোৱাৰ মাজতপাৰ্থক্যদৰ্শায় আৰু পৰ্যবেক্ষণ কৰিছেঃ

"এইদফাটোৱেসেই সকলোকেঅপৰাধীবুলি গণ্য কৰা নাই যিসকলে এনে এটা সংগঠনৰ সৈতে সংযোগ স্থাপন কৰিছে যিটো সংগঠনৰ অবৈধ কাৰ্যকলাপত লিপ্ত হোৱাৰ উদাহৰণ আছে। এজনব্যক্তিমূৰ্খ, মোহগ্ৰস্তবাহয়তোকেৱলআশাবাদীহওক,কিন্তুএইবিধিঅনুসৰিতেওঁকঅপৰাধীবুলি ক’ব নোৱাৰি।স্পষ্টপ্ৰমাণথাকিবলাগিবযেউত্তৰদাতাই সংগঠনটোৰ লক্ষ্যসমূহ সম্পন্ন কৰিবলৈ বিশেষভাৱে ইচ্ছা ৰাখি হিংসাৰ আশ্ৰয় লৈছে।"

১২) এলফব্ৰেণ্ডবনামৰাছেল৩৮৪ইউ.এছ.১৭-১৯ (১৯৬৬)তআমেৰিকাৰউচ্চতমন্যায়ালয়ৰন্যায়াধীশডগলাছপৰ্যবেক্ষণকৰিসংখ্যাগৰিষ্ঠকৰহৈকৈছেঃ

"যিসকলেএটাসংগঠনতযোগদানকৰে কিন্তুইয়াৰ বে-আইনী উদ্দেশ্যত ভাগ-বতৰানকৰে, ইয়াৰবেআইনীকাৰ্যকলাপবোৰতকোনোধৰণে অংশগ্ৰহণ নকৰে, তেওঁলোকে নিশ্চিতভাৱে নাগৰিক বা ৰাজহুৱাকৰ্মচাৰী হিচাপে কোনো ভাবুকিৰ সৃষ্টি নকৰে। এনে আইন, যি প্ৰযোয্য হয় এনে সদস্যপদৰ ওপৰত, য'ত সংগঠনটোৰ অবৈধলক্ষ্যবোৰআগবঢ়াই নিবলৈ 'নিৰ্দিষ্টঅভিপ্ৰায়' নাথাকে, তাত এই আইনে সুৰক্ষিত থকা স্বাধীনতাক অপ্ৰয়োজনীয়ভাৱে উলংঘন কৰে। ই 'সংগঠনৰ দ্বাৰা অপৰাধ' মতবাদৰওপৰতনিৰ্ভৰকৰে যাৰ ইয়াত কোনো স্থান নাই।"

১৩) জইন্ট এন্টিফেচিষ্টৰিফিউজি কমিটিবনামমেকগ্ৰেথ৩৪১ইউ.এছ্.১২৩এট১৭৪ (১৯৫১) আমেৰিকাৰউচ্চতমন্যায়ালয়ৰ মাননীয় ন্যায়াধীশডগলাছেউল্লেখকৰিছিল-

"অতিউত্তেজনাৰদিনতযেতিয়াঅনুভৱবোৰঅধিক হয়, তেতিয়া আমাৰ বিৰোধীৰ পৰা সৰ্বাত্মকবাদী কৌশল ধাৰ লৈ এটা ‘শ্বৰ্টকাৰ্ট’ লোৱাৰ লোভ জন্মে;কিন্তুযেতিয়াআমিতেনে কৰো, তেতিয়াআমিএটাধ্বংসাত্বক গতি স্থাপন কৰো যাৰ প্ৰভাৱে আমাক ভিতৰৰ পৰা ধ্বংস কৰে।"

১৪) আমি আমেৰিকাৰউচ্চতমন্যায়ালয়ৰওপৰৰসিদ্ধান্তসমূহৰসৈতেসন্মানসহকাৰেএকমত হৈছো আৰু মতপোষণ কৰো যে

আমাৰদেশতোসেইবোৰপ্ৰযোজ্য।আমিগণতান্ত্ৰিক দেশত জীয়াইআছোআৰুওপৰৰপৰ্যবেক্ষণসমূহ সকলো গণতান্ত্ৰিক দেশতপ্ৰযোজ্য হয়।”

২.১যেতাৰপিছতএইআদালতৰখণ্ডবিচাৰপীঠে**অৰূপভূঞাৰ (ওপৰোক্ত)**ক্ষেত্ৰতআনএটাসিদ্ধান্তদিওঁতে **ৰানীফ (উপৰোক্ত)**ৰওপৰতনিৰ্ভৰকৰিআৰুপূৰ্বে**ৰানীফ (ওপৰোক্ত)** গোচৰত বিবেচনা কৰা একেই বোৰ আমেৰিকান মতবাদৰ ওপৰত নিৰ্ভৰ কৰি ১২নংঅনুচ্ছেদততলতদিয়াধৰণেপৰ্যবেক্ষণকৰিছে৷

"ওপৰোক্তসিদ্ধান্তসমূহৰ লগতআমিসন্মানসহকাৰেএকমত আৰু আমাৰ মতামতত এই সিদ্ধান্তসমূহ ভাৰতবৰ্ষতোপ্ৰযোজ্যহয় কাৰণ যিদৰে আমাৰ মৌলিক অধিকাৰ আছে, আমেৰিকাৰ সংবিধানতো অধিকাৰ বিধেয়ক (Bill of Rights) আছে। আমাৰমতেধাৰা৩(৫)ক আক্ষৰিক অৰ্থত পঢ়িব নালাগে, অন্যথা সংবিধানৰ১৯ আৰু২১নংঅনুচ্ছেদ উলংঘা কৰা হ’ব৷ইয়াকপঢ়িবলাগিবওপৰতকৰাআমাৰপৰ্যবেক্ষণৰ ওপৰত ভিত্তি কৰি৷সেয়েহে,কেৱলনিষিদ্ধসংগঠনৰসদস্যপদেই এজন লোকক অপৰাধী সজাব নোৱাৰে, যেতিয়ালৈ তেওঁ কোনো হিংসাত্মক কাৰ্য সংঘটিত নকৰে বা মানুহক হিংসাৰ বাবে উচটনি নিদিয়ে বা হিংসা বা উচটনি দি ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি নকৰে। সেয়েহেআপীলকাৰীকটাডাৰধাৰা৩(৫)ৰঅধীনত দোষী সাব্যস্ত কৰাটো বহনক্ষমনহয়৷"

২.২এইপৰ্যায়তমনকৰিবলগীয়াকথাটো হৈছে যেযিসময়ত**ৰানীফ (ওপৰোক্ত)**আৰু**অৰূপভূঞা (ওপৰোক্ত)**ৰসিদ্ধান্তলোৱাহৈছিল তেতিয়া

অবৈধকাৰ্য্যকলাপ (প্ৰতিৰোধ)আইন, ১৯৬৭ (ইয়াৰপিছত ‘ইউ.এ.পি.এ.আইন, ১৯৬৭’ বুলিকোৱাহ’ব) আইনৰ ধাৰা১০(i)ক প্ৰত্যাহ্বান জনোৱা বাউক্তবিধানটোৰ সাংবিধানিকতাকলৈপ্ৰত্যাহ্বানৰসন্মুখীনহোৱানাছিলআনকিভাৰতচৰকাৰকো ইয়াত পক্ষভুক্ত কৰা হোৱা নাছিল আৰু খণ্ড বিচাৰপীঠে ওপৰত উল্লেখ কৰা দুটা সিদ্ধান্ত ইউ.এ.পি.এআইন, ১৯৬৭ৰধাৰা১০(ক)(i)ৰওপৰত পৰ্যবেক্ষণ কৰোতে ভাৰত চৰকাৰক সুযোগ দিয়া হোৱা নাছিল। সেয়েহে ভাৰত চৰকাৰে পুনৰীক্ষণআবেদন দাখিলকৰাৰবাবে অনুমতিবিচাৰিআবেদনদাখিলকৰিছিল। এই ভিত্তিতআবেদনদাখিলকৰেযেপূৰ্বতেউল্লেখকৰাদুটাসিদ্ধান্ততআদালতেযদিহে তেওঁলোকৰ পক্ষটো নুশুনে তেন্তে তেওঁলোকৰ স্বাৰ্থৰ পক্ষে ক্ষতিকাৰকহ’ব আৰু সেয়েহে ভাৰত চৰকাৰৰ নিজৰ পক্ষটো পুনৰ শুনোৱাৰ অধিকাৰ আছে। অসম ৰাজ্যয়ো পুনৰীক্ষণ আবেদন দাখিল কৰাত অগ্ৰাধিকাৰ দিছিল।

২.৩বিজ্ঞ ছলিচিটৰজেনেৰেলৰদ্বাৰাউত্থাপিতগুৰুত্বপূৰ্ণবিষয়টোৰপ্ৰতিলক্ষ্যৰাখিআৰুঅসম ৰাজ্যৰজ্যেষ্ঠঅধিবক্তাৰ,**(২০১৫) ১২ এছ.চি.চি.৭০২**ত প্ৰকাশ পোৱা২৬.০৮.২০১৪তাৰিখৰআদেশঅনুসৰিবিষয়টোবৃহৎবিচাৰপীঠলৈপ্ৰেৰণকৰাহয়।বৃহৎবিচাৰপীঠলৈবিষয়টো প্ৰেৰণকৰোতে এই আদালতে বিজ্ঞচলিচিটৰজেনেৰেলেদাখিলকৰাযুক্তিসমূহ৪ৰপৰা৭আৰু১০ৰপৰা১১নংঅনুচ্ছেদসমূহত তলত দিয়া ধৰণে উল্লেখ কৰেঃ

> “৪.মি. ৰঞ্জিতকুমাৰ, ভাৰতীয়চৰকাৰৰহৈহাজিৰহোৱাবিজ্ঞছলিচিটৰজেনেৰেলেদাখিলকৰিছিল যেঅৰূপভূঞাবনামঅসমৰাজ্য, ২০১১ (৩) এছ.চি.চি.৩৭৭, এইআদালতেবিধানটোযেতিয়া সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা

কৰিছিল (read down) তেতিয়াভাৰতচৰকাৰইয়াৰপক্ষভুক্তহোৱা নাছিল আৰু এইটো ভাৰত চৰকাৰৰ স্বাৰ্থৰ বাবে ক্ষতিকাৰক হয়। তেওঁআমাৰদৃষ্টি আকৰ্ষণ কৰিছে শ্ৰীইন্দ্ৰদাসবনামঅসমৰাজ্যৰ২০১১ (৩) এছ্.চি.চি.৩৮০ ৰায়ৰ ওপৰত। অৰূপভূঞা আৰু শ্ৰী ইন্দ্ৰ দাসৰ গোচৰত দুজনীয়ান্যায়াধীশৰবিচাৰপীঠে আমেৰিকাৰ উচ্চতমন্যায়ালয়ৰবহুকৰ্তৃপক্ষৰবিষয়ে উল্লেখ কৰিছে আৰু ইয়াৰ পিছত কেডাৰনাথ বনাম বিহাৰ ৰাজ্য এ.আই.আৰ. ১৯৬২চনৰএছ্.চি.৯৫৫আৰুকেৰেলাৰাজ্য বনামৰানীফ (২০১১) ১এছ্.চি.চি.৭৮৪ৰ ওপৰত ভিত্তি কৰি শেষতমতামতআগবঢ়ায় এইধৰণেঃ

“২৭. ওপৰত উল্লেখ কৰা গোচৰসমূহৰ সন্দৰ্ভত প্ৰিভী কাউন্সিলৰ ন্যায়িক সমিতিয়ে দাঙি ধৰা ব্যাখ্যাৰ দৰেই মূল ১২৪এ ধাৰাক আক্ষৰিক অৰ্থত ব্যাখ্যা কৰিব পাৰি বুলি ধৰি লৈ আমি আইনী স্থিতি বিবেচনা কৰিব পাৰো। সেই ধাৰণাৰ ওপৰত ভিত্তি কৰি আদালতে আইনৰ এই ধাৰাটোক এনেধৰণে ব্যাখ্যা কৰিব নোৱাৰে যে ধাৰাটোৰ প্ৰয়োগক ফেডাৰেল আদালতে যিদৰে প্ৰয়োগ কৰাৰ উদ্দেশ্য আছিল, সেইদৰে সীমিত কৰি অভিযোগ কৰা অসংবিধানিকতাক এৰাই চলিব পাৰি। আমাৰ মতামতত, এই ন্যায়ালয়ৰ কিছুমান সিদ্ধান্ত আছে যিবোৰে আইনী স্থিতিৰ প্ৰতি আমাৰ সেই দৃষ্টিভংগী গ্ৰহণ কৰাটো যথেষ্ট ন্যায্যতা প্ৰদান কৰে। এই আদালতে চমৰবাগৱালা বনাম ভাৰত চৰকাৰ (১) গোচৰত এই আদালতৰ লগতে আমেৰিকাৰ আদালত আৰু অষ্ট্ৰেলিয়াৰ

আদালতৰ কেইবাটাও সিদ্ধান্ত বিতংভাৱে পৰীক্ষা কৰিছে। সেই সিদ্ধান্তবোৰ পৰীক্ষা কৰাৰ পিছত এই আদালতে এইটো সিদ্ধান্তত উপনীত হৈছে যে যদি বিবাদিত আইন এখনৰ বিধানসমূহত শব্দ এটা অন্য এক দৃষ্টিভংগীলৈ আইনসভাৰ সাংবিধানিক ক্ষমতাৰ ভিতৰত আহে, তেতিয়া উক্ত আইন বা ধাৰাটোক অসাংবিধানিক বুলি দেখুওৱা দৃষ্টিভংগীৰ তুলনাত প্ৰথমৰ দৃষ্টিভংগীত ব্যৱহাৰ হোৱা শব্দ(বোৰক) অগ্ৰাধিকাৰ দিয়া হ'ব আৰু এই শব্দবোৰৰ ব্যাখ্যা তেনেধৰণেই সীমাবদ্ধ কৰিব লাগিব।

তেনে পৰিপ্ৰেক্ষিতত পুৰস্কাৰযুক্ত প্ৰতিযোগিতা (Prize Competition) অভিব্যক্তিটোপাৰিভাষিকসংজ্ঞাৰপৰাআদালতেএইকথাচয়নবানিৰ্ধাৰণক ৰিবলাগিবযেকোনবোৰপ্ৰতিযোগিতাৰ প্ৰকৃতি জুৱা খেলৰ সমগোত্ৰীয় হয় আৰু কোনবোৰ নহয়। আদালতে আগৰটো ব্যাখ্যা বাছনি কৰিছিল যিয়ে “পুৰস্কাৰযুক্ত প্ৰতিযোগিতা আইন ১৯৫৫ (Prize Competions Act, XLII of 1955)”ৰ বাকীবোৰ বিধান বিশেষকৈ ধাৰা ৪ আৰু ৫ৰ অধীনত প্ৰস্তুত কৰা ১১ আৰু ১২ নং নিয়মক বৈধ কৰে। আদালতে ৰায় দিছিল যে কেৱল সেইবোৰ প্ৰতিযোগিতাত হে শাস্তি সংলগ্ন হৈ আছে যিবোৰ প্ৰতিযোগিতাত জুৱাৰ উপাদান আছে আৰু সেই প্ৰতিযোগিতাসমূহ য'ত সফলতা যথেষ্ট পৰিমাণে নিৰ্ভৰ কৰিছিল দক্ষতাৰ ওপৰত, সেইবোৰ এই আইনৰ আওঁতাৰ বাহিৰত বুলি ধৰা হৈছিল।

আমাৰমতামতত, সেইক্ষেত্ৰতসিদ্ধান্তৰ যুক্তিযুক্ততা, হাততথকাগোচৰটোৰক্ষেত্ৰতযিমানদূৰলৈকেপ্ৰযোজ্যআমিইয়াৰকাৰ্য্যকলাপ কেৱলএনেধৰণৰ কাৰ্যৰমাজতেসীমাবদ্ধকৰাৰপ্ৰস্তাৱদিছো, যিটো ফেডাৰেলআদালতৰপৰ্যবেক্ষণৰ পৰিসৰৰ ভিৰতৰ আহে,অৰ্থাৎহিংসাৰপ্ৰতিউচটনিদিয়াকাৰ্য্যকলাপবাৰাজহুৱাবিশৃংখলতাসৃষ্টি কৰাৰউদ্দেশ্যবাপ্ৰৱণতাবা ৰাজহুৱা শান্তিৰবিঘিনিঘটোৱা।"

৫.ৰঞ্জিতকুমাৰডাঙৰীয়াইদাখিলকৰিছেযে ভাৰত চৰকাৰক পক্ষভুক্ত নকৰাকৈ কোনোবিধানৰএনেসীমিত প্ৰায়োগিক ব্যাখ্যা (reading down)হোৱাউচিতনহয় আৰু তদুপৰি আইনৰ সাংবিধানিক বৈধতাক লৈ যিহেতু কোনো প্ৰশ্নউত্থাপিতহোৱানাই।তেওঁবেআইনী কাৰ্য্যকলাপ (প্ৰতিৰোধ) আইন ১৯৬৭ৰ ধাৰা১০ৰপ্ৰতিআমাৰমনোযোগ আকৰ্ষণ কৰিছে। ধাৰাটো তলত দিয়া এনেধৰণৰঃ-

"[১০. বেআইনী সংগঠনৰ এজন সদস্য হোৱাৰ বাবে দণ্ড ইত্যাদি- য'ত এখন জাননীৰ দ্বাৰা এটা সংগঠনক ধাৰা ৩ৰ দ্বাৰা বেআইনী ঘোষণা কৰা হৈছে আৰু উপ-ধাৰা (৩)ৰ অধীনত কাৰ্যকৰী হৈছেঃ-

(ক) এজনব্যক্তি, যি

(i) তেনে সংগঠনৰ সদস্য হয় আৰু বৰ্তমানেও সদস্য হৈয়েই আছে, অথবা

(ii) তেনে সংগঠনৰ সভাত অংশগ্ৰহণ কৰে, অথবা

(iii) তেনে সংগঠনৰ যিকোনোএটাতঅৰিহণাযোগায়বাগ্ৰহণকৰেবাএনে সংগঠনৰ উদ্দেশ্যে অৰিহণা বিচাৰে, অথবা

(iv) তেনে সংগঠনক যিকোনোধৰণেএনেবোৰকাৰ্য্যকলাপতসহায়কৰে, তেওঁলোক শাস্তিযোগ্য হ'ব আৰু দুবছৰ পৰ্যন্ত কাৰাবাস হ'ব পাৰে লগতে জৰিমণাও ভৰিব লাগিব পাৰে; আৰু

(খ) এজনব্যক্তি, যিএনেসংগঠনৰসদস্য হয়, বাস্বেচ্ছাই এনে কাৰ্য কৰে যাৰ দ্বাৰা এই সংগঠনৰ বিষয়বস্তু প্ৰচাৰ কৰা কাৰ্যত সহায়ক হয়, যদি কোনো অনুজ্ঞাপত্ৰবিহীনআগ্নেয়াস্ত্ৰ, গোলাবাৰুদ, বিস্ফোৰকবাঅন্যান্যযন্ত্ৰবা অস্ত্ৰ বা পদাৰ্থ ৰাখে যিয়ে ব্যাপক ধ্বংসৰ সৃষ্টি কৰিব পাৰে বা যিকোনো এনেকাৰ্য্যসংঘটিতকৰেযাৰফলতমানুহৰমৃত্যু হয়, গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় বা যিকোনো সম্পত্তিৰ যথেষ্ট ক্ষতি হয়, (i) আৰুযদিতেনেকুৱাকাৰ্যৰ ফলত কোনো ব্যক্তিৰ মৃত্যু হয়, তেনেক্ষেত্ৰত তেওঁক মৃত্যুদণ্ডবাআজীৱনকাৰাদণ্ডৰ শাস্তি দিব পাৰে,আৰুজৰিমনাওভৰিবলগীয়া হ'ব পাৰে।

(ii) আনযিকোনোক্ষেত্ৰত, শাস্তিযোগ্যহ'বকাৰাদণ্ডৰ,যাৰ ম্যাদ ৫ বছৰতকৈ কম নহ'ব আৰু এই শাস্তি বৃদ্ধি হৈ আজীৱন কাৰাদণ্ড হ'ব পাৰে লগতে জৰিমণাও ভৰিবলগা হ'ব পাৰে।

৬) ওপৰত উল্লেখকৰাব্যৱস্থাটো২১/০৯/২০০৪ৰপৰাকাৰ্যকৰীহোৱাকৈসংশোধনীৰ জৰিয়তে সন্নিৱিষ্ট কৰা হৈছিল। উক্তবিধানৰওপৰতনিৰ্ভৰকৰিতেওঁ যুক্তি দিছিল যে যদিঅৰূপভূঞা (ওপৰোক্ত)আৰুশ্ৰীইন্দ্ৰদাস(ওপৰোক্ত)ত প্ৰকাশ কৰা মতামতক বলৱৎ থাকিব দিয়া হয়, তেতিয়া অন্যান্য বিভিন্ন আইন-প্ৰণয়নসমূহ প্ৰভাৱিত হ'ব।তেওঁআৰুআহ্বানজনাইছে যে ৰানীফৰ গোচৰত আদালতে ইয়াৰ পূৰ্বৰ ৰায়দান এটা ভুলকৈ উল্লেখ কৰিছে য'ত মূল সত্যটো বেলেগ আছিল যেনে- ছচিয়েল ডেমোক্ৰেটিক পাৰ্টী অৱ ইণ্ডিয়া (এছ.ডি.এফ.আই.) নিষিদ্ধ সংগঠন নাছিল।

বিজ্ঞচলিচিটৰজেনেৰেলেআমাক এইদৰে প্ৰভাৱিত কৰিব বিচাৰিছে যে এবাৰ সংগঠন নিষিদ্ধ বুলি ঘোষিত কৰিলে, ১৯৬৭চনৰআইনখনৰ১০নংধাৰাবলৱৎ হ'ব।বিজ্ঞছলিচিটৰজেনেৰেলে ৰানীফ গোচৰৰ কিছুমান অনুচ্ছেদলৈআমাৰদৃষ্টিআকৰ্ষণকৰিছিলয'তমতামতদিয়াহৈছে যে যদিও পি.এফ.আই.এটাঅবৈধসংগঠন বুলিধৰিলোৱা হয়,তথাপিওএইটো বিবেচনা কৰিবলগীয়াআছেযেইয়াৰ সকলোসদস্যকে স্পষ্টভাৱে দোষী বুলি ধৰিব পাৰেনেকি। তেওঁ আৰু কৈছে যে উক্তৰায়দানেঅন্যান্যবিধানসমূহকপ্ৰভাৱিতকৰানাছিল যিহেতু পি.এফ.আই.নিষিদ্ধসংগঠন নাছিল,কিন্তুঅৰূপভূঞা (ওপৰোক্ত) আৰুশ্ৰীইন্দ্ৰদাস (ওপৰোক্ত)ত দিয়া সিদ্ধান্তসমূহৰ পিছত বিচাৰ

আদালত আৰু উষ্চ ন্যায়ালয়ে উক্তসিদ্ধান্তসমূহৰওপৰতনির্ভৰ কৰি অপৰাধমূলক মানসিকতাৰ দিশটোৰ (facet of mens rea) ওপৰত গুৰুত্ব আৰোপ কৰিছে। আগবঢ়োৱা যুক্তিটোৰ সাৰাংশ হৈছে যে যদিহে ভাৰত চৰকাৰক পক্ষভুক্ত কৰি তেওঁলোকে আদালতত নিজৰ স্থিতি আগবঢ়াব পাৰিলেহেঁতেন তেতিয়া সম্ভৱতঃ বিধানটোৰ সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিব প্ৰয়োজন নহ'লহেঁতেন।

৭) অসম ৰাজ্যৰ হৈ হাজিৰ হোৱা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰীজয়দীপগুপ্তাইভাৰত চৰকাৰে আগবঢ়োৱা যুক্তিৰ সমৰ্থনজনাই কয় যে যদি এইধৰণৰ ব্যাখ্যাটো বাহাল থাকিব দিয়া হয় তেতিয়া সন্ত্ৰাসবাদবিয়পিপৰিবআৰুৰাজ্যৰফালৰপৰাসন্ত্ৰাসবাদ নিয়ন্ত্ৰণ কৰাটো বহুত কঠিনহ'ব। তেওঁ আৰু কৈছে যে আইনৰ প্ৰক্ৰিয়া অপব্যৱহাৰে সাংবিধানিকবৈধতাৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে বিশেষকৈ তেতিয়া, যেতিয়া ইয়াক প্ৰত্যাহ্বান জনোৱা নহয়।

১০. ভাৰত চৰকাৰৰ হৈ বিজ্ঞ ছলিচিটৰ জেনেৰেল ৰঞ্জিত কুমাৰ ডাঙৰীয়াই যুক্তি আগবঢ়ায় যে সংসদীয় আইন এখনৰ কোনো ব্যৱস্থা ভাৰত চৰকাৰৰ পক্ষৰ অনুপস্থিতিত সীমিতপৰিসৰত ব্যাখ্যা কৰিলে ৰাষ্ট্ৰৰ স্বাৰ্থৰ যথেষ্ট ক্ষতি হ'ব পাৰে, কাৰণ ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষাৰ বাবে আইনখনত কিছুমান বিধান সন্নিবিষ্ট কৰা হৈছে।

১১. বিজ্ঞছলিচিটৰ জেনেৰেলে যুক্তি আগবঢ়ায় যে দুজনীয়া ন্যায়াধীশৰ বিচাৰপীঠে দুয়োটা ৰায়তে আস্থা প্ৰকাশ কৰা কৰ্তৃপক্ষসমূহ অধিকাৰ বিধেয়কৰ (Bill of rights) ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে, যিটো ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদৰ পৰা পৃথক।

অনুচ্ছেদ ১৯(১)(চি) এনেধৰণৰ–

"সংস্থা বা সংগঠন গঠন কৰিবৰ বাবে ১৯(১)(চি);"

উক্ত অনুচ্ছেদটো ১৯ (৪) নং অনুচ্ছেদে নিম্নলিখিত ধৰণে সীমাবদ্ধকৰিছে:

১৯(৪)- এই অনুচ্ছেদটোৰ উপ-অনুচ্ছেদ (চি)-ত সন্নিবিষ্ট কোনো কথাই যিকোনো বিদ্যমান আইনৰ কাৰ্যকলাপক প্ৰভাৱিত কৰিব নোৱাৰে, যেতিয়ালৈকে ই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা বা ৰাজহুৱা শৃংখলা বা নৈতিকতাৰ স্বাৰ্থতউক্ত উপ-ধাৰাৰ দ্বাৰা প্ৰদান কৰা অধিকাৰ প্ৰয়োগৰ ওপৰত যুক্তিসঙ্গত বাধা আৰোপ কৰাৰ ক্ষেত্ৰত ৰাজ্যখনক কোনো আইন আৰোপ কৰাত বাধা দিব নোৱাৰে।

বিজ্ঞ ছলিচিটৰ জেনেৰেলে এই কথাত গুৰুত্ব আৰোপ কৰে যে আদালতে এটা গুৰুত্বপূৰ্ণ কথা উপেক্ষা কৰিলেযে ভাৰতীয় সংবিধানৰ সৈতে সংগতি ৰাখি প্ৰণয়ন কৰা বিধানসমূহৰ ব্যাখ্যাত্মক প্ৰক্ৰিয়াৰ সৈতে মিল নোহোৱা বিদেশী কৰ্তৃপক্ষৰ ওপৰত আদালতে বহু পৰিমাণে নিৰ্ভৰ কৰিছিল।

বিজ্ঞ ছলিচিটৰ জেনেৰেল আৰু অসম ৰাজ্যৰ জ্যেষ্ঠ অধিবক্তা জয়দীপ গুপ্তাই উত্থাপন কৰা গুৰুত্বপূৰ্ণ বিষয়টো বিবেচনা কৰি আমি ভাবো যে বিষয়টো বৃহৎ বিচাৰপীঠে পৰীক্ষা কৰিব লাগে। উপযুক্ত আদেশৰ বাবে পঞ্জীয়কে গোচৰ সম্পৰ্কীয় কাগজ-পত্ৰসমূহ ভাৰতৰ মাননীয় মুখ্য ন্যায়াধীশৰ আগত ৰাখে যেন ।“

সেই অনুসৰি বিষয়টো তিনিজনীয়া ন্যায়াধীশৰ এই বিচাৰপীঠৰ সন্মুখত তালিকাভুক্ত কৰা হৈছে।

২.৪ বিচাৰপীঠত উত্থাপিত সংক্ষিপ্ত বিষয়টো হ'ল ৰাণীফ (উপৰোক্ত) আৰু অৰূপ ভূঞা (উপৰোক্ত)-গোচৰৰ ক্ষেত্ৰত দিয়া ৰায়দানসমূহত সঠিকভাৱে সিদ্ধান্ত লোৱা হৈছে নে নাই আৰু ইউ.এ.পি.এ., ১৯৬৭-ৰ অধীনত নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যপদৰ উপৰিও"সক্ৰিয় সদস্যপদ"ক প্ৰমাণ কৰাৰ প্ৰয়োজনীয়তা আছে নেকি? এই বিচাৰপীঠে বিবেচনা কৰিবলগীয়া আন এটা বিষয় হ'ল যে ৰাণীফৰ গোচৰত উল্লেখ কৰা আৰু এই আদালতে সন্মতি দিয়া বাক স্বাধীনতা সম্পৰ্কীয় আমেৰিকাৰ সিদ্ধান্তসমূহক ভাৰতৰ সংবিধানৰ অধীনত উপলব্ধ বাক স্বাধীনতাৰ অধিকাৰৰ ক্ষেত্ৰত, বিশেষকৈ ভাৰতৰ সংবিধানৰ ১৯(১)(চি) আৰু ১৯ (৪) নং অনুচ্ছেদ বিবেচনা কৰাৰ সময়ত,আস্থা প্ৰকাশ কৰিব পৰা গ'লহেঁতেন নেকি ? আন এটা বিবেচনাযোগ্য প্ৰশ্ন হ'ল- ভাৰত চৰকাৰক এটা পক্ষ হিচাপে প্ৰয়োগ নকৰাকৈ আৰু বিশেষকৈ যেতিয়া পূৰ্বতে উল্লেখ কৰা আইনৰ সাংবিধানিক বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰা হোৱা নাছিল, তেনে ক্ষেত্ৰত ইউ.এপি.এ. আইন, ১৯৬৭-ৰ ধাৰা ১০(i) সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰাটো এই আদালতৰ বাবে ন্যায়সঙ্গত আছিল নে?

২.৫ পূৰ্বতে উল্লেখ কৰা বিষয়সমূহৰ ওপৰত সংশ্লিষ্ট পক্ষৰ হৈ দাখিল কৰা তথ্যসমূহ বিবেচনা কৰোঁতে ইউ.এ.পি.এ., ১৯৬৭-ৰ প্ৰাসঙ্গিক ব্যৱস্থাবোৰৰ বিষয়ে উল্লেখ কৰিব লাগিব, যিবোৰ নিম্নলিখিত ধৰণৰ:

"ধাৰা ২ - সংজ্ঞাসমূহ:

(১)আইনখনত দিয়া সংজ্ঞাসমূহ প্ৰযোজ্য হ'ব যদিহে সেইবোৰ ব্যৱহাৰ কৰা প্ৰসংগৰ ওপৰত ভিত্তি কৰি বেলেগ ধৰণে ব্যাখ্যা কৰাৰ স্পষ্ট ইংগিত বা প্ৰয়োজনীয়তা নাথাকে,---

(ক)"সংগঠন" শব্দটোৱে ব্যক্তিসকল একত্ৰিত হৈ গঠিত হোৱা গোট বা সংস্থাক বুজায়।

(ট) সন্ত্ৰাসবাদী কাৰ্যৰ অৰ্থ ১৫ নং ধাৰাত নিৰ্ধাৰিত হৈছেআৰু সেই অনুসৰি সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী অভিধা দুটা ব্যাখ্যা কৰা হ'ব;

(ঠ) সন্ত্ৰাসবাদী দলৰ অৰ্থ হৈছে সন্ত্ৰাসবাদী সংগঠনৰ বাহিৰেও সংগঠিত হওক বা নহওক, সন্ত্ৰাসবাদী কাৰ্য সংঘটিত কৰাৰ সৈতে সম্পৰ্কিত আন যিকোনো সংগঠন,

(ড) সন্ত্ৰাসবাদী সংগঠনৰ অৰ্থ হৈছে [৯][প্ৰথম অনুসূচী]ত তালিকাভুক্ত সংগঠন বা তালিকাভুক্ত সংগঠনৰ সৈতে একে নামেৰে কাম কৰা সংগঠন;

(ঢ) কোনো ব্যক্তি বা সংগঠনৰ ক্ষেত্ৰত বেআইনী কাৰ্য্যকলাপৰ অৰ্থ হ'ল তেনে ব্যক্তি বা সংগঠনে গ্ৰহণ কৰা যিকোনো কাৰ্য (সেইয়া কোনো কাৰ্য সংঘটিত কৰিয়ে হওক বা কথিত বা লিখিত শব্দৰ দ্বাৰাই হওকবা কোনো সংকেত বা দৃশ্যমান উপস্থাপনৰ দ্বাৰা বা অন্য কোনো ধৰণে সংঘটিত কৰিয়েই হওক),- -

(i) যিয়ে যিকোনো ভিত্তিত ভাৰতৰ ভূখণ্ডৰ কোনো অংশৰ বিলুপ্তি বা ভাৰতৰ ভূখণ্ডৰ কোনো অংশ সংগঠনৰ পৰা বিচ্ছিন্ন কৰাৰ উদ্দেশ্য বা যিকোনো দাবীক সমৰ্থন কৰে, বা যিয়ে যিকোনো ব্যক্তি বা ব্যক্তিৰ গোটক এনে ধৰণৰ বিলুপ্তি বা বিচ্ছিন্নতা আনিবলৈ উদগনি দিয়ে; অথবা

(ii) যিয়ে ভাৰতৰ সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতাক অস্বীকাৰ কৰে, অখণ্ডতাৰ ওপৰত প্ৰশ্ন কৰে, বিঘ্নিত কৰে বা ভূখণ্ডৰ অখণ্ডতা বিঘ্নিত কৰাটো যাৰ উদ্দেশ্য; অথবা

(iii) যিয়ে ভাৰতৰ বিৰুদ্ধে অসন্তুষ্টি সৃষ্টি কৰে বা ভাৰতৰ বিৰুদ্ধে অসন্তুষ্টি সৃষ্টি কৰাটো যাৰ উদ্দেশ্য;

(ণ) বেআইনী সংস্থাৰ অৰ্থ হৈছে যিকোনো সংস্থা,--

(i) যাৰ উদ্দেশ্য হৈছে যিকোনো ধৰণৰ বেআইনী কাৰ্য্যকলাপ কৰা, বা যি ব্যক্তিসকলক যিকোনো বেআইনী কাৰ্য্যকলাপ কৰিবলৈ উৎসাহিত কৰে বা সহায় কৰে, বা যাৰ সদস্যসকলে এনে কাৰ্যকলাপ কৰে; বা

(ii) যাৰ উদ্দেশ্য হৈছে এনে কোনো কাৰ্যকলাপ কৰা, যি ভাৰতীয় দণ্ডবিধিৰ ১৫৩ এ (১৮৬০ চনৰ ৪৫) বা ১৫৩ বি নং ধাৰাৰ অধীনত দণ্ডনীয়, বা যি ব্যক্তিসকলক এনেধৰণৰ যিকোনো কাৰ্যকলাপ কৰিবলৈ উৎসাহিত বা সহায় কৰে, বা যাৰ সদস্যসকলে এনেধৰণৰ কাৰ্যকলাপ কৰে:

ধাৰা ৩ – কোনো সংস্থাক অবৈধ বা বোইনী বুলি ঘোষণা কৰা

(১) যদি কেন্দ্ৰীয় চৰকাৰে কোনো এটা সংস্থাক বেআইনী সংস্থা, বা সংস্থাটো বেআইনী হৈ পৰিছে বুলি মত পোষণ কৰে, তেনেহ'লে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে এনে সংস্থাক অবৈধ বুলি ঘোষণা কৰিব পাৰে।

(২) এনে প্ৰতিখন অধিসূচনাত কিহৰ ভিত্তিত ইয়াক জাৰি কৰা হৈছে সেই বিষয়ে আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় বুলি বিবেচনা কৰা অন্যান্য বিৱৰণসমূহ উল্লেখ কৰিব লাগিব:

এই চৰ্তত যে এই উপ-ধাৰাত কেন্দ্ৰীয় চৰকাৰে কোনো তথ্য প্ৰকাশ কৰিব নোৱাৰিব, যিসমূহ তথ্য প্ৰকাশ কৰাটো জনস্বাৰ্থৰ বিৰুদ্ধে বুলি বিবেচনা কৰা হয়।

(৩) ন্যায়াধিকৰণে ধাৰা ৪-ৰ অধীনত এক আদেশৰ জৰিয়তে ঘোষণাটো নিশ্চিত নকৰা পৰ্যন্ত আৰু এই নিশ্চিতকৰণ চৰকাৰী গেজেটত প্ৰকাশ নকৰা পৰ্যন্ত সংগঠন এটাক বেআইনী ঘোষণা কৰা যিকোনো অধিসূচনা কাৰ্যকৰী নহ'ব:

যদি কেন্দ্ৰীয় চৰকাৰে মত পোষণ কৰে যে এনে কেতবোৰ পৰিস্থিতি আছে, যিবোৰৰ বাবে সেই চৰকাৰে কোনো সংস্থাক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ অবৈধ বুলি ঘোষণা কৰাটো প্ৰয়োজনীয় হৈ পৰে, তেন্তেলিখিতভাৱে উল্লেখ কৰিবলগীয়া কাৰণবোৰৰ বাবে নিৰ্দেশ দিব পাৰে যে ৪ নং ধাৰাৰ অধীনত দিয়া যিকোনো আদেশ সাপেক্ষে অধিসূচনাখন চৰকাৰী ৰাজপত্ৰত প্ৰকাশ পোৱাৰ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব।

(৪) এনে প্ৰতিখন অধিসূচনা চৰকাৰী ৰাজপত্ৰত প্ৰকাশ হোৱাৰ উপৰিও প্ৰভাৱিত সংস্থাটোৰ প্ৰধান কাৰ্যালয় (যদি আছে) থকা ৰাজ্যখনৰ অন্ততঃ এখন দৈনিক বাতৰি কাকতত প্ৰকাশ কৰা হ'ব আৰু কেন্দ্ৰীয় চৰকাৰে উপযুক্ত বুলি ভবা ধৰণে এনে সংস্থাত সেৱা আগবঢ়াব লাগিব আৰু এনে সেৱা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত নিম্নলিখিত সকলো বা যিকোনো পদ্ধতি অনুসৰণ কৰা হ'ব :—

(ক) অধিসূচনাৰ এটা প্ৰতিলিপি সংস্থাৰ কাৰ্যালয়ৰ কোনো এটা বিশেষ বিভাগৰ (যদি থাকে) সৈতে সংলগ্ন কৰি; বা

(খ) সম্ভৱ হ'লে সংস্থাৰ প্ৰধান বিষয়ববীয়াসকলক (যদি আছে)অধিসূচনাৰ প্ৰতিলিপি প্ৰদান কৰি; অথবা

(গ) যিটো অঞ্চলত সাধাৰণতে সংস্থাৰ কাৰ্য্যকলাপ চলি থাকে, সেই অঞ্চলত ঢোলত চাপৰ মাৰি বা লাউডস্পীকাৰৰ সহায়ত অধিসূচনাৰ বিষয়বস্তু ঘোষণা কৰি; অথবা

(ঘ) এনেধৰণৰ অন্য নিৰ্ধাৰিত ধৰণেৰে।

ধাৰা ৪ – ন্যায়াধিকৰণৰ প্ৰসংগ -

(১) যি ক্ষেত্ৰত ৩নং ধাৰাৰ উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰা কোনো সংস্থাক অবৈধ বুলি ঘোষণা কৰা হৈছে, তেনে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে উক্ত উপ-ধাৰাৰ অধীনত অধিসূচনা প্ৰকাশৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত, সংস্থাটোক বেআইনী ঘোষণা কৰাৰ পৰ্যাপ্ত কাৰণ আছে নে নাই সেই কথা নিৰ্ণয় কৰাৰ উদ্দেশ্যে ন্যায়াধিকৰণলৈ জাননীখন প্ৰেৰণ কৰিব।

(২) উপ-ধাৰা (১)-ৰ অধীনত এটা প্ৰসংগ প্ৰাপ্ত কৰাৰ পিছত, ন্যায়াধিকৰণে জাননীখনৰ দ্বাৰা প্ৰভাৱিত সংস্থাটোক এনে জাননী প্ৰদানৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত সংস্থাটোক কিয় অবৈধ ঘোষণা কৰা উচিত নহয় তাৰ কাৰণ দৰ্শাবলৈ লিখিতভাৱে আহ্বান জনাব লাগিব ।

(৩) সংস্থা বা কাৰ্য্যালয়ৰ বিষয়া বা সদস্যসকলে দৰ্শোৱা কাৰণটো বিবেচনা কৰাৰ পিছত ন্যায়াধিকৰণে ৯ নং ধাৰাত উল্লেখ কৰা ধৰণে আৰু প্ৰয়োজনীয় বুলি বিবেচনা কৰা অধিক তথ্যৰ বাবে আহ্বান জনোৱাৰ পিছত,ধাৰা ৩-ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনাৰ তাৰিখৰ পৰা ছয় মাহৰ ভিতৰত, ন্যায়াধিকৰণে সিদ্ধান্ত ল'ব যে সংগঠনটো বেআইনী ঘোষণা কৰাৰ বৈধ কাৰণ আছে নে নাই। তাৰ পিছত ন্যায়াধিকৰণে যিমান সম্ভৱ সোনকালে এই সিদ্ধান্ত লোৱাৰ প্ৰতি লক্ষ্য ৰাখি এক উপযুক্ত আদেশ জাৰী কৰিহয় ঘোষণাটো নিশ্চিত কৰিব বা ইয়াক বাতিল কৰিব, যিটোৱেই ই উপযুক্ত বুলি বিবেচনা কৰে।

(৪) উপধাৰা (৩)-ৰ অধীনত দিয়া ন্যায়াধিকৰণৰ আদেশ চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰা হ'ব।

ধাৰা ৫ – ন্যায়াধিকৰণ –

(১)প্ৰয়োজন সাপেক্ষে "অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) ন্যায়াধিকৰণ" নামৰ ন্যায়াধিকৰণ গঠন কৰাৰ কৰ্তৃত্ব কেন্দ্ৰীয় চৰকাৰৰ আৰু এই ন্যায়াধিকৰণৰ সদস্য হিচাপে কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়া এজন ব্যক্তি থাকিব।

অৱশ্যে, এই ব্যক্তিজন উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হ'ব লাগিব।

(২) যদি অস্থায়ী অনুপস্থিতিৰ বাহিৰে আন কোনো কাৰণত ন্যায়াধিকৰণৰ প্ৰিজাইডিং বিষয়াৰ পদ খালী হয়, কেন্দ্ৰীয় চৰকাৰে এই ধাৰাৰ নিয়ম অনুসৰি সেই খালী পদ পূৰণৰ বাবে এজন নতুন ব্যক্তি নিয়োগ কৰিব

আৰু ন্যায়াধিকৰণৰ সন্মুখত চলি থকা প্ৰক্ৰিয়াবোৰ সেই স্থানৰ পৰা অব্যাহত থাকিব পাৰে, য'ত খালী পদটো নতুন নিযুক্তিৰ সৈতে পূৰণ কৰা হয়।

(৩) কেন্দ্ৰীয় চৰকাৰে এই আইনৰ অধীনত নিজৰ কাম-কাজ নিষ্পাদনৰ বাবে প্ৰয়োজন হ'ব পৰা কৰ্মচাৰীসকলক ন্যায়াধিকৰণক উপলব্ধ কৰোৱাব।

(৪) ন্যায়াধিকৰণৰ সৈতে জড়িত সকলো খৰচ ভাৰতৰ সঞ্চিত নিধিৰ পৰা পৰিশোধ কৰা হ'ব।

(৫) ৯ নং ধাৰাৰ বিধান সাপেক্ষে, ন্যায়াধিকৰণে নিজৰ বৈঠক অনুষ্ঠিত কৰিবলগীয়া কোনো এটা স্থান বা স্থানসমূহকে ধৰি নিজৰ কাম-কাজবোৰ সম্পাদন কৰাৰ ফলত উদ্ভৱ হোৱা সকলো বিষয়তে নিজৰ পদ্ধতি নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা থাকিব।

(৬) এই আইনৰ অধীনত তদন্ত কৰাৰ উদ্দেশ্যে ন্যায়াধিকৰণে নিম্নোক্ত বিষয়সমূহৰ সন্দৰ্ভত গোচৰৰ বিচাৰ চলাওঁতে, দেৱানী প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ চনৰ ৫ নং)- ৰ অধীনত দেৱানী আদালতত ন্যস্ত কৰাৰ সমান ক্ষমতা লাভ কৰিব –

(ক) যিকোনো সাক্ষীক মাতি অনা আৰু তেওঁৰ উপস্থিতি বলবৎ কৰা আৰু শপতনামাৰ ভিত্তিত তেওঁক পৰীক্ষা কৰা;

(খ) প্ৰমাণ হিচাপে প্ৰস্তুত কৰিব পৰা যিকোনো নথিপত্ৰ বা অন্যান্য সামগ্ৰীৰ উদ্ধাৰ কৰা আৰু প্ৰস্তুত কৰা;

(গ) শপতনামাৰ ভিত্তিত প্ৰমাণ গ্ৰহণ কৰা;

(ঘ) যিকোনো আদালত বা কাৰ্যালয়ৰ পৰা যিকোনো ৰাজহুৱা ৰেকৰ্ড বিচৰা;

(ঙ) সাক্ষীৰ পৰীক্ষাৰ বাবে যিকোনো আয়োগ জাৰি কৰা।

(৭) ন্যায়াধিকৰণত উত্থাপিত যিকোনো কাৰ্যবিধিকেই ভাৰতীয় দণ্ডবিধিৰ (১৮৬০ চনৰ ৪৫) ১৯৩ নং আৰু ২২৮ নং ধাৰাৰ অৰ্থৰ ভিতৰত ন্যায়িক কাৰ্যবিধি বুলি গণ্য কৰা হ'ব আৰু ১৯৫ নং ধাৰা আৰু [২](সংহিতা)-ৰ [১] [অধ্যায় XXVI]-ৰ উদ্দেশ্যে ন্যায়াধিকৰণক দেৱানী আদালত বুলি গণ্য কৰা হ'ব।

ধাৰা ৬ – পৰিচালনাৰ সময়সীমা আৰু অধিসূচনা বাতিল কৰা -

(১) উপ-ধাৰা (২)ৰ বিধান সাপেক্ষে ধাৰা ৩ৰ অধীনত জাৰি কৰা অধিসূচনা এখনক যদি ধাৰা ৪ৰ অধীনত দিয়া আদেশৰ দ্বাৰা ন্যায়াধিকৰণে নিশ্চিত কৰে, তেন্তে ধাৰা ৩ৰ অধীনত জাৰি কৰা অধিসূচনাখন কাৰ্যকৰী হোৱাৰ তাৰিখৰ পৰা [১] [পাঁচ বছৰ] সময়ৰ বাবে বলবৎ থাকিব।

(২)উপ-ধাৰা (১)ত যিয়েই উল্লেখ কৰা নহওক কিয়, ধাৰা ৩-ৰ অধীনত জাৰি কৰা অধিসূচনাক যিকোনো সময়তে বাতিল কৰাৰ কৰ্তৃত্ব কেন্দ্ৰীয় চৰকাৰৰ আছে। এই বাতিল হয় নিজা উদ্যোগত হ'ব পাৰে নহয় অধিসূচনাৰ দ্বাৰা প্ৰভাৱিত কোনোবাই চৰকাৰৰ ওচৰত আবেদন দাখিল কৰিলে হ'ব পাৰে। সেই অধিসূচনাত কৰা ঘোষণা ন্যায়াধিকৰণে নিশ্চিত কৰিছিল নে নাই সেয়া কোনো বিচাৰ্যৰ বিষয় নহয়।

৩) বিজ্ঞ ছলিচিটৰ জেনেৰেল শ্ৰী তুষাৰ মেহতাই আমাক ইউ.এ.পি.এ. আৰু ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৯ (১) আৰু ১৯ (৪) প্ৰণয়নৰ পটভূমিলৈ লৈ গৈছে । ৰাষ্ট্ৰীয় একত্ৰীকৰণ পৰিষদে ৰাষ্ট্ৰীয় একত্ৰীকৰণ আৰু আঞ্চলিককৰণ সম্পৰ্কীয় এখন সমিতি নিযুক্ত কৰাৰ পিছত অনুচ্ছেদ ১৯ (১) -ৰ অধীনত সংস্থা গঠন কৰাৰ স্বাধীনতাৰ ব্যতিক্ৰমক অনুচ্ছেদ ১৯ (৪)-ত ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ ৰূপত অন্তৰ্ভুক্ত কৰা হৈছিল বুলি কোৱা হৈছে।উক্ত সমিতিখনে ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থত যুক্তিসংগত বাধা আৰোপ কৰাৰ দিশটো চোৱা-চিতা কৰিব লগীয়া হৈছিল৷ কোৱা হৈছে যে সমিতিৰ পৰা গ্ৰহণ কৰা পৰামৰ্শ অনুসৰি ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থত আইন অনুসৰি যুক্তিসংগত বাধা আৰোপ কৰিবলৈ সংবিধান (ষোড়শ সংশোধনী) আইন, ১৯৬৩ প্ৰণয়ন কৰা হৈছিল। ভাৰতীয় সংবিধানৰ ১৯(১)(চি) আৰু ১৯(৪) অনুচ্ছেদ এনেধৰণৰ :

"সংস্থা বা সংগঠন গঠন কৰিবৰ বাবে ১৯(১)(চি);"

উক্ত অনুচ্ছেদটো ১৯ (৪) নং অনুচ্ছেদে নিম্নলিখিত ধৰণে সীমাবদ্ধকৰিছে:

> ১৯(৪)- এই অনুচ্ছেদটোৰ উপ-অনুচ্ছেদ (চি)-ত সন্নিবিষ্ট কোনো কথাই যিকোনো বিদ্যমান আইনৰ কাৰ্যকলাপক প্ৰভাৱিত কৰিব নোৱাৰে, যেতিয়ালৈকে ই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা বা ৰাজহুৱা শৃংখলা বা নৈতিকতাৰ স্বাৰ্থতউক্ত উপ-ধাৰাৰ দ্বাৰা প্ৰদান কৰা

অধিকাৰ প্ৰয়োগৰ ওপৰত যুক্তিসঙ্গত বাধা আৰোপ কৰাৰ ক্ষেত্ৰত ৰাজ্যখনক কোনো আইন আৰোপ কৰাত বাধা দিব নোৱাৰে।"

বিজ্ঞ ছলিচিটৰ জেনেৰেলে এই কথাত গুৰুত্ব আৰোপ কৰে যে আদালতে এটা গুৰুত্বপূৰ্ণ কথা উপেক্ষা কৰিলেযে ভাৰতীয় সংবিধানৰ সৈতে সংগতি ৰাখি প্ৰণয়ন কৰা বিধানসমূহৰ ব্যাখ্যাত্মক প্ৰক্ৰিয়াৰ সৈতে মিল নোহোৱা বিদেশী কৰ্তৃপক্ষৰ ওপৰত আদালতে বহু পৰিমাণে নিৰ্ভৰ কৰিছিল।"

কোৱা হৈছে যে ১৯৬৩ চনৰ আইনৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবেসংসদত বেআইনী কাৰ্য্যকলাপ (প্ৰতিৰোধ) বিধেয়ক উত্থাপন কৰা হৈছিল। ভাৰতৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ বিৰুদ্ধে নিৰ্দেশিত কাৰ্যকলাপৰ সৈতে মোকাবিলা কৰাৰ বাবে ক্ষমতা উপলব্ধ কৰাটোৱেই হৈছে ইউ.এ.পি.এ.-ৰ মূল উদ্দেশ্য। তেওঁ আমাক প্ৰস্তাৱনা আৰু ইউ.এ.পি.এ. প্ৰণয়নৰ উদ্দেশ্য আৰু কাৰণসমূহলৈ লৈ গৈছে।যুক্তি দৰ্শোৱা হৈছে যে যিটো লক্ষ্য আৰু উদ্দেশ্যৰ বাবে ইউ.এ.পি.এ. প্ৰণয়ন কৰা হৈছে, সেই লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ ধাৰা ১০(এ)(i)-ত কোৱা হৈছে যে যদি কোনোবাই ধাৰা ৩ৰ অধীনত জাৰি কৰা অধিসূচনাখনৰ দ্বাৰা (যিখন অধিসূচনা সেই ধাৰাৰ উপ-ধাৰা (৩)-ৰ অধীনত কাৰ্যকৰী হৈছে) অবৈধ ঘোষণা কৰা সংস্থাৰ সদস্য হৈ থাকে, তেন্তে তেনে ব্যক্তিক দুবছৰলৈকে কাৰাদণ্ডৰ শাস্তি দিয়া হ'ব, আৰু জৰিমনাও বিহা হ'ব। যুক্তি দৰ্শোৱা হৈছে যে সেয়েহে যেতিয়ালৈকে ধাৰা ১০(এ)(i) প্ৰযোজ্য হৈ থাকিব, তেতিয়ালৈকে এনে সংস্থাৰ সদস্য হৈ থকা ব্যক্তিক শাস্তি প্ৰদান কৰা হ'ব।যুক্তি দৰ্শোৱা হৈছে যে ধাৰা

১০(এ)(i) –এ আৰু কোনো অপৰাধী মনোবৃত্তি নিবিচাৰে ।কোৱা হৈছে যে ধাৰা ৩-ৰ অধীনত অবৈধ ঘোষিত সংস্থাৰ সদস্যপদহে বিচাৰ কৰা আৰু দোষী সাব্যস্ত কৰাৰ বাবে পৰ্যাপ্ত।

এইটো কোৱা হৈছে যে ইউ.এ.পি.এ., ১৯৬৭-ৰ বিধান অনুসৰিকোনো সংস্থা/সংঘক ইউ.এ.পি.এ.-ৰ ধাৰা ৩-ৰ অধীনত অবৈধ বুলি ঘোষণা কৰাৰ পূৰ্বে ইউ.এ.পি.এ.-ৰ অধীনত প্ৰয়োজনীয় পদ্ধতি অৰ্থাৎ ইউ.এ.পি.এ.-ৰ ধাৰা ৩ মানি চলাটো প্ৰয়োজনীয়। যুক্তি দৰ্শোৱা হৈছে যে ইয়াৰ পিছত যদি কোনো সংস্থা বা সংগঠন ইউ.এ.পি.এ.-ৰ ধাৰা ৩ৰ অধীনত বেআইনী ঘোষণা কৰা হয়, আৰু সেই সংঘক অধিসূচনা প্ৰকাশৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত জাৰি কৰা অধিসূচনাৰ দ্বাৰা বেআইনী ঘোষণা কৰা হয়, তেন্তে কেন্দ্ৰীয় চৰকাৰে বিষয়টো ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰিব লাগিব, এইদৰে প্ৰেৰণ কৰাৰ উদ্দেশ্য হৈছে সংস্থাটোক বেআইনী ঘোষণা কৰাৰ যথেষ্ট কাৰণ আছে নে নাই সেইটো নিৰ্ণয় কৰা। ধাৰা ৪(২) অনুসৰি ৪ ৰ উপধাৰা (১)ৰ অধীনত এটা প্ৰসংগ প্ৰাপ্ত কৰাৰ পিছত ন্যায়াধিকৰণে জাননীৰ দ্বাৰা প্ৰভাৱিত সংস্থাটোক এনে জাননী প্ৰদান কৰিলে সংস্থাটোক কিয় অবৈধ বুলি ঘোষণা কৰা নহ'ব লিখিতভাৱে তাৰ কাৰণ দেখুৱাবলৈ আহ্বান জনাব লাগিব। ইয়াৰ পিছত সংস্থা, বিষয়ববীয়া বা সদস্যই দাখিল কৰা যিকোনো কাৰণ ন্যায়াধিকৰণে বিবেচনা কৰিবআৰু ই ধাৰা ৯-ত উল্লেখ কৰা ধৰণে অনুসন্ধান চলাব আৰু প্ৰয়োজন হ'লে কেন্দ্ৰীয় চৰকাৰ বা ভাৰত চৰকাৰৰ বিষয়ববীয়া বা সদস্যৰ পৰা অতিৰিক্ত তথ্য বিচাৰিব; তাৰ পিছত ন্যায়াধিকৰণে সিদ্ধান্ত ল'ব যে সংস্থাটোক বেআইনী ঘোষণা

কৰাৰ যথেষ্ট কাৰণ আছে নে নাই। নিজৰ তথ্যৰ ভিত্তিত ন্যায়াধিকৰণে হয় অধিসূচনাত কৰা ঘোষণা নিশ্চিত কৰিব পাৰে, নহয় বাতিল কৰিব পাৰে, যিটো উপযুক্ত বুলি বিবেচনা কৰে। এইটো কোৱা হৈছে যে উপ-ধাৰা (৩)-ৰ অধীনত ন্যায়াধিকৰণৰ আদেশ চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰিব লাগিব।

বিজ্ঞ ছলিচিটৰ জেনেৰেলে যুক্তি আগবঢ়াইছিল যে ইউ.এ.পি.এ.-ৰ ধাৰা ৩ ৰ পৰা ৬ অনুসৰি, সংস্থা এটাক "বেআইনী" বুলি ঘোষণা কৰাটো কেৱল কাৰ্যবাহী কৰ্তৃপক্ষৰ দ্বাৰা লোৱা সিদ্ধান্তৰ ওপৰত আধাৰিত নহয়। এইটো কোৱা হৈছে যে কোনো সংস্থাক "অবৈধ" বুলি চিহ্নিত কৰাটো এনে এক শক্তিশালী আইনী প্ৰক্ৰিয়াৰ ফল, য'ত এটা সাংবিধানিক ব্যৱস্থাৰ ভিতৰত সংস্থাটোৱে নিজৰ গোচৰ দাখিল কৰাৰ যথেষ্ট সুযোগ পায় আৰু ন্যায়িক কৰ্তৃপক্ষক পতিয়ন নিয়াব পাৰে যে ইয়াৰ লক্ষ্য, উদ্দেশ্য আৰু কাৰ্যকলাপসমূহ আইনী আৰু সংবিধানৰ সৈতে মিল আছে। এইটো কোৱা হৈছে যে “কেৱল সদস্যপদ”ক অপৰাধমূলক কৰাৰ যিকোনো প্ৰশ্নৰ সিদ্ধান্ত লোৱাৰ সময়ত একেই প্ৰভাৱ পেলাব লাগিব।

৪. ৰাণীফ (উপৰোক্ত) আৰু অৰূপ ভূঞা (উপৰোক্ত)ৰ গোচৰত এই আদালতে কৰা পৰ্যবেক্ষণৰ শুদ্ধতাক ধাৰা ১০(এ)(i)ৰ অধীনত অপৰাধসমূহ প্ৰমাণ কৰিবলৈ বিচাৰ বিভাগে অভিযুক্ত ব্যক্তিজন যে নিষিদ্ধ ঘোষিত সংগঠনৰ “সক্ৰিয় সদস্য” হিচাপে অংশগ্ৰহণ কৰিছিল সেই কথাৰ দ্বাৰা দেখুৱাব লাগিব। কোৱা হৈছে যে অৰূপ ভূঞাৰ গোচৰত আদালতে ৰাণীফ গোচৰৰ পূৰ্বৰ সিদ্ধান্তসমূহ অনুসৰণ কৰিছিল, য’ত

তেওঁলোকে বাক স্বাধীনতাৰ ক্ষেত্ৰত আমেৰিকাৰ মতবাদ বিবেচনা কৰি আমেৰিকাত প্ৰযোজ্য বাক স্বাধীনতাৰ ওপৰত উল্লেখ কৰা আমেৰিকাৰ সিদ্ধান্তসমূহ গ্ৰহণ কৰিছিল আৰু অনুসৰণ কৰিছিল। এই আদালতে ভাৰতৰ ক্ষেত্ৰত সাংবিধানিক বিধানসমূহ বিবেচনা নকৰাকৈ বাক স্বাধীনতাৰ ক্ষেত্ৰত আমেৰিকাৰ মতবাদসমূহক, বিশেষকৈ সংবিধানৰ ১৯(১)(চি) আৰু ১৯(৪) অনুচ্ছেদক, পোনপটীয়াকৈ অনুসৰণ কৰা উচিত নাছিল আৰু/বা গ্ৰহণ কৰা উচিত নাছিল। এই আদালতে বাবুলাল পাৰাটে বনাম মহাৰাষ্ট্ৰ ৰাজ্য [(১৯৬১) ৩ এছ.চি.আৰ. ৪২৩-ত প্ৰকাশিত] গোচৰত বাক স্বাধীনতাৰ ক্ষেত্ৰত আমেৰিকাৰ মতবাদৰ আমদানি বিশেষভাৱে নাকচ কৰিছে আৰু দুখন সংবিধান বিচাৰপীঠৰ ৰায়দানৰ জৰিয়তে  বিশেষভাৱে 'অপৰাধ নিৰ্ধাৰণ'ৰ সন্দৰ্ভত উক্ত আমদানি নাকচ কৰিছে, যিবোৰ ৰাণীফ (উপৰোক্ত) আৰু অৰূপ ভূঞা (উপৰোক্ত) গোচৰৰ শুনানি গ্ৰহণ কৰা বিজ্ঞ বিচাৰপীঠে বিবেচনা কৰা নাই। বিজ্ঞ ছলিচিটৰ জেনেৰেলে বাবুলালৰ গোচৰৰ সিদ্ধান্তৰ ২৩ৰ পৰা ২৮ নং দফা আৰু মধু লিমায়ে বনাম মহকুমাধিপতি [ (১৯৭০) ৩ এছ.চি.চি. ৭৪৬-ত প্ৰকাশিত] গোচৰৰ সিদ্ধান্তৰ ১৬ আৰু ১৭ নং দফাৰ ওপৰত বহু পৰিমাণে আস্থা প্ৰকাশ কৰিছে।

বিজ্ঞ ছলিচিটৰ জেনেৰেলে কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক বনাম ডঃ ৰাম মনোহৰ লোহিয়া [ (১৯৬০) ২ এছ.চি.আৰ. ৪২১-ত প্ৰকাশিত (দফা ৯ ৰ পৰা ১১) ] আৰু পুনৰ, (২০১২) ৫ এছ.চি.চি. ১-ত প্ৰকাশিত ৰামলীলা ময়দান ঘটনাৰ ওপৰত নিৰ্ভৰ কৰি ৰাজহুৱা আদেশ আৰু বাক স্বাধীনতাৰ পৰিপ্ৰেক্ষিতত আমেৰিকাৰ সাংবিধানিক স্থিতিৰ

ওপৰত আস্থা প্ৰকাশ কৰিছে। এইটো কোৱা হৈছে যে পূৰ্বতে উল্লেখ কৰা বিষয়টোত বিশেষভাৱে লক্ষ্য কৰা হৈছে যে শ্বেংকৰ ক্ষেত্ৰত উল্লেখ কৰা আমেৰিকান মতবাদটো আমদানি বা প্ৰয়োগ কৰিব নোৱাৰি। লক্ষ্যণীয় যে আমাৰ সংবিধানৰ অধীনত এই অধিকাৰ – বাক স্বাধীনতা নিৰপেক্ষ অধিকাৰ নহয়, বৰঞ্চ নিষেধাজ্ঞাৰ অধীন। কোৱা আৰু লক্ষ্য কৰা হৈছে যে এনেদৰে আমাৰ সংবিধানৰ অধীনত স্থিতি পৃথক। এই আদালতে পূৰ্বতে উল্লেখ কৰা সিদ্ধান্তসমূহত দেখা যায় যে সংবিধানত সন্নিবিষ্ট মৌলিক অধিকাৰক যুক্তিসঙ্গত সীমাবদ্ধতাৰ অধীনত নিৰ্ণয় কৰা হৈছে, বাক স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰৰ ওপৰত কিছুমান প্ৰতিবন্ধকতা নিৰ্দিষ্ট কৰিবলৈ প্ৰণয়ন কৰা আইনবোৰ অৰ্থপূৰ্ণভাৱে আৰু সাংবিধানিক উদ্দেশ্যৰ কথা মনত ৰাখি ব্যাখ্যা কৰিব লাগিব।এইটো কোৱা হৈছে আৰু লগতে লক্ষ্য কৰা হৈছে যে এনেদৰে ভাৰতীয় আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ আইনৰ অধীনত আইনৰ ভাষা, ইয়াৰ সাম্ভাব্য ব্যাখ্যা আৰু প্ৰয়োগৰ ক্ষেত্ৰত এক স্পষ্ট পাৰ্থক্য আছে।

বিজ্ঞ ছলিচিটৰ জেনেৰেলে এই কথাও উল্লেখ কৰিছে যে বহুবাৰ এই আদালতে এনে বিষয়ৰ আমেৰিকাৰ মতবাদ আমদানি কৰিবলৈ অস্বীকাৰ কৰিছিল। জোচেফ কুৰুভিলা ভেলুকুনেল বনাম ভাৰতীয় ৰিজাৰ্ভ বেংক [১৯৬২ Supp (৩) এছ.চি.আৰ. ৬৩২ (দফা ৫০ আৰু ৭৫)]; এম.চি. মেহতা বনাম ইউনিয়ন অব ইণ্ডিয়া (শ্ৰীৰাম – অলিয়াম গেছ) [(১৯৮৭) ১ এছ.চি.চি. ৩৯৫ দফা ২৯)]; অশোক কুমাৰ ঠাকুৰ বনাম ইউনিয়ন অৱ ইণ্ডিয়া [(২০০৮) ৬ এছচিচি ১ দফা ১৮৮ ৰ পৰা ১৯০)] আৰু পাথুম্মা বনাম কেৰালা ৰাজ্য [(১৯৭৮) ২ এছচিচি

১ (দফা ২৩)] –গোচৰত এই আদালতৰ সিদ্ধান্তৰ ওপৰত আস্থা প্ৰকাশ কৰা হৈছে।

উপৰোক্ত যুক্তিসমূহ উত্থাপন কৰি আৰু ওপৰৰ সিদ্ধান্তসমূহৰ ওপৰত নিৰ্ভৰ কৰি, বিজ্ঞ ছলিচিটৰ জেনেৰেল শ্ৰী মেহতাই যুক্তি দৰ্শাইছে যে সেয়েহে "স্পষ্ট আৰু বৰ্তমান বিপদ"[শ্বেংক বনাম আমেৰিকা যুক্তৰাষ্ট্ৰ, ২৪৯ ইউ.এচ. ৪৭ (১৯১৯)]আৰু "আসন্ন আইনবিহীন কাৰ্য" [ব্ৰেণ্ডেনবাৰ্গ বনাম ওহাইও, ৩৯৫ ইউ.এচ. ৪৪৪ (১৯৬৯)] –ৰ আমেৰিকাৰ মতবাদ ভাৰতীয় সাংবিধানিক আইনৰ বাবে অচিনাকী।

৪.৫ উল্লিখিত দাখিলসমূহ উপস্থাপন কৰি কোৱা হৈছে যে এই আদালতে বাক স্বাধীনতাৰ ওপৰত আমেৰিকাৰ মতবাদ অনুসৰণ আৰু/বা নিৰ্ভৰ কৰি ৰাণীফ (উপৰোক্ত) আৰু অৰূপ ভূঞা (উপৰোক্ত) গোচৰত কৰা পৰ্যবেক্ষণসমূহ বাতিল কৰিব পাৰি আৰু আইনী স্থিতি পুনৰ সুনিশ্চিত কৰিব পাৰি।

৫. ১৯৬৭ চনৰ ইউ.এ.পি.এ. আইনখনৰ ধাৰা ১০(এ)(i)ৰ সৈতে মিল থকা সন্ত্ৰাসবাদী আৰু বিঘ্নিতকাৰী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৮৭ৰ ধাৰা ৩(৫)–ৰ সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিআৰু এই বিধানৰ এনেদৰে ব্যাখ্যা কৰা সন্দৰ্ভত এইটো লক্ষ্য কৰি যে নিষিদ্ধ ঘোষিত সংস্থাৰ কেৱল সদস্যপদ গ্ৰহণে কোনো ব্যক্তিক দোষী সাব্যস্ত নকৰে, যদিহে তেওঁ হিংসাৰ আশ্ৰয় নলয় বা মানুহক হিংসা কৰিবলৈ উচটনি নিদিয়ে বা হিংসা কৰিবৰ বাবে উচটনি দি ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি নকৰে আৰু নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যপদে

সংশ্লিষ্ট কোনো ব্যক্তিকে অপৰাধী নসজায়, উক্ত বিধান ব্যাখ্যা কৰি বিজ্ঞ ছলিচিটৰ জেনেৰেল শ্ৰী তুষাৰ মেহতাই দৃঢ়ভাৱে যুক্তি আগবঢ়ায় যে প্ৰাসঙ্গিক ব্যৱস্থাবোৰৰ প্ৰতি প্ৰত্যাহ্বানৰ অভাৱত, বিশেষকৈ ইউ.এ.পি.এ., ১৯৬৭-ৰ ধাৰা ১০(এ)(i) –ৰ ক্ষেত্ৰত, এনেধৰণৰ সীমিত প্ৰায়োগিক ৰূপৰ ব্যাখ্যা কৰাৰ অনুমতি দিয়া হোৱা নাই। আমাৰ সন্মুখত এইটো উপস্থাপন কৰা হৈছে যে ৰাণীফ (উপৰোক্ত) গোচৰত [ যিটো গোচৰৰ ৰায় পৰৱৰ্তী সময়ত অৰূপ ভূঞা (উপৰোক্ত) আৰু ইন্দ্ৰ দাস বনাম অসম ৰাজ্য, (২০১১) ৩ এছ.চি.চি. ৩৮০ –ত প্ৰকাশিত, অনুসৰণ কৰা হৈছে ] এই আদালতে জামিন আবেদন বিবেচনা কৰি আছিল আৰু ইউ.এ.পি.এ. আইনৰ ধাৰা ১০(এ)(i)ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনোৱা হোৱা নাছিল।

৫.১ বিজ্ঞ চলিচিটৰ জেনেৰেলে সুব্ৰমণিয়াম স্বামী আৰু অন্যান্য বনাম ৰাজু (জুভেনাইল জাষ্টিচ ব'ৰ্ডৰ সদস্য আৰু আন এজনৰ জৰিয়তে)-গোচৰত, [(২০১৪) ৮ এছ.চি.চি. ৩৯০-ত প্ৰকাশিত] কেতিয়া কোনোবিধানৰ সীমিত প্ৰায়োগিক ৰূপৰ ব্যাখ্যা কৰাৰ ক্ষমতা ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে ব্যাখ্যা কৰা হৈছে।উক্ত ৰায়দানৰ ৫৯-ৰ পৰা ৬২ নং দফাৰ ওপৰত আস্থা প্ৰকাশ কৰা হৈছে।যুক্তি দৰ্শোৱাহৈছে যে যেতিয়া ইউ.এ.পি.এ. আইনৰ ধাৰা ১০(এ)(i)ৰ ভাষা স্পষ্ট আৰু পোনপটীয়া হয়, আৰু ইউ.এ.পি.এ. আইনখন প্ৰণয়ন কৰা উদ্দেশ্যৰ লগতে বিধিৰ স্পষ্ট আৰু আক্ষৰিক অৰ্থ বিবেচনা কৰা হয়, আৰু কোনো সাংবিধানিক প্ৰত্যাহ্বানৰ অভাৱত, এই আদালতৰ উক্ত আইনখনক সীমিত পৰিসৰৰ প্ৰয়োগিক ক্ষেত্ৰ সম্পৰ্কে ব্যাখ্যা আগবঢ়াব নোৱাৰে।

যুক্তি দৰ্শোৱা হৈছে যে সাংবিধানিক প্ৰত্যাহ্বানৰ অভাৱত ইউ.এ.পি.এ. আইনৰ ১০ নং ধাৰাক সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা  কৰাৰকৰাৰ কোনো সুযোগ নাছিল।

৬. বিজ্ঞ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই উত্থাপন কৰা যুক্তিসমূহক অসম ৰাজ্যক প্ৰতিনিধিত্ব কৰা জ্যেষ্ঠ অধিবক্তা বিনয় নভাৰেই সমৰ্থন কৰাৰ উপৰিও নভাৰেই এইটোও আঙুলিয়াই দিয়ে যে ইউ.এ.পি.এ.ৰ বিধিৰ অধীনত কোনো সংস্থাৰ সকলো সদস্যকে এই  সংস্থাক অবৈধ বুলি ঘোষণা কৰাৰ বিষয়ে অৱগত কৰাটো নিশ্চিত কৰাৰ বাবে সকলো প্ৰচেষ্টা চলোৱা হয়।

ইয়াৰ উপৰিও কোৱা হৈছে যে ১০ নং ধাৰাত ব্যৱহৃত ভাষাটো বৰ্তমানৰ প্ৰেক্ষাপটত অতি উল্লেখযোগ্য। ইয়াত উল্লেখ কৰা হৈছে যে “যদি কোনো সংস্থাক ধাৰা ৩-ৰ অধীনত অধিসূচনাৰ জৰিয়তে অবৈধ ঘোষণা কৰা হয়, সেই অধিসূচনা সেই ধাৰাটোৰ উপ-ধাৰা (৩)ৰ অধীনত কাৰ্যকৰী হৈছে“। যুক্তি দৰ্শোৱা হৈছে যে উপধাৰা (৩) অনুসৰি ধাৰা ৩ৰ অধীনত অধিসূচনা কাৰ্যকৰী হোৱাৰ পিছতহে ধাৰা ৩ৰ দ্বিতীয় অংশ প্ৰযোজ্যহয়।যুক্তি দৰ্শোৱা হৈছে যে যদি কোনো ব্যক্তি সংস্থাৰ সদস্য আছিল, ঘোষণাৰ পিছত আৰু তেওঁ সদস্য হৈ নাথাকিব, তেন্তে সেই পৰিস্থিতি ১০ নং ধাৰাত নপৰে। এই ধাৰাটোৰ উদ্দেশ্য হ'ল কোনো ব্যক্তিয়ে কেৱল অবৈধ বুলি ঘোষণা কৰাৰ দিনাই সংঘৰ সদস্য হ'ব নালাগে, ঘোষণা কৰাৰ পিছতো সদস্য হৈ থাকিব লাগিব।যুক্তি দৰ্শোৱা হৈছে যে, গতিকে, যিকোনো সদস্যই বা সংস্থাৰ সদস্য হ’ব বিচৰাসকলৰ বাবে এইটো জ্ঞাত যে সংস্থাটোক বেআইনী বুলি ঘোষণা

কৰা হৈছে। যদি তথাপিও তেওঁলোকে ইয়াৰ সদস্য হোৱাৰ ইচ্ছা প্ৰকাশ কৰে, তেন্তে ই এক স্পষ্ট আৰু ইচ্ছাকৃত অভিপ্ৰায় প্ৰদৰ্শন কৰে আৰু ইউ.এ.পি.এ. আইনৰ ধাৰা ১০ অনুসৰি, এনে বেআইনী সংস্থাৰ সদস্য হোৱাটো শাস্তিযোগ্য।

এই যুক্তিও দৰ্শোৱা হৈছে যে ইউ.এ.পি.এ. আইন, ১৯৬৭ৰ ৩৮ নং ধাৰা অনুসৰি যদি কোনো ব্যক্তিয়ে সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যকলাপ আগুৱাই নিয়াৰ উদ্দেশ্যেৰে কোনো সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত হৈ থাকে বা ইয়াৰ সৈতে জড়িত বুলি দাবী কৰে, তেন্তে তেওঁলোকে সন্ত্ৰাসবাদী সংগঠনৰ সদস্যপদ সম্পৰ্কীয় অপৰাধ কৰে। যুক্তি দৰ্শোৱা হৈছে যে এটা সন্ত্ৰাসবাদী সংগঠনৰ বাবে কেৱল সদস্য হোৱাটোৱেই যথেষ্ট নহয়; ইয়াৰ কাৰ্যকলাপক আগুৱাই নিয়াৰ উদ্দেশ্যেৰেও কাম কৰিব লাগে, কিন্তু ১০ নং ধাৰাৰ অধীনত বেআইনী সংগঠনৰ ক্ষেত্ৰত এনে নহয়।

যুক্তি দৰ্শোৱা হৈছে যে ১০ নং ধাৰাৰ অধীনত থকা বিধানসমূহ–যিবোৰে কেৱল বেআইনী সংগঠনৰ সদস্যপদক শাস্তি প্ৰদান কৰে আৰু ৩৮ নং ধাৰাৰ অধীনত থকা বিধানসমূহৰ, যিবোৰে সন্ত্ৰাসবাদী সংগঠনৰ সৈতে থকা নিষ্ক্ৰিয় সদস্যপদৰ শাস্তি প্ৰদান নকৰে, –মাজত স্পষ্ট প্ৰভেদ আছে। এইটো উল্লেখ কৰা হৈছে যে ইয়াৰ কাৰণটো হ'ল ইতিমধ্যে ৩ নং ধাৰাত উল্লেখ কৰা কঠোৰতা ১০ নং ধাৰাত সন্নিবিষ্ট কৰা হৈ গৈছে, আনহাতে ৩ নং ধাৰাত উল্লেখ কৰা কঠোৰতাখিনি ৩৮ নং ধাৰাত সন্নিবিষ্ট কৰা হোৱা নাই। ৩৮ নং ধাৰাটো এক আৰোপিত আইনৰ প্ৰক্ৰিয়া, য'ত এটা সংস্থাৰ নাম অনুসূচীত অন্তৰ্ভুক্ত কৰাটো যুক্ত

হৈ আছে।যুক্তি দৰ্শোৱা হৈছে যে আপুনি সন্ত্ৰাসবাদী সংগঠন এটাৰ সদস্য হ'লেও, যদিহে আপুনি সদস্য হোৱাৰ সময়ত সন্ত্ৰাসবাদী সংগঠনটো সন্ত্ৰাসবাদী সংগঠন ঘোষিত হোৱা নাছিল আৰু আপুনি ইয়াৰ কাম-কাজত অংশগ্ৰহণ কৰা নাছিল, তেনে ক্ষেত্ৰত ধাৰা ৩৮-এ আপোনাক সুযোগ প্ৰদান কৰে ।

কোৱা হৈছে যে সংযুক্ত মুক্তি বাহিনী অসম (ULFA)-ক সময়ে সময়ে বেআইনী সংগঠন হিচাপে ঘোষণা কৰা হৈছে।

বিজ্ঞ ছলিচিটৰ জেনেৰেল শ্ৰী তুষাৰ মেহতা আৰু অসম ৰাজ্যক প্ৰতিনিধিত্ব কৰা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী বিনয় নাভাৰে ৰাণীফ, অৰূপ ভূঞা, ইন্দ্ৰ দাসৰ গোচৰত পূৰ্বৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আদালতক অনুৰোধ জনাইছে। পূৰ্বৰ এই সিদ্ধান্তসমূহে ৰায় দিছিল যে নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যপদ থকাটোৱে কোনো ব্যক্তিক দোষী সাব্যস্ত নকৰে, যদিহে তেওঁ হিংসাত লিপ্ত নহয়, হিংসাৰ বাবে উচটনি নিদিয়ে বা হিংসাৰ জৰিয়তে জনশান্তি বিঘ্নিত কৰাৰ কাম নকৰে। অধিবক্তাসকলে যুক্তি আগবঢ়ায় যে এনে পূৰ্বৰ সিদ্ধান্তসমূহক ভাল আইন বুলি গণ্য কৰা উচিত নহয় কাৰণ তেওঁলোকৰ মতে ইউ.এ.পি.এ. আইন, ১৯৬৭ৰ ধাৰা ১০(এ)(i)ত এটা নিৰ্দিষ্ট ব্যৱস্থা আছে, যিটোৰ সাংবিধানিকতাৰ বাবে প্ৰত্যাহ্বান জনোৱা হোৱা নাই। তেওঁলোকে এইটোও দৃঢ়তাৰে কয় যে, এই বিধান যিয়েই নহওক কিয়, আদালতে ইউ.এ.পি.এ. আইন, ১৯৬৭ প্ৰণয়নৰ আঁৰৰ সামগ্ৰিক লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি গোচৰটোৰ পুনৰ মূল্যায়ন কৰিব লাগে।

৭) আবেদনকাৰী- পিপলছ ইউনিয়ন ফৰ ডেম’ক্ৰেটিক ৰাইটছ্ৰ হৈ হাজিৰ হোৱা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী সঞ্জয় পাৰিখে ইন্দ্ৰ দাস (উপৰোক্ত)- গোচৰত এই আদালতৰ পৰৱৰ্তী সিদ্ধান্তৰ ওপৰত বহু পৰিমাণে আস্থা প্ৰকাশ কৰিছে । যুক্তি দৰ্শোৱা হৈছে যে উক্ত সিদ্ধান্তত ৰাণীফ (উপৰোক্ত) আৰু অৰূপ ভূঞা (উপৰোক্ত)ৰ গোচৰত এই আদালতৰ সিদ্ধান্তসমূহ মানি চলাৰ পিছত এই আদালতে টাডা আইন, ১৯৮৭ৰ ধাৰা ৩(৫) আৰু ইউএপিএ আইন, ১৯৬৭-ৰ ধাৰা ১০(এ)(i) -ৰ, যিকেইটা ধাৰা সংবিধানৰ ১৪, ১৯ আৰু ২১ অনুচ্ছেদৰ সৈতে সামঞ্জস্যপূৰ্ণ, সঠিক ব্যাখ্যা কৰিছে । যুক্তি দৰ্শোৱা হৈছে যে ইন্দ্ৰ দাসৰ গোচৰত (উপৰোক্ত) এই আদালতে নিম্নোক্ত ধৰণে পৰ্যবেক্ষণ কৰিছে আৰু ৰায় দিছে:

(ক) বিধিগত বিধানসমূহ পৃথককৈ ব্যাখ্যা কৰিব নোৱাৰি, এই বিধানসমূহক আমাৰ সংবিধানে নিশ্চিত কৰা মৌলিক অধিকাৰবোৰৰ সৈতে সংগতি ৰাখিহে ব্যাখ্যা কৰিব লাগিব।

(খ) সংবিধানখনেই দেশৰ সৰ্বোচ্চ আইন আৰু কোনো বিধিয়েই ইয়াক উলংঘা কৰিব নোৱাৰে। যদি এনে কোনো বিধি আছে, যি বিধিয়ে ইয়াক উলংঘা কৰা যেন বোধ হয়, আমি হয় ইয়াক অসাংবিধানিক বুলি ঘোষণা কৰিব পাৰো, নহয় আমি ইয়াক সাংবিধানিক কৰি তুলিবলৈ সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিব পাৰো।

(গ) যদি মৌলিক অধিকাৰ থকা কোনো সংবিধান নাথাকিলহেঁতেন, তেন্তে অৱশ্যেই টাডাৰ ধাৰা ৩(৫) বা বেআইনী কাৰ্য্যকলাপ

(প্ৰতিৰোধ) আইনৰ ধাৰা ১০-ক এটা সাধাৰণ আৰু আক্ষৰিক অৰ্থ দিব পৰা গ'লহেতেন। কিন্তু যিহেতু আমাৰ দেশত গণতন্ত্ৰ আৰু মৌলিক অধিকাৰৰ ব্যৱস্থা কৰা সংবিধান আছে, গতিকে আমি এই বিধিগত বিধানসমূহক এনে অৰ্থ দিব নোৱাৰো, যিয়ে এই বিধানসমূহক অসাংবিধানিক কৰি তুলিব।

৭.১ দৰ্শোৱা হৈছে যে **ইন্দ্ৰ দাসৰ গোচৰত (উপৰোক্ত)** এই আদালতে সংবিধানৰ সৈতে সংগতি ৰাখিবলৈ টাডা আৰু ইউএপিএৰ প্ৰাসংগিক বিধানসমূহ ব্যাখ্যা কৰিছে।

৭.২ আৰু দৰ্শোৱা হৈছে যে সংবিধানৰ সৈতে সামঞ্জস্যপূৰ্ণ কৰি তুলিবলৈ এই আদালতে কেইবাবাৰো বিধানসমূহ ব্যাখ্যা কৰিছে আৰু আনকি বিধানসমূহ অসাংবিধানিকতাৰ পৰা ৰক্ষা কৰিবলৈ সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা  কৰিছে।দৰ্শোৱা হৈছে যে **পিপলছ ইউনিয়ন ফৰ চিভিল লিবাৰ্টিজ বনাম ইউনিয়ন অৱ ইণ্ডিয়া, (২০০৪) ৯ এছচিচি ৫৮০ (দফা ৪৮ আৰু ৪৯)**ৰ গোচৰত এই আদালতে বিধিখনক অসাংবিধানিকতাৰ পৰা ৰক্ষা কৰিবলৈ "অপৰাধ প্ৰৱনতা" ব্যাখ্যা কৰিছে।

৭.৩ দৰ্শোৱা হৈছে যে **গুজৰাট ৰাজ্য বনাম শ্যামলাল মোহনলাল চোক্সি, ১৯৬৫ (২)এছচিআৰ ৪৫৭** গোচৰত এই আদালতে ফৌ.কা.আ.ৰধাৰা ৯৪ ব্যাখ্যা কৰিছিল অভিযুক্ত ব্যক্তিসকলক ইয়াৰ পৰিসৰৰ পৰা আতৰত ৰাখিবলৈ।দৰ্শোৱা হৈছে যে **শ্যামলাল মোহনলাল চোক্সি (উপৰোক্ত)** উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ বিৰূদ্ধে এটিবিশেষ অনুমতি আবেদন আছিল আৰু ভাৰতযুক্তৰাজ্য সেই গোচৰত পক্ষ নাছিল।

৭.৪ শ্ৰী সঞ্জয় পাৰিখ, বিজ্ঞ জ্যেষ্ঠ অধিবক্তাই **(১৯৮৩) ১এছছিছি ১৪৭ (দফা ২৫)ত প্ৰকাশিতসঞ্জীৱ কক মেনুফেকচাৰিং কোম্পানী বনাম মেছাৰ্চ্চ ভাৰত কুকিং কোল লিমিটেড**গোচৰতএই আদালতৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি ভাৰত যুক্তৰাজ্যৰ হৈ দৰ্শাইছে যে ভাৰত যুক্তৰাজ্যৰ শুনানি নোলোৱাকৈ এই আদালতে ইউএপিএ আইন, ১৯৬৭ৰ ধাৰা ১০(ক)(i) অথবাটিএডিএআইন, ১৯৮৭ৰ ধাৰা ৩(৫)কসীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিব নালাগিছিলআৰু/বা কৰিব পৰা নাছিল।দৰ্শোৱা হৈছে যে উক্ত সিদ্ধান্তত এই আদালতে মত পোষন কৰে যে “কোনোৱে সংসদৰ হৈ মাত মাতিব নোৱাৰে আৰু সংসদ কেতিয়াও আদালতৰ ওপৰত নহয়।” ইয়াৰ উপৰিও মত পোষণ কৰে “সংসদে যি ক’ব বিচাৰিছে সেয়া কোৱাৰ পিছত সংসদে যি ক’ব বিচাৰিছিল সেয়া কেৱল আদালতেহে ক’ব পাৰে, আন কোনোৱেই নোৱাৰে।” ইয়াৰ উপৰিও মত পোষন কৰা হয় “এবাৰ কোনো বিধি সংসদ ভৱনৰ পৰা ওলাই গ’লে আদালত হৈছে একমাত্ৰ সঠিক কন্ঠ যি সংসদক ব্যাখ্যা কৰিব পাৰে আৰু আদালতে বিধিৰ ভাষা আৰু অন্যান্য প্ৰয়োজনীয়দিশ সমূহৰ সংক্ৰন্তত এনে কাম কৰিব।” দৰ্শোৱা হৈছে যে ইউএপিএ আইনৰ ধাৰা ১০(ক)(i)আৰু টিএডিএ আইনৰ ধাৰা ৩(৫) সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰোতে এই আদালতে সংবিধানৰ ১৪, ১৯ আৰু ২১ নং অনুচ্ছেদৰ আলোকত বিধিগত বিধানসমূহৰ ব্যাখ্যা কৰিছে।দৰ্শোৱা হৈছে যে প্ৰাসংগিকৰায়ত সঠিকভাবে মত পোষন কৰা হৈছে যে “নিষিদ্ধ সংগঠনৰ কেৱল সদস্যপদে কোনো ব্যক্তিক অপৰাধী কৰি তুলিব নোৱাৰিব যদিহে তেওঁ হিংসাৰ আশ্ৰয় লোৱা নাই বা মানুহক হিংসাৰ

প্ৰতি উচটনি নিদিয়ে বা হিংসাৰ বাবে উচটনি দি ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি নকৰে।”

৭.৫ এতিয়া যিমানদূৰলৈকে শ্ৰী তুষাৰ মেহতা, বিজ্ঞ ছলিচিটৰ জেনেৰেলে দৰ্শাইছে যে **ৰানীফ (উপৰোক্ত) আৰু অৰূপ ভূঞা (উপৰোক্ত)**ৰ সিদ্ধান্ত লওঁতে এই আদালতে আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰা উচিত নাছিল, শ্ৰী সঞ্জয় পাৰিখ, বিজ্ঞ জেষ্ঠ অধিবক্তাই দৰ্শাইছে যে **শ্ৰেয়া সিংঘল বনাম ইউনিয়ন অৱ ইণ্ডিয়া, (২০১৫) ৫ এছচিচি ১** গোচৰত এই আদালতে ৰায় দিছে যে ভাৰতত আইনী স্থিতি বেলেগ নহয়।তেওঁ **শ্ৰেয়া সিংঘল (উপৰোক্ত)**গোচৰত ৪১ নং দফাত কৰা পৰ্যবেক্ষণৰ ওপৰত নিৰ্ভৰ কৰিছে।

৭.৬ দৰ্শোৱা হৈছে যে অনুচ্ছেদ ১৯(২)ৰ অধীনত থকা নিষেধাজ্ঞাসমূহ সম্পূৰ্ণ বুলি একমত হৈ শেহতীয়াকৈ **কৌশল কিশোৰ বনাম উত্তৰ প্ৰদেশ ৰাজ্যআৰু অন্যান্য, ২০২৩ এছচিচি অনলাইন এছচি ৬**গোচৰত **শ্ৰেয়া সিংঘাল (উপৰোক্ত)** গোচৰত এই আদালতৰ সিদ্ধান্তকসংবিধান বিচাৰপীঠৰ এজন মাননীয় ন্যায়াধীশে বিবেচনা কৰিছ আৰু তাৰ ওপৰত নিৰ্ভৰ কৰিছে।

৭.৭ আবেদনকাৰীৰ হৈ হাজিৰ হোৱা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী সঞ্জয় পাৰিখে আৰু দৰ্শাইছে যে **শ্ৰেয়া সিংঘল (উপৰোক্ত)** হৈছে ভাৰতীয় নজিৰৰ এক অখণ্ড ৰেখাৰ শিখৰ যত উল্লেখ কৰা হৈছে যে ভাষণ বা সংঘক বাধা বা শাস্তি প্ৰদান কৰিব পাৰি যদিহে,

- ভাষণ বা সংঘই 'ৰাজহুৱা শান্তি শৃংখলা', 'ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা', 'ৰাষ্ট্ৰৰ নিৰাপত্তা', বা ১৯ নং অনুচ্ছেদৰ অধীনত নিষেধাজ্ঞাৰ আন কোনো এটা ভিত্তিত বিঘ্নিত কৰাৰ 'উদ্দেশ্য' বা 'প্ৰৱণতা' আছে; আৰু
- ভাষণ বা সংঘ আৰু 'ৰাজহুৱা শান্তি শৃংখলা', 'ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা' বা 'ৰাষ্ট্ৰৰ নিৰাপত্তা'ৰ ওপৰত 'উদ্দেশ্যপূৰ্ণ' বা সম্ভাৱ্য প্ৰভাৱৰ মাজত সম্পৰ্ক ওচৰা-ওচৰীআৰু ইয়াৰ সম্পৰ্কৰ শৃংখলত সংযোগ "দূৰগামী, কাল্পনিক বা সমস্যাজনক বা অতি দূৰৈৰ নহয়।"

৭.৮ শ্ৰী পাৰিখ, বিজ্ঞ জ্যেষ্ঠ অধিবক্তাই **নিহাৰেন্দু দত্ত মজুমদাৰ বনাম দ্যা কিং এম্পেৰৰ ১৯৪২ এফ.চি.আৰ. ৩৮**গোচৰত ফেডাৰেল আদালতে কৰা মতামতৰ ওপৰত নিৰ্ভৰ কৰিছে যে "অভিযোগ কৰা কাৰ্য্য বা কথাবোৰে হয় বিশৃংখলতাৰ বাবে উচটনি দিব লাগিব নহয় এনেধৰণৰ হ'ব লাগিব যাতে যুক্তিবাদী মানুহক সন্তুষ্ট কৰিব পাৰে যে তেওঁলোকৰ উদ্দেশ্য বা প্ৰৱণতা সেইটোৱেই।" দৰ্শোৱা হৈছে যে উক্ত সিদ্ধান্তটো **কেদাৰ নাথ বনাম বিহাৰ ৰাজ্য, এআইআৰ ১৯৬২ এছচি ৯৫৫** গোচৰত এই আদালতে গ্ৰহণ কৰিছে।তেওঁ **কেদাৰ নাথৰ (উপৰোক্ত)**গোচৰৰ ৰায়ৰ ২৬ নং দফাত কৰা পৰ্যবেক্ষণৰ ওপৰত নিৰ্ভৰ কৰিছে।

৭.৯ ইয়াৰ উপৰিও দৰ্শোৱা হৈছে যে **বিহাৰ ৰাজ্য বনাম শৈলাবালা দেৱী, এ আই আৰ ১৯৫২ এছ চি ৩২৯** গোচৰত এই আদালতে দৃঢ়তাৰে কৈছে যে আইনসমূহ অনুচ্ছেদ ১৯(২)ৰ অধীনতথকাবাক স্বাধীনতাক বাধা দিয়া

শিতানসমূহ অধীনত থকাটো যথেষ্ট নহয়, কিন্তু ইয়াৰ সৈতে ঘনিষ্ঠ সংযোগো থাকিব লাগিব। পাটনা উষ্চ ন্যায়ালয়ে লক্ষ্য কৰিছিল যে যিথন প্যাম্প্লেটৰ কেন্দ্ৰীয় বিষয়বস্তু আছিল "ৰক্তাক্ত বিপ্লৱ অনা আৰু বৰ্তমানৰ ব্যৱস্থা সম্পূৰ্ণৰূপে সলনি কৰা", "শব্দ বা চিন বা দৃশ্যমান উপস্থাপন যিয়ে উচটনি দিয়েবা উৎসাহিত কৰেবাহত্যা বাহিংসাৰ সৈতে জড়িত যিকোনো চিনাক্তকৰণযোগ্য অপৰাধ সংঘটিত কৰিবলৈ উচটনি দিয়ে বা উৎসাহিত কৰাৰ প্ৰৱণতা থাকে" লক্ষৰ লগত সংঘাত কৰে।দৰ্শোৱা হৈছে এই আদালতে অৱশ্যে এই মত পোষন কৰিছে যে প্যাম্প্লেটত ব্যৱহৃত ধৰণৰ অলংকাৰিকতাক ন্যায্যভাৱে নিষিদ্ধ কৰিবলৈ হ'লে ৰাষ্ট্ৰই/চৰকাৰে প্ৰতিষ্ঠা কৰিব লাগিব যে ইয়াক উত্তেজিত গোট বা এনে অন্যান্য ব্যতিক্ৰমী পৰিস্থিতিৰ প্ৰতি উদ্দেশ্য কৰা হৈছে।

৭.১০ শ্ৰী সঞ্জয় পাৰিখ, বিজ্ঞ জ্যেষ্ঠ অধিবক্তাই**এছ ৰঙাৰাজন বনাম পি জগজীৱন ৰাম আৰু অন্যান্য (১৯৮৯) ২ এছচিচি ৫৭৪,**গোচৰৰায়ৰ ৪৫ নং অনুচ্ছেদত কৰা পৰ্যবেক্ষণৰ ওপৰত দৃঢ়তাৰে নিৰ্ভৰ কৰিছে, যাক তলত উল্লেখ কৰা হৈছেঃ

> "৪৫. .... বাক স্বাধীনতাৰ স্বাৰ্থ আৰু বিশেষ স্বাৰ্থৰ মাজত সঁচাকৈয়ে সংগতি থাকিব লাগিব। কিন্তু আমি কেৱল স্বাৰ্থ দুটাৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰো যেন ইহঁতৰ গুৰুত্ব সমান।আমাৰ বাক স্বাধীনতাৰ দায়বদ্ধতাই বিচাৰে যে স্বাধীনতাক অনুমতি দি সৃষ্টি হোৱা পৰিস্থিতিসমূহ হেঁচা প্ৰয়োগ নকৰালৈকে আৰু সম্প্ৰদায়ৰ স্বাৰ্থ বিপন্ন নোহোৱালৈকে ইয়াক দমন কৰিব নোৱাৰি। সাম্ভাৱ্য বিপদ অনুমানিক বা দূৰৈৰ হ'ব নালাগে। ইয়াৰ অভিব্যক্তিটোৰ

সৈতে ঘনিষ্ঠ আৰু প্ৰত্যক্ষ সম্পৰ্ক থাকিব লাগিব। মত প্ৰকাশ জনস্বাৰ্থৰ বাবে অন্তৰ্নিহিতভাৱে বিপদজনক হ'ব লাগিব। অৰ্থাৎ অভিব্যক্তিটো বিচৰাক্ৰিয়াটোৰ সৈতে "বাৰুদৰ নলতফিৰিঙটি"ৰ সমতুল্যৰ অবিচ্ছেদ্যভাৱে থাকিব লাগিব।

৭.১১ আৰু দৰ্শোৱা হৈছে যে **অ.কে. ঘোষ বনাম ই.এক্স. জোচেফ, এআইআৰ ১৯৬৩ ৮১২**, গোছৰত এই আদালতে ১৯ নং অনুচ্ছেদৰ দফা (৪)ত 'ৰাজহুৱা ব্যৱস্থা' শব্দটোৰ পৰিসৰ বিবেচনা কৰিছিল, যিয়ে সংগঠনৰ স্বাধীনতাৰ অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰাৰ অনুমতি দিয়ে। দৰ্শোৱা হৈছে যে এই আদালতে মত পোষণকৰিছিল যে "'ৰাজহুৱা শৃংখলা' শব্দটো আনকি দফা (২)তো দেখা যায়, যিয়ে অন্যান্য বিষয়ৰ লগতে ৰাষ্ট্ৰ আৰু ৰাজহুৱা শৃংখলাৰ নিৰাপত্তাক বুজায়। (২) আৰু (৪) দুয়োটা দফাতে উক্ত শব্দবোৰৰ অৰ্থ একে হ'ব লাগিব।"ইয়াৰ উপৰিও মত পোষণ কৰা হৈছিল যে "…….এটা নিষেধাজ্ঞাক ৰাজহুৱা ব্যৱস্থাৰ স্বাৰ্থত বুলি ক'ব পাৰি যদিহে নিষেধাজ্ঞা আৰু ৰাজহুৱা ব্যৱস্থাৰ মাজৰ সংযোগ ঘনিষ্ঠ আৰু প্ৰত্যক্ষ হয়। নিষেধাজ্ঞা আৰু ৰাজহুৱা শৃংখলাৰ মাজত পৰোক্ষ বা দূৰৈৰ বা অবাস্তৱ সংযোগ "ৰাজহুৱা শৃংখলাৰ স্বাৰ্থত" এই অভিব্যক্তিৰ পৰিসৰৰ ভিতৰত নপৰিব।

৭.১২ ইয়াৰ উপৰিও দৰ্শোৱা হৈছে যে **বলৱন্ত সিং বনাম পঞ্জাৱ ৰাজ্য, (১৯৯৫) ৩ এছচিচি ২১৪** গোচৰত এই আদালতে থিৰাংকৰে যে কেৱল য'ত লিখিত বা কথিত শব্দই ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি কৰাৰ প্ৰৱণতা

বা উদ্দেশ্য থাকে বা আইন-শৃংখলাৰ বিঘিনি বা জনসাধাৰণৰ শান্তি প্ৰভাৱিত কৰে, এনে কাৰ্যকলাপ ৰোধ কৰিবলৈ আইনে হস্তক্ষেপ কৰাটো প্ৰয়োজন।দৰ্শোৱা হৈছে যে ইয়াৰ উপৰিওমত পোষণ কৰা হৈছে যে বিশৃংখলতা সৃষ্টি কৰা বা মানুহক হিংসাৰ বাবে উচটনি দিয়াৰ উদ্দেশ্যটোৱেই হৈছে ভাঃদঃবিঃ ৰ ধাৰা ১৫৩-এ অপৰিহাৰ্য উপাদান আৰু ইয়াত সফল হবলৈ হলে অভিযোগকাৰী পক্ষই অপৰাধ কৰাৰ মানসিকতাৰ অস্তিত্ব প্ৰমান কৰিব লাগিব।

৭.১৩ ইয়াৰ উপৰিও দৰ্শোৱা হৈছে যে **কৰ্তাৰ সিং বনাম পঞ্জাৱ ৰাজ্য, (১৯৯৪) ৩ এছচিচি ৫৬৯** গোচৰত এই আদালতে তলত দিয়া ধৰণে মত পোষণ কৰিছিলঃ

i) অপৰাধ কৰাৰ মানসিকতা অপৰাধৰ এক অপৰিহাৰ্য উপাদান;

ii) অস্পষ্ট বিধানে নিৰীহ ব্যক্তিক অভিযুক্ত কৰিব পাৰে; আৰু

iii) অপৰাধ কৰাৰ মানসিকতা টিএডিএৰ ধাৰা ২(i)(এ) ত পঢ়িব লাগিব।

দৰ্শোৱা হৈছে যে **কৰ্তাৰ সিং (উপৰোক্ত)**ৰ যুক্তি ইউএপিএ আইন,১৯৬৭ৰ ধাৰা ১০(ক)(i)ৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।

ইয়াতদৰ্শোৱা হৈছে যে প্ৰকৃততে সংবিধান সভাৰ বিতৰ্কতো ড° বি.আৰ. আম্বেদকাৰে সেই কথা তলত দিয়া ধৰণে স্পষ্ট কৰি দিছেঃ

"...আমেৰিকাত মৌলিক অধিকাৰ চৰম বুলি কোৱাটো ভুল। আমেৰিকাৰ সংবিধান আৰু খচৰা সংবিধানৰ অধীনত থকা

স্থিতিৰ মাজৰ পাৰ্থক্য হৈছে আকাৰৰ,বিষয়বস্তুৰ নহয়। আমেৰিকাত মৌলিক অধিকাৰ যে চৰম অধিকাৰ নহয় সেয়া বিতৰ্কৰ বাহিৰত। খচৰা সংবিধানত উল্লেখ কৰা মৌলিক অধিকাৰৰ প্ৰতিটো ব্যতিক্ৰমৰ সমৰ্থনত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ অন্ততঃ এটা ৰায়ৰ উল্লেখ কৰিব পাৰি।

খচৰা সংবিধানে যি কৰিছে সেয়া হ'ল যে মৌলিক অধিকাৰসমূহ চৰম ধৰণে প্ৰণয়ন কৰাৰ পৰিৱৰ্তে আৰু আমাৰ উচ্চতম ন্যায়ালয়ে আৰক্ষী ক্ষমতাৰ মতবাদ উদ্ভাৱন কৰি সংসদক উদ্ধাৰ কৰিবলৈ অহাৰ ওপৰত নিৰ্ভৰ কৰাৰ পৰিৱৰ্তে, ই ৰাষ্ট্ৰক মৌলিক অধিকাৰসমূহৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰিবলৈ পোনপটীয়াকৈ অনুমতি দিয়ে। সঁচাকৈয়ে ফলাফলৰ কোনো পাৰ্থক্য নাই। এজনে প্ৰত্যক্ষভাৱে যি কৰে আনজনে পৰোক্ষভাৱে সেয়াই কৰে। দুয়োটা ক্ষেত্ৰতে মৌলিক অধিকাৰ চৰম নহয়।"

৭.১৪ দৰ্শোৱা হৈছেযে ভাৰতযুক্তৰাজ্যৰ হৈ ছলিচিটৰ জেনেৰেলে আগবঢ়োৱা যুক্তিসমূহৰ বেছিভাগেই আমেৰিকাৰ গোচৰৰ অপ্ৰযোজ্যতাৰ ওপৰত আৰু ইয়াত আমেৰিকাৰ গোচৰত বিকশিত হোৱা নীতিৰ প্ৰযোজ্যতা আৰু ভাৰতৰ উচ্চতম আদালতে ইয়াক গ্ৰহণ কৰাৰ বিষয়টোক নিষ্পাদন নকৰে।

৮) ইয়াৰ উপৰিও দৰ্শোৱা হৈছে যে অন্যথা ইউএপিএ আইনৰ ধাৰা ১০(ক)(i) আৰু টিএডিএ আইনৰ ধাৰা ৩(৫)ৰ বিধানসমূহ অস্পষ্ট আৰু অতি বহল আৰু ইয়াৰ প্ৰভাৱ নেতিবাচক আৰু সেয়েহে এই

আদালতে পূৰ্বতে উল্লেখ কৰা তিনিটা সিদ্ধান্তত ভাৰতৰ সংবিধানৰ ১৪, ১৯ আৰু ২১ নং অনুচ্ছেদৰ সৈতে মিল ৰাখিবলৈ উক্ত বিধানসমূহ অবৈধ বুলি মত পোষণ কৰিছিল।

৮.১ বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী সঞ্জয় পাৰিখে আৰু দৰ্শাইছে যে **তাৱাহা ফছল বনাম ভাৰত যুক্তৰাজ্য, ২০২১ এছচিচি অনলাইন এছচি ১০০০** গোচৰত এই আদালতে শেহতীয়াকৈ দিয়া সিদ্ধান্তত এই আদালতে ৰায়দান কৰিছে যে "কেৱল সন্ত্ৰাসবাদী সংগঠন সৈতে সংযোগে ধাৰা ৩৮ প্ৰয়োগ কৰিবলৈ যথেষ্ট নহয় আৰু এটা সন্ত্ৰাসবাদী সংগঠনক দিয়া সমৰ্থনে ধাৰা ৩৯ প্ৰয়োগ কৰিবলৈ যথেষ্ট নহয়।" আৰু দৰ্শোৱা হৈছে যে ইয়াৰ উপৰিও ৰায়দান কৰিছিল যে "সংগঠন আৰু সমৰ্থন এটা সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যকলাপক আগুৱাই নিয়াৰ উদ্দেশ্যেৰে হ'ব লাগিব।"

৮.২ ইয়াৰ উপৰিও দৰ্শোৱা হৈছে যে অনুচ্ছেদ ১৯(২)ৰ অধীনত বাধা থাকিব পাৰে যদিও সেই ক্ষেত্ৰতো নিষেধাজ্ঞাসমূহ যুক্তিসংগত হ'ব লাগে আৰু যুক্তিসংগততা বা সমানুপাতিকতাৰ পৰীক্ষাত উত্তিৰ্ণ হব লাগিব।

ওপৰৰ যুক্তিসমূহ দৰ্শাই আৰু পূৰ্বতে উল্লেখ কৰা সিদ্ধান্তসমূহৰ ওপৰত নিৰ্ভৰ কৰি, সেই অনুসৰি প্ৰসংগ সমূহৰ উত্তৰ দিবলৈ আৰু **ৰানীফ(উপৰোক্ত),অৰূপ ভূঞা (উপৰোক্ত)** আৰু **ইন্দ্ৰ দাস (উপৰোক্ত)**গোচৰত এই আদালতে লোৱা মতামতক বিঘ্নিত নকৰিবলৈ প্ৰাৰ্থনা কৰা হৈছে।

৯) আবেদনকাৰী/হস্তক্ষেপকাৰীৰ হৈ হাজিৰ হোৱা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী তুষাৰ মেহতাইদৰ্শোৱা যুক্তি সমূহৰ প্ৰতি সঁহাৰি জনাই বিজ্ঞ ছলিচিটৰ

জেনেৰেল শ্ৰী সঞ্জয় পাৰিখেদৰ্শাইছে যে যুক্তিযুক্ততা আৰু সমানুপাতিকতাৰ ওপৰত যিমানদূৰলৈকে বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী সঞ্জয় পাৰিখে যুক্তি দৰ্শাইছে,সংগঠনক নিষিদ্ধ সংস্থা হিচাপে ঘোষণা কৰাৰ পূৰ্বে বিশদ বিৰোধী ন্যায়িক প্ৰক্ৰিয়া ইউএপিএ, ১৯৬৭ৰ ধাৰা ৩ আৰু ৪ৰ অধীনত গ্ৰহণ কৰাটো প্ৰয়োজনীয়।দৰ্শোৱা হৈছে যে বিৰোধী ন্যায়িক প্ৰক্ৰিয়া বিধানসমূহ ন্যায়সংগত, ন্যায্য আৰু যুক্তিসংগত হোৱাটো নিশ্চিত কৰে।

৯.১ অপৰাধ কৰাৰ ইচ্ছাৰ উপাদানৰ ওপৰত বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী পাৰিখেযিমানদূৰলৈকে যুক্তি দৰ্শাইছে আৰু ফৌজদাৰী আইনত অপৰাধ কৰাৰ ইচ্ছাক অপৰাধৰ এক অপৰিহাৰ্য উপাদান হিচাপে ধৰা ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰিছে, এতিয়াবিজ্ঞ ছলিচিটৰ জেনেৰেলে শ্ৰী মেহতাইদৰ্শাইছে যে অপৰাধ কৰাৰ প্ৰশ্নটো প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে আৰু বিচাৰৰ সময়ত বিবেচনা কৰিব লাগিব। দৰ্শোৱা হৈছে যে **ৰানীফ(উপৰোক্ত)**,**অৰূপ ভূঞা (উপৰোক্ত)** আৰু **ইন্দ্ৰ দাস (উপৰোক্ত)** গোচৰৰ ৰায়দানসমূহ আৰুআমেৰিকাৰ যিবোৰ ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰা হৈছে সেইবোৰ *অপৰাধ কৰাৰ ইচ্ছা* ধাৰণাটোৰ সমাধান নিদিয়ে।

৯.২ এতিয়া যিমানদূৰলৈকে **কেদাৰ নাথ সিং (উপৰোক্ত)**,**বলৱন্ত সিং (উপৰোক্ত)** আৰু **বিদাল (উপৰোক্ত)**ৰ গোচৰত ভাঃদঃবিঃ সম্পৰ্কীয় সিদ্ধান্ত আৰু বিশেষভাৱে এই আদালতৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰা হৈছে, দাখিল কৰা হৈছে ভাঃদঃবিঃঅধীনত অপৰাধসমূহ স্বতন্ত্ৰ অপৰাধ আৰু ইউএপিএ আৰু টিএডিএৰ অধীনত নিষিদ্ধ সংস্থাৰ সদস্যপদৰ অপৰাধতকৈ বহু বহল পৰিসৰৰ অপৰাধত প্ৰযোজ্য।দৰ্শোৱা হৈছে যে

ইউএপিএৰ অধীনত কোনো সংস্থাক নিষিদ্ধ কৰাটো বিশদ বিৰোধী ন্যায়িক প্ৰক্ৰিয়াৰ পিছত হয় যাক বহল প্ৰচাৰ কৰা হয়, যাৰ ফলত এনে নিষিদ্ধ সংস্থাৰ সহজাতভাৱে আইনী প্ৰকৃতিৰ সন্দৰ্ভত যুক্তিযুক্ততা, সীমিত প্ৰয়োগ আৰু তথ্যৰ উপলব্ধতা নিশ্চিত কৰা হয়। দৰ্শোৱা হৈছে যে ভাঃদঃবিঃৰ অপৰাধতসেয়া নাথাকেআৰু তেনে যিকোনো অপৰাধৰ তদন্ত কৰা যিকোনো আৰক্ষী বিষয়াই প্ৰয়োগ কৰিব পাৰে আৰু তাত কোনো নিষিদ্ধ সংস্থাৰ উপস্থিতি বা এনে সংগঠন নিষিদ্ধ কৰাৰ পূৰ্বৰ পদ্ধতি নাথাকে।দৰ্শোৱা হৈছে যে সেয়েহে ইউএপিএ আৰু ভাঃদঃবিঃৰ অপৰাধৰ মাজত যথেষ্ঠ পাৰ্থক্য আছে। দৰ্শোৱা এই সংক্ৰন্তত সংসদে নিজৰ বুদ্ধিমত্তাৰে আৰু ভাৰতৰ সাৰ্বভৌমত্বৰ প্ৰতি লক্ষ্য ৰাখি ইউএপিএ প্ৰণয়ন কৰাটো উপযুক্ত বুলি বিবেচনা কৰিছে আৰু ধাৰা ১০(ক)(i)ৰ অধীনত বিধান আনিছে যে এটা নিষিদ্ধ সংগঠন কেৱল সদস্য হোৱাটোৱেই এটা অপৰাধ।

৯.৩ এতিয়া যিমানদূৰলৈকে ধাৰা ১০(ক)(i)ৰ অস্পষ্টতা আৰু অপব্যৱহাৰৰ সম্ভাৱনাৰ ওপৰত বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী পাৰিখযুক্তি দাঙি ধৰিছে, দৰ্শোৱা হৈছে যে এই আদালতে কেবাটাও সিদ্ধান্তত মত পোষণ কৰিছে অস্পষ্টতা আৰু অপব্যৱহাৰৰ সম্ভাৱনাই অসাংবিধানিকতাৰ সীমিত প্ৰয়োগিক ব্যাখ্যাৰভিত্তি হ’ব নোৱাৰে। দৰ্শোৱা হৈছে যে কোনো বিধানৰ সাংবিধানিকতা বিবেচনা কৰাৰ সময়ত আইনৰ অপব্যৱহাৰৰ সম্ভাৱনা প্ৰাসংগিক বিবেচনা নহ’ব।

**কেদাৰ নাথ সিং বনাম বিহাৰ ৰাজ্য, এআইআৰ১৯৬২ এছচি৯৫৫,কেসভানন্দ ভাৰতী বনাম কেৰালা ৰাজ্য, (১৯৭৩) ৪**

**এছচিচি ২২৫; টি.এন. শিক্ষা বিভাগৰ মন্ত্ৰালয়িক আৰু সাধাৰণ অধীনস্থ সেৱা সংস্থা বনাম তামিলনাডু ৰাজ্য, (১৯৮০)৩ এছচিচি ৯৭** আৰু **মাফতলাল ইণ্ডাষ্ট্ৰিয়েল লিমিটেড বনাম ইউনিয়ন অৱ ইণ্ডিয়া, (১৯৯৭) ৫ এছচিচি ৫৩৬**, গোচৰত এই আদালতৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।উক্ত সিদ্ধান্তসমূহত এইটো থিৰাং কৰা হৈছে যে কেৱল ক্ষমতাৰ অপব্যৱহাৰ কেতিয়াবা হ'ব পাৰে বুলিয়েই ই ক্ষমতাৰ অস্তিত্ব অস্বীকাৰ কৰাৰ কোনো ভিত্তি নহয়।

৯.৪ এতিয়া যিমানদূৰলৈকে **তাৰাহা ফছল বনাম ভাৰত যুক্তৰাজ্য, (২০২১) এছচিচি অনলাইন এছচি ১০০০**ৰ সিদ্ধান্তৰ ওপৰত বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী পৰীখ নিৰ্ভৰ কৰিছে,বিজ্ঞ চলিচিটৰ জেনেৰেল শ্ৰী মেহতাইতীব্ৰভাৱে দৰ্শাইছেইউএপিএ, ১৯৬৭আইনৰ ধাৰা ১০(ক)(i)ৰ অধীনত অপৰাধ বিবেচনা কৰাৰ সময়ত উক্ত সিদ্ধান্তটো প্ৰযোজ্য নহ'ব। দৰ্শোৱা হৈছে যে সেই ৰায়দানত এই আদালতে ইউএপিএ, ১৯৬৭ ধাৰা ৩৮ৰ অধীনত অপৰাধসমূহবিবেচনা কৰিছিল আৰু সদস্যপদ সম্পৰ্কীয় বিধানসমূহবিবেচনা কৰা নাছিল। নিষিদ্ধ সংস্থাৰ সদস্যপদক অপৰাধমূলককৰণ সম্পৰ্কীয় বিধানসমূহৰ তুলনাত ইউএপিএ, ১৯৬৭ৰ ধাৰা৩৮ আৰু ৩৯ৰপৰিসৰ সম্পূৰ্ণ বেলেগ।দৰ্শোৱা হৈছে যে সেয়েহে বিভিন্ন বিধান/অপৰাধ বিবেচনা কৰাৰ সময়ত কৰা যিকোনো পৰ্যবেক্ষণ ইউএপিএ, ১৯৬৭ৰ ধাৰা ১০(ক)(i) বিবেচনা কৰাৰ সময়ত কঠোৰভাৱে প্ৰযোজ্য নহ'বও পাৰে।

ওপৰৰ যুক্তিসমূহদৰ্শাই ঘোষণা কৰিবলৈ প্ৰাৰ্থনা কৰিছে যে এই আদালতে **ৰানীফ (উপৰোক্ত), অৰূপ ভূঞা (উপৰোক্ত)** আৰু **ইন্দ্ৰ দাস**

**(উপৰোক্ত)** গোচ্ছৰত কৰা পৰ্যবেক্ষণসমূহ কেৱল নিষিদ্ধসংগঠনৰ সদস্যপদ বুলিয়ে সংগঠনে কোনো ব্যক্তিক দোষী সাব্যস্ত নকৰে যদিহে তেওঁ হিংসাৰ আশ্ৰয় নলয় বা মানুহক হিংসাৰ বাবে উচটনি নিদিয়ে বা হিংসাৰ বাবে উচটনি দি ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি নকৰেবুলি কৰা মতামত ভাল আইন নহয়।

১০) ভাৰতযুক্তৰাজ্যৰ হৈ হাজিৰ হোৱা বিজ্ঞ ছলিচিটৰ জেনেৰেল শ্ৰী তুষাৰ মেহতা, অসম ৰাজ্যৰ হৈ হাজিৰ হোৱা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী বিনয় নভাৰে আৰু আপীলকাৰী/হস্তক্ষেপকাৰীৰ হৈ হাজিৰ হোৱা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী সঞ্জয় পাৰিখক শুনা হ'ল।

১০.১ আৰম্ভণিতে মন কৰিবলগীয়া যে **অৰূপ ভূঞা বনাম অসম ৰাজ্য, (২০১৫) ১২ এছচিচি ৭০২** গোচৰত এই আদালতে প্ৰদান কৰা ৰায় অনুসৰি প্ৰসংগ বৃহত্তৰ বিচাৰপীঠৰ সন্মুখত লোৱা হৈছে। বৃহত্তৰ বিচাৰপীঠৰ এই প্ৰসংগ ভাৰত যুক্তৰাজ্য আৰু অসম ৰাজ্যৰ হৈ এই আদালতে **ৰানীফ (উপৰোক্ত) আৰু অৰূপ ভূঞা (উপৰোক্ত)** গোচৰত লোৱা সিদ্ধান্তযে নিষিদ্ধ সংস্থাৰ সদস্যপদে কোনো ব্যক্তিক অপৰাধী/দোষী কৰি তুলিব নোৱাৰে যদিহে তেওঁ হিংসাৰ আশ্ৰয় নলয় বা মানুহক হিংসাৰ বাবে উচটনি নিদিয়ে বা হিংসাৰ বাবে উচটনি দি ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি নকৰেআৰু সেইবাবেধাৰা ১০(ক)(i)ক সীমিত প্ৰায়োগিক পৰিসৰত ব্যাখ্যা কৰি লোৱা সিদ্ধান্তৰ শুদ্ধতাৰ ওপৰত সন্দেহ কৰি কৰা অনুৰোধৰ ওপৰত ভিত্তি কৰি এই প্ৰসংগ লোৱা হৈছে।

১০.২ গতিকে বৰ্তমানৰ প্ৰসংগতএই আদালতে **ৰানীফ (উপৰোক্ত), অৰূপ ভূঞা (উপৰোক্ত)** আৰু **ইন্দ্ৰ দাস সিং (উপৰোক্ত)**গোচৰত এই আদালতৰ সিদ্ধান্তসমূহৰ শুদ্ধতা ওপৰৰ দৰে বিবেচনা কৰিব লাগিব।

১০.৩ ইউএপিএ, ১৯৬৭ৰ ধাৰা ১০ত তলত দিয়া বিধান আছে:

"বেআইনী কাৰ্য্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৬৭ৰ ধাৰা ১০

১[১০. অবৈধ সংঘৰ সদস্য হোৱাৰ শাস্তি ইত্যাদি —য'ত কোনো সংস্থাক ধাৰা ৩ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰা অবৈধ ঘোষণা কৰা হয় যিটো সেই ধাৰাটোৰ উপ-ধাৰা (৩)ৰ অধীনত কাৰ্যকৰী হৈছে,—

(ক) এজন ব্যক্তি, যি—

(i) এনে সংঘৰ সদস্য হয় বা সদস্য হৈ আছে; অথবা

(ii) এনে সংঘৰ সভাত অংশগ্ৰহণ কৰে; অথবা

(iii) এনে সংঘৰ উদ্দেশ্যে কোনো অৱদান আগবঢ়ায়, বা গ্ৰহণ কৰে বা বিচাৰে; অথবা

(iv) যিকোনো ধৰণে এনে সংঘৰ কাৰ্য্যকলাপত সহায় কৰে, দুবছৰলৈকে কাৰাদণ্ডবিহা হ'ব, আৰু জৰিমনাৰেওদণ্ডিত কৰা হ'ব; আৰু

(খ) এজন ব্যক্তি, যি এনে সংঘৰ সদস্য হয় বা সদস্য হৈ আছে, বা স্বেচ্ছাই এনে সংঘৰ উদ্দেশ্যমূহক কোনো ধৰণে সহায় কৰা বা প্ৰচাৰ কৰা কাম কৰে আৰু যিকোনো ক্ষেত্ৰতে তেওঁৰ হাতত কোনো অনুজ্ঞাপত্ৰবিহীন আগ্নেয়াস্ত্ৰ, গোলাবাৰুদ, বিস্ফোৰক বা অন্যান্য গণ ধ্বংস কৰিব পৰা যন্ত্ৰ বা পদাৰ্থ থাকে আৰু এনে কোনা কাৰ্য্য সংঘটিত কৰে যাৰ ফলত

মানুহে জীৱন হেৰুৱায় বা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় বা কোনো সম্পত্তিৰ যথেষ্ট ক্ষতিসাধন হয়,—

(i) আৰু যদি এনে কাৰ্য্যৰ ফলত কোনো ব্যক্তিৰ মৃত্যু হয়, তেন্তে মৃত্যুদণ্ড বা আজীৱন কাৰাদণ্ডৰ দণ্ডিত কৰা হ'ব, আৰু জৰিমনাৰেও দণ্ডিত কৰাহ'ব;

(ii) আন যিকোনো ক্ষেত্ৰত, পাঁচ বছৰৰ কম নহয় কিন্তু আজীৱনলৈকে কাৰাদণ্ড হ'ব পাৰে, আৰু জৰিমনাও হ'ব।]"

১০.৪ **ৰানীফ(উপৰোক্ত)** গোচৰত এই আদালতৰ সিদ্ধান্তপঢ়ি দেখা যায় আৰু বিতৰ্ক কৰিব নোৱাৰি যে উক্ত গোছৰটোত এই আদালতে জামিন আবেদন বিবেচনা কৰিছিল। ধাৰা ১০ৰ সাংবিধানিক বৈধতাক অধিক বিশেষকৈ ইউএপিএ, ১৯৬৭ৰ ধাৰা ১০(ক)(i)ক এই আদালতৰ সন্মুখত প্ৰত্যাহ্বান জনোৱা হোৱা নাছিল। এইটোও মন কৰিবলগীয়া যে ভাৰত যুক্তৰাজ্যও কোনো পক্ষ নাছিল আৰু/বা **ৰানীফ(উপৰোক্ত)** গোচৰত সিদ্ধান্ত লোৱাৰ সময়ত ভাৰত যুক্তৰাজ্যৰ শুনানিও লোৱা হোৱা নাছিল।তথাপিও এই আদালতে জামিন আবেদনত সিদ্ধান্ত লোৱাৰ সময়ত কিছুমান পৰ্যবেক্ষণ কৰিছে যে কেৱল নিষিদ্ধ সংস্থাৰ সদস্যপদে কোনো ব্যক্তিক অপৰাধী কৰি তুলিব নোৱাৰে আৰু/বা নিষিদ্ধ সংস্থাৰ কেৱল সদস্যপদেঅপৰাধ হ'ব নোৱাৰে। **ৰানীফ(উপৰোক্ত)**ৰক্ষেত্ৰত এই আদালতে আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিছে আৰু অনুসৰণ কৰিছে যিবোৰে আমেৰিকাৰ আইন আৰু/বা আমেৰিকাত প্ৰচলিত আইনসমূহৰ প্ৰাসংগিক বিধানসমূহৰ সৈতে জড়িত

আছিল। যদি **ৰানীফ (উপৰোক্ত)**গোচৰৰ সমগ্ৰ ৰায়টো দেখা যায়, তেন্তে **স্কেলছ বনাম আমেৰিকা[৬এলআডী২ডী ৭৮২];এলফব্ৰেণ্ড বনাম ৰাছেল [১৬এলআডী২ডী৩২১]** আৰু **যুটীয়া ফেচিষ্ট বিৰোধী শৰণাৰ্থী সমিতি বনাম মেকগ্ৰাথ, [৯৫এলঅডী৮১৭]**, গোচৰত আমেৰিকাৰ উষ্চতম ন্যায়ালয়ৰ সিদ্ধান্ত অনুসৰণ কৰাৰ বাহিৰেইউএপিএৰ ধাৰা ১০(ক)(i)ৰ সাংবিধানিক বৈধতাৰ ওপৰত আৰু কোনো আলোচনা নাই য'ত (উক্ত ধাৰাত) বিশেষভাৱে উল্লেখ আছে যে যদি কোনো ব্যক্তি নিষিদ্ধ সংস্থাৰ সদস্য আছিল আৰু হৈ আছে, তেন্তে তেওঁক অপৰাধ কৰা বুলি ক'ব পাৰি আৰু তেওঁক শাস্তি বিহিব পাৰি। গতিকে, সেইবাবেই এই আদালতে **ৰানীফ (উপৰোক্ত)**ৰ গোচৰত কৰা পৰ্যবেক্ষণসমূহ কেৱল জামিন বিষয়ত সীমাবদ্ধ বুলি গণ্য কৰা হ'ব। এই পৰ্যায়ত মন কৰিবলগীয়া যে সেইবাবেই ৰানীফৰ গোচৰৰ ৰায়ৰদফা ৮ত এই আদালতে বিশেষভাৱে লক্ষ্য কৰিছে "আমি এতিয়া কেৱল জামিন বিষয়টোহে বিবেচনা কৰি আছো আৰু প্ৰতিবাদীজন দোষী নে নহয় সেই সংক্ৰান্তত সিদ্ধান্ত নলম"।

১০.৫ যিমানদূৰ এই আদালতে **অৰূপ ভূঞা বনাম অসম ৰাজ্য, (২০১১) ৩ এছচিচি ৩৭৭** গোছৰত এই মতামত গ্ৰহণ কৰিছে যে নিষিদ্ধ সংগঠনৰ কেৱল সদস্যপদে কোনো ব্যক্তিক দোষী সাব্যস্ত নকৰে যদিহে তেওঁ হিংসাৰ আশ্ৰয় নলয় বা মানুহক হিংসাৰ আশ্ৰয় লবলৈ উচটনি নিদিয়ে আৰু জনশান্তিৰ বিশৃংখলতা বা বিঘিনি সৃষ্টি কৰাৰ উদ্দেশ্যেৰে হিংসাৰ আশ্ৰয় লৈ কাৰ্য্য নকৰে ..........., মন কৰিবলগীয়া যে উক্ত সিদ্ধান্তত এই আদালতে মাত্ৰ **ৰানীফৰ (উপৰোক্ত)** গোচৰৰ সিদ্ধান্ত অনুসৰণ

কৰিছে। উক্ত সিদ্ধান্তত এই আদালতে আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ আন কিছুমান ৰায়ও বিবেচনা কৰিছে (দফা ১০ আৰু ১১)।

১০.৬ **অৰূপ ভূঞা (উপৰোক্ত)** গোচৰত এই আদালতে দিয়া ৰায় আৰু আদেশৰ পৰা দেখা যায় যে ইয়াৰ পিছত দফা ১০ আৰু ১১ত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ প্ৰসংগ উল্লেখ কৰাৰ পিছত এই আদালতে টিএডিএৰ ধাৰা৩(৫)সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিছেআৰু মত পোষণ কৰিছে যে নিষিদ্ধ সংগঠনৰ কেৱল সদস্যপদেই কোনো ব্যক্তিক দোষী সাব্যস্ত নকৰে যদিহে তেওঁ হিংসাৰ আশ্ৰয় নলয় বা মানুহক হিংসাৰ বাবে উচটনি নিদিয়ে আৰু হিংসাৰ আশ্ৰয় লৈ জনশান্তিৰ বিশৃংখলতা বা বিঘিনি সৃষ্টি কৰাৰ উদ্দেশ্যেৰে কোনো কাম নকৰে।

১০.৭ মন কৰিবলগীয়া যে **অৰূপ ভূঞা (উপৰোক্ত)**ৰ সিদ্ধান্ত লোৱাৰ সময়তো টিএডিএৰ ধাৰা ৩(৫)ৰসাংবিধানিক বৈধতাও বিবেচনা কৰা নাছিল আৰুভাৰত যুক্তৰাজ্যৰ শুনানিও লোৱা নাছিল। আনকি পূৰ্বতে উল্লেখ কৰা দুয়োটা সিদ্ধান্ততে এই আদালতে ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৯(১)(গ) আৰু ১৯(৪) বিবেচনা কৰা নাছিল।

১০.৮ **ইন্দ্ৰ দাসৰ (উপৰোক্ত)** গোচৰত এই আদালতে মাত্ৰ পূৰ্বৰ**ৰানীফ (উপৰোক্ত)** আৰু **অৰূপ ভূঞা (উপৰোক্ত)** গোচৰৰ সিদ্ধান্ত অনুসৰণ কৰিছে।

১১ পূৰ্বতে উল্লেখ কৰা বাস্তৱিক দিশসমূহৰ আলমত এতিয়া **ৰানীফ (উপৰোক্ত), অৰূপ ভূঞা (উপৰোক্ত)** আৰু **ইন্দ্ৰ দাসৰ (উপৰোক্ত)** গোচৰত এই আদালতৰ সিদ্ধান্তৰ শুদ্ধতা বিবেচনা কৰা যাওক।

১১.১ এতিয়া যিমানদূৰলৈকে **অৰূপ ভূঞা (উপৰোক্ত)**ৰ গোচৰত এই আদালতে ইউএপিএ, ১৯৬৭ৰ ধাৰা ১০(ক)(i)ক সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিছে, আৰম্ভণিতে মন কৰিবলগীয়া যে ভাৰত যুক্তৰাজ্যৰ শুনানি নোলোৱাকৈ আৰু/বা ভাৰত যুক্তৰাজ্যক কোনো সুযোগ নিদিয়াকৈ কোনো আইনৰ বিধানক তেনেকৈ সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিব নালাগিছিল।

১১.২ যেতিয়া ভাৰত যুক্তৰাজ্যৰ অনুপস্থিতিত সংসদীয় আইনৰ যিকোনো বিধান অবৈধ বুলি সিদ্ধান্ত দিয়া হয়, তেতিয়াই ৰাষ্ট্ৰৰ স্বাৰ্থৰ বিপুল ক্ষতি হোৱাৰ সম্ভাৱনা থাকে। যদিভাৰত যুক্তৰাজ্যক ইউএপিএ১৯৬৭ৰ ধাৰা ১০(ক)(i)ৰ বিধানৰ ওপৰত নিজৰ যুক্তি দাঙি ধৰিবলৈ সুযোগ দিয়া হ'লহেঁতেন, তেন্তে ভাৰত যুক্তৰাজ্যই ধাৰা ১০(ক)(i)ৰ সপক্ষে যুক্তি দাঙি ধৰিলহেঁতেনআৰু ইউএপিএৰ উদ্দেশ্যকে ধৰিএনে বিধান প্ৰণয়নৰ উদ্দেশ্য দাঙি ধৰিলহেঁতেন। **সঞ্জীৱ ক'ক(উপৰোক্ত)**ৰ গোচৰত এই আদালতৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি যত কোৱা হৈছে যে কোনো বিধানক অসাংবিধানিক বুলি গণ্য হোৱাৰ পৰা ৰক্ষা কৰিবলৈ কোনো বিধানক ব্যাখ্যা কৰা বা অবৈধ বুলি ঘোষণা কৰা উপযুক্ত সময় নহয়, বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী পাৰিখে দাঙি ধৰিছে যে সঁচাকৈয়ে আইন আৰু/বা বিশেষ বিধিৰ ব্যাখ্যা কৰাটো আদালতৰ বাবেসঠিক সময় নহয়। অৱশ্যে প্ৰশ্নটো আদালতৰ ক্ষমতাৰ ওপৰত নহয়। প্ৰশ্নটোহৈছে যে ভাৰত যুক্তৰাজ্যক নুশুনাকৈ তেনে কাম কৰিব পাৰি নেকি?

১১.৩ আনকি অন্যথাও ইউএপিএৰ ধাৰা ১০(ক)(i)ৰ সাংবিধানিক বৈধতাৰ প্ৰতি কোনো প্ৰত্যাহ্বানৰ অভাৱত এই আদালতে উক্ত বিধানটো সীমিত

প্ৰায়োগিক ৰূপত ব্যাখ্যাকৰাৰ কোনো প্ৰশ্নই উত্থাপন হোৱা নাছিল। গতিকে ইউএপিএৰ ধাৰা ১০(ক)(i)ৰ সাংবিধানিক বৈধতাৰ প্ৰতি কোনো প্ৰত্যাহ্বানৰ অভাৱত এই আদালতে উক্ত বিধানটো সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যাকৰাৰ কোনো পৰিস্থিতি নাছিল।

১১.৪ আনকি অন্যথাও এই আদালতে **সুব্ৰমণিয়াম স্বামী আৰু অন্যান্য বনাম সদস্য, কিশোৰ ন্যায় ব'ৰ্ডৰ জৰিয়তে ৰাজু আৰু আন এজন(২০১৪) ৮ এছচিচি ৩৯০**ৰ গোচৰতএই আদালতে পৰ্যবেক্ষণ কৰিছে আৰু মত পোষণ কৰিছে যেআইনৰ কোনো বিধানক সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিব নালাগে যদি বিধানৰ অৰ্থসৰল আৰু স্পষ্ট আৰু বিধানসভাৰ উদ্দেশ্য স্পষ্ট। এই আদালতে ইয়াৰ পিছত সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰাৰ মৌলিক নীতিটো তলত দিয়া ধৰণে নিৰ্ধাৰণ কৰিছে:

"আদালতে প্ৰথম অৱস্থাত আইনখন আক্ষৰিক অৰ্থত পঢ়িব লাগিব। যদি এনে পঢ়া আৰু বুজি পোৱাৰপিছত যদি অসাংবিধানিকতাপৰিলক্ষিত হয়, তেন্তে আদালতে অন্বেষণ কৰিব লাগিব যে অনাকাংক্ষিত বিধায়ীনি পৰিহাৰ হৈছে নেকি। যদিহে এনে উদ্দেশ্য যুক্তিসংগতভাৱে পোৱা যায়,যিটোনিশ্চয় বিধায়ীনি কাৰ্য হয়, সেই আইনখনক অসাংবিধানিকতাৰ পৰা ৰক্ষা কৰিবলৈ সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰিব লাগিব। পুনৰাবৃত্তিকৰা হয় যে কোনো বিশেষ বিধিক অসাংবিধানিকতাৰ পৰা বচাবলৈও সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যা কৰা উচিত নহয় যেতিয়ালৈকে এনে বিধানৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান

জনোৱা নহয় আৰু ভাৰত যুক্তৰাজ্যক কোনো সংসদীয় বিধিক ৰক্ষা কৰাৰ সুযোগ দিয়া নহয়”।

১১.৫ পূৰ্বতে উল্লেখ কৰা তিনিটা সিদ্ধান্তৰ বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি এই আদালতে ইউ.এ.পি.এ., ১৯৬৭ৰ ধাৰা ১০(ক)(i) সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যাকৰিব নালাগিছিল,যিহেতু ইউ.এ.পি.এ., ১৯৬৭ৰ ১০(ক)(i) নংধাৰাৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বানৰ জনোৱা হোৱা নাছিলআৰু ভাৰত চৰকাৰৰ শুনানিও লোৱা হোৱা নাছিল।

১২. ওপৰত পৰ্যবেক্ষণ কৰা অনুসৰি আৰু **অৰূপ ভূঞা (সুপ্ৰা/উপৰোক্ত) আৰু ৰানীফ (সুপ্ৰা/উপৰোক্ত)** মোকৰ্দমাত এই আদালতৰ সিদ্ধান্তৰ পৰাও অৰ্থ কৰিব পাৰি যে, উল্লেখ কৰা গোচৰসমূহৰ সিদ্ধান্ত লোৱাৰ সময়ত এই আদালতে আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ বাক স্বাধীনতাবিষয়কসিদ্ধান্তসমূহ অনুসৰণ কৰিছে আৰু, কোনো অপৰাধ আৰু/বা প্ৰকাশ্যে কাৰ্যতঃনোহোৱাকৈ কেৱল সদস্যপদৰ ওপৰতভিত্তিকৰিলগতে কেৱল সদস্যপদৰ ওপৰতে অপৰাধ সংঘটিত কৰা বা নকৰা বুলি বিবেচিতহ'ব। গতিকে, এই আদালতৰ সন্মুখত বিবেচনাৰ বাবে উত্থাপিত পৰৱৰ্তী প্ৰশ্নটো হ’ল– এই আদালতে আমেৰিকাযুক্তৰাষ্ট্ৰৰ আইনৰ ব্যাখ্যা আৰু/বা বিবেচনাৰ ওপৰত ভিত্তিকৰাআমেৰিকাযুক্তৰাষ্ট্ৰৰউচ্চতম ন্যায়ালয়ৰ ৰায়ৰ অনুসৰণ কৰাটো ন্যায্য/সঠিক আছিল নেকি।

১২.১ ভাৰতীয় আইনসমূহৰ বিপৰীতে “বাক স্বাধীনতা আৰু/বা ৰাজহুৱা শৃংখলা”ৰ ওপৰত আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহ কিমান দূৰ প্ৰযোজ্য কৰিব পৰাযাব, এই আদালতৰ সিদ্ধান্ত

কিছুমানতআমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহৰ প্ৰযোজ্যতাৰবিপৰীতে ভাৰতত প্ৰযোজ্য আইনসমূহৰ উল্লেখ আৰু বিবেচনা কৰাটো প্ৰয়োজনীয়।

১২.২ **বাবুলাল পাৰাটে বনাম মহাৰাষ্ট্ৰ চৰকাৰ(১৯৬১) ৩ এছচিআৰ ৪২৩**ৰ ক্ষেত্ৰত ২৩ৰ পৰা ২৭ নং দফাত তলত দিয়া ধৰণে উপস্থাপনকৰা হৈছে:

"২৩. আগতীয়াকৈ অপৰাধপ্ৰৱণতা নিৰ্ণয় কৰা পৰীক্ষাটো অযুক্তিকৰ হ'ববুলি কোৱা যুক্তিটো আপাতদৃষ্টিত শ্বেনেক গোচৰত (শ্বেনেকবনামইউ.এস.২৪৯, ইউ.এস. ৪৭)উল্লেখ কৰা মতবাদৰ ওপৰত প্ৰতিষ্ঠিত, কোৱা হৈছে যে, মৌলিক অধিকাৰৰ প্ৰয়োগত পূৰ্বৰ বাধাসমূহ অনুমোদিত হ'ব, যদিহে এটা স্পষ্ট লগতেবৰ্তমানেবিদ্যমানবিপদথাকে। আমাৰ বোধেৰে অৱশ্যে, আমাৰ সংবিধানৰ অধীনত আমেৰিকাৰ মতবাদ ল'বনোৱাৰি কাৰণ সংবিধানৰ ১৯(১) অনুচ্ছেদৰ অধীনত নিশ্চিত কৰা মৌলিক অধিকাৰসমূহ অ্যাবসলিউট (চৰম) অধিকাৰ নহয়, কিন্তুমাদ্ৰাজ চৰকাৰবনাম ভি.জি. ৰো [(১৯৫২) ১ এছচিচি ৪১০ : ১৯৫২ এছচিআৰ ৫৯৭]-ত উল্লেখকৰাধৰণে১৯ নং অনুচ্ছেদৰ পৰৱৰ্তী দফাসমূহত উল্লিখিত নিষেধাজ্ঞাৰ অধীনত থাকে।আমেৰিকাযুক্তৰাষ্ট্ৰৰসংবিধানতআমাৰসংবিধানৰ ১৯ নং অনুচ্ছেদৰ২ৰপৰা৬নংদফাৰসৈতেসঙ্গতিথকাএকোনাই। আমেৰিকাযুক্তৰাষ্ট্ৰৰ সংবিধানৰ চতুৰ্দশ সংশোধনীত অন্যান্য বিষয়ৰ লগতে উল্লেখ আছে যে "কোনো ৰাষ্ট্ৰই এনে কোনো আইন প্ৰণয়ন বা বলৱৎ কৰিব নোৱাৰিব যিয়ে আমেৰিকাযুক্তৰাষ্ট্ৰৰ নাগৰিকৰ বিশেষাধিকাৰ বা ৰক্ষাকৱচ সংক্ষিপ্ত কৰিব; আৰু আইনৰ দিওপ্ৰসেসঅফল (যথাযথ

প্ৰক্ৰিয়া) অবিহনেকোনো ৰাষ্ট্ৰেই কোনো ব্যক্তিক জীৱন, স্বাধীনতা বা সম্পত্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰিব; ....”।

২৪. আমাৰ সংবিধানৰ কাঠামো আমেৰিকাযুক্তৰাষ্ট্ৰৰ সংবিধানতকৈ পৃথক। তাৰোপৰি আকৌ আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ে ৰায় দিছে যে, সংবিধানে প্ৰদান কৰা বিশেষাধিকাৰ আৰু ৰক্ষাকৱচসমূহ ডক্ট্ৰিনঅফপুলিশপাৱাৰৰ (আৰক্ষীৰ ক্ষমতাৰ মতবাদ) আশ্ৰয় লৈ সামাজিক নিয়ন্ত্ৰণৰ অধীনস্থ। এই পটভূমিৰ আলমতে শ্বেনেক মোকৰ্দমাত (শ্বেনেকবনামইউএস২৪৯, ইউএস৪৭)নিৰ্ধাৰণ কৰা পৰীক্ষাপদ্ধতিটো বুজিব লাগিব।

২৫. ১৪৪ নং ধাৰাৰ ভাষা কিছু পৃথক। ধাৰাটোত উল্লেখ কৰা পৰীক্ষাপদ্ধতিটো কেৱল “লাইকেলিহুড” (সম্ভাৱনা) বা “টেণ্ডেন্সি” (প্ৰৱণতা) নহয়। ধাৰাত কোৱা হৈছে যে, দণ্ডাধীশে সন্তুষ্ট হ’ব লাগিব যে, জনসাধাৰণৰ সুৰক্ষা আদিৰ বিপদ প্ৰতিহত কৰিবলৈ নিৰ্দিষ্টকাৰ্য্যৰ তাৎক্ষণিক প্ৰতিৰোধ কৰাটো প্ৰয়োজনীয়।এইধাৰাৰ অধীনতপ্ৰদান কৰা ক্ষমতা কেৱল বৰ্তমানৰ বিপদাপন্ন ঠাইতেই নহয়, বিপদৰ আশংকা থাকিলেও ব্যৱহাৰ কৰিব পৰা যায়।

২৬. ইয়াৰ বাহিৰেও মন কৰিবলগীয়া যে, শ্বেনেক মোকৰ্দমাত [শ্বেনেক বনাম ইউ.এছ., ২৪৯, ইউ.এছ. ৪৭] উচ্চতম ন্যায়ালয়ে বাক স্বাধীনতাৰ অধিকাৰত বিশেষমনযোগ দি এনেদৰেউপস্থাপনকৰিছে:

> “বাক স্বাধীনতাক সংক্ষিপ্ত কৰা আইনৰনিষেধাজ্ঞাপূৰ্বৰ সংযমসমূহৰ মাজতে সীমাবদ্ধ নহ’লেও, এইবোৰ প্ৰতিৰোধ কৰাটোৱেই হয়তো মূল

উদ্দেশ্য আছিল.... আমি স্বীকাৰ কৰোঁ যে, বহু ক্ষেত্ৰত আৰু সাধাৰণতে বিবাদীসকলে, চাৰ্কুলাৰৰআওতাৰভিতৰতথকাকথা কোৱাৰ সময়ত, সাংবিধানিক অধিকাৰৰ ভিতৰত থাকিলহেঁতেন। কিন্তু, প্ৰতিটো কাৰ্য্যৰ চৰিত্ৰ নিৰ্ভৰ কৰে সেইটো সংঘটিতকৰা পৰিস্থিতিৰ ওপৰত.... ফ্ৰীস্পীচৰ (মুক্ত বাক্য) আটাইতকৈ অবিচল সুৰক্ষাইথিয়েটাৰত মিছাকৈ জুই বুলিচিঞৰাআৰু আতংক সৃষ্টিকৰাত সুৰক্ষা নিদিব। আনকি ই মানুহক এনে শব্দ উচ্চাৰণৰ পৰাও ৰক্ষা নকৰে যাৰ দ্বাৰাবলপ্ৰয়োগৰপ্ৰভাৱ বিস্তাৰকৰিব.... প্ৰতিটো ক্ষেত্ৰত প্ৰশ্ন হই– ব্যৱহৃত শব্দবোৰ এনে পৰিস্থিতিত ব্যৱহাৰ কৰা হয় নেকি আৰু এনেকুৱা প্ৰকৃতিৰ হয় নেকি যে, সেইবোৰে ক্লিয়াৰএণ্ডপ্ৰেছেন্টদেনযাৰ (কোনোব্যক্তিকআনব্যক্তিৰস্পষ্ট আৰু বৰ্তমান বিপদ সৃষ্টিকৰিবপৰাকোনোকথাকোৱাতবাধাপ্ৰদানকৰাবিধি) সৃষ্টিকৰিব, যিবোৰপ্ৰতিহত কৰাৰ অধিকাৰকংগ্ৰেছৰ থাকিব। এইপ্ৰশ্নৰভিত্তিহ'বনৈকট্ট (প্ৰক্সিমিতি) আৰু মাত্ৰা (ডিগ্ৰী)।

২৭. আমেৰিকাযুক্তৰাষ্ট্ৰত যিয়েই নহওক কিয়, আমাৰ বাবে স্পষ্ট যেন লাগে যে, ধাৰা ১৪৪ৰ অধীনত অনুমোদিত সাম্ভাব্য ব্যৱস্থা ১৯ নং অনুচ্ছেদৰ দফা (২) আৰু (৩)ৰ অধীনত অনুমোদিত নহয়। দফা (২) (১৯৫১ চনত সংশোধিত) আৰু দফা (৩)ত প্ৰদান কৰা অধিকাৰসমূহ অন্যান্য বিষয়ৰ লগতে ৰাজহুৱা শৃংখলাৰ স্বাৰ্থতব্যৱহাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰি আইন প্ৰণয়নৰ ক্ষমতা বিধানমণ্ডলক দিয়া হৈছে। ৰাজহুৱা শৃংখলা সুনিশ্চিত কৰিবলৈ আগতীয়াকৈ যত্নৱানহ'বলাগিবআৰু জৰুৰীকালীন অৱস্থাত

ৰাজহুৱা শৃংখলা বজাই ৰখাৰবাবে বিশেষ ধৰণৰ কাৰ্য্যৰ ওপৰত কোনো উপযুক্ত কৰ্তৃপক্ষক আগতীয়াকৈ ব্যৱস্থা ল'বলৈ বা ৰাজহুৱা শৃংখলা বজাই ৰখাৰআগতীয়া নিষেধাজ্ঞা আৰোপ কৰিবলৈ অনুমতি দিয়া আইন প্ৰণয়ন বিধানমণ্ডলৰ বাবে বাঞ্ছনীয়। সেয়েহে, আমি বিৰোধক নাকচ কৰিব লাগিব।"

১২.৩ **মধু লিমায়ে বনাম মহকুমাধিপতি, (১৯৭০) ৩ এছচিচি ৭৪৬**ৰ মোকৰ্দমাত **বাবুলাল পাৰাটে (সুপ্ৰা/উপৰোক্ত)** ৰায়ৰ পুনৰ বিবেচনা আৰু সমৰ্থনকৰাৰসময়ত এই আদালতে সাতজন মাননীয় ন্যায়াধীশৰ উপস্থিতিত বিবেচনা কৰিছিল, ন্যায়াধীশশ্ৰীহিদয়তুল্লাহৰপৰ্যবেক্ষণ নিম্নোক্ত ধৰণে১৬আৰু ১৭নং দফাতউল্লেখকৰে:

"**১৬.** আমি ইয়াত লক্ষ্য কৰিব পাৰো যে ৰাজহুৱা ব্যৱস্থা আৰু ৰাজহুৱাশান্তিৰ উপৰাউপৰিহোৱাটো আংশিক। শব্দকেইটাসম্পূৰ্ণভাবেসামাৰ্থকনহয়। পিছৰটোৰ অৰ্থবিশদ প্ৰকাশ, লগতে বহুতো কথা সামৰিলয় যিবোৰক ৰাজহুৱা বিশৃংখলতা বুলি ক'ব নোৱাৰি। "ৰাজহুৱা শৃংখলা" আৰু "ৰাজহুৱা শান্তি" শব্দ দুটা কিছু পৰিমাণে উপৰাউপৰি, যদিও এনে কিছুমান বিষয়আছে, যিবোৰে ৰাজহুৱা শৃংখলাৰ বিঘিনি নোহোৱাকৈ ৰাজহুৱা শান্তি বিঘ্নিত কৰে। মাজনিশা নিজৰ ঘৰত উচ্চস্বৰত সংগীত বজোৱা ব্যক্তিয়ে জনসাধাৰণৰ শান্তি বিঘ্নিত কৰিব পাৰে, কিন্তু তেওঁ ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি কৰা নাই। যদিও"ৰাজহুৱা শৃংখলা"ৰ বাবেও নিঃসন্দেহে সমাজত শান্তঅৱস্থাৰ বিঘিনিৰ অনুপস্থিতিৰ প্ৰয়োজন, কিন্তু ইয়াৰ পৰিষৰবহল। অৰ্থ এইয়েযে, ফ্ৰাঞ্চসকলে যিটোক "অৰ্ডাৰ পাব্লিক" বুলি অভিহিত কৰে, য'ত বিদ্ৰোহ, অস্থিৰতা বা

হিংসামূলক অপৰাধৰ অনুপস্থিতি বুলি সংজ্ঞায়িত কৰা হয়। “ৰাজহুৱা শৃংখলা” অভিব্যক্তিটোৱে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ বাবে বিপদজনক সকলো কাৰ্য্যৰ অনুপস্থিতি আৰু, লগতে যিবোৰ কাম ওপৰত ব্যাখ্যা কৰা “অৰ্ডাৰ পাব্লিক” অভিব্যক্তিৰঅন্তৰ্ভুক্ত হয় সকলো সামৰিল’বকিন্তু, কেৱল আনৰ শান্তি বিঘ্নিত কৰা কাৰ্য্যক অন্তৰ্ভুক্ত নকৰে।

**১৭.** ইংৰাজ আৰু আমেৰিকাৰ নজিৰ (প্ৰিচিডেন্ট) আৰু আইন প্ৰণয়ন সমমানৰ সহায়কাৰী নহয়। ১৯৩৬ চনত বিভিন্ন ৰাজনৈতিক সংগঠনে সংগবদ্ধহৈপদযাত্ৰা কৰি বিপ্লৱ সৃষ্টি কৰাৰ বাবেই জনশৃংখলা আইন, ১৯৩৬ গৃহীত হৈছিল। আমেৰিকাত প্ৰথম সংশোধনীৰ স্বাধীনতাসমূহৰ ভাৰতৰ দৰে কোনো অৰ্হতা নাই আৰু ৰায়সমূহ আমাৰ সংবিধানত ভুলভাবেপ্ৰয়োগ হ’বপাৰে।”

১২.৪ ইয়াৰ পিছত **ছুপাৰিন্টেন্ট, চেন্ট্ৰালপ্ৰিছনবনাম ড° ৰাম মনোহৰ লোহিয়া, (১৯৬০) ২ SCR ৮২১** মোকৰ্দমাত এই আদালতে বিশেষকৈ অনুচ্ছেদ ১৯(২)ৰঅধীনতনিষেধাজ্ঞাৰওপৰতআমেৰিকান আইন আৰু ভাৰতীয় আইনৰ পাৰ্থক্য অৱলোকনকৰে।

১২.৫ ইয়াৰ পিছত **ৰামলীলা ময়দান কাণ্ডৰ ক্ষেত্ৰ, ইনৰে, (২০১২) ৫ SCC ১**, ৰায়ত৭ৰ পৰা ১১ নংদফাতআমেৰিকাৰ মতবাদ/আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ প্ৰযোজ্যতাৰ ওপৰত তলত দিয়া ধৰণেপৰ্যবেক্ষণ লগতে উপস্থাপনকৰা হয়:

“**৭.** আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ ওপৰৰ দৃষ্টিভংগীৰ বিপৰীতে ভাৰতীয় সংবিধানত ১৯(১)(ক) অনুচ্ছেদৰ অধীনত বাক আৰু মত

প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰৰ উল্লেখ কৰা হৈছে। ইয়াৰ উপৰিও ১৯(১)(খ) অনুচ্ছেদৰ অধীনত দেশৰ প্ৰতিজন নাগৰিকক শান্তিপূৰ্ণভাৱে আৰু অস্ত্ৰবিহীনভাৱে একত্ৰিত হোৱাৰ অধিকাৰ প্ৰদান কৰা হৈছে। কিন্তু এই অধিকাৰসমূহ বাধা-নিষেধৰ পৰা মুক্ত নহয় আৰু এইবোৰ চৰ্ত আৰু প্ৰয়োগৰ ক্ষেত্ৰত চৰম নহয়। ক্ৰমে ১৯(২) আৰু ১৯(৩) অনুচ্ছেদে এজন নাগৰিকৰ বাবে উপলব্ধ স্বাধীনতাসমূহ নিয়ন্ত্ৰণ কৰে। ১৯(২) অনুচ্ছেদত ৰাষ্ট্ৰক উক্ত দফাত উল্লেখ কৰা কাৰকসমূহৰ স্বাৰ্থত বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ ব্যৱহাৰৰ ক্ষেত্ৰত যুক্তিসংগত বাধা আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। একেদৰে পুনৰ তাত উল্লেখ কৰা কাৰকসমূহৰ স্বাৰ্থত, ১৯(৩) অনুচ্ছেদে ৰাষ্ট্ৰক প্ৰদান কৰা অধিকাৰৰ ব্যৱহাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰা যিকোনো আইন প্ৰণয়ন কৰিবলৈ সক্ষম কৰে।

**৮.** এই সাংবিধানিক আদেশৰ সন্মুখত শ্বেনক গোচৰত [৬৩এলইদি৪৭০: ২৪৯ইউএস৪৭ (১৯১৯)] ৰআমেৰিকান মতবাদৰ উল্লেখ আৰু প্ৰয়োগ কৰিব নোৱাৰি। আমাৰ সংবিধানৰ অধীনত এই অধিকাৰ চৰম অধিকাৰ নহয় বৰঞ্চ ওপৰত উল্লেখ কৰা নিষেধাজ্ঞাৰ অধীনস্থ। এইদৰে আমাৰ সংবিধানৰ অধীনত এই অধিকাৰৰ স্থিতি বেলেগ।

**৯.** এইচ.এম. চেৰভাৰকনষ্টিটিউশ্যনেলল'ৱঅফইণ্ডিয়াত (৪ৰ্থ এডিন.), ভল. ১, লেখকে ব্যক্ত কৰিছে যে, বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ ক্ষেত্ৰত দুয়োখন সংবিধানৰ বিধান মূলতঃ পৃথক। প্ৰতিৰোধমূলক আটকৰ বাবে ভাৰতীয় সংবিধানৰ বিধানসমূহে এই পাৰ্থক্যক আৰু অধিক প্ৰকটকৰি তুলিছে, যিবোৰৰ সমাৰ্থকআমেৰিকাৰ সংবিধানত একোনাই।

ভাৰতীয় সংবিধানৰ অধীনত ব্যক্ত কৰা যুক্তিসংগত নিষেধাজ্ঞাই (ৰিসোনাবলৰেস্ট্ৰিকশন) বিষয়টো আদালতৰ ডমেইনলৈ আনে কাৰণ যুক্তিযুক্ততাৰ প্ৰশ্নটোৰ মূলতঃ আদালতে সিদ্ধান্ত ল'বলগীয়া প্ৰশ্ন। (বাবুলাল পাৰাটে বনাম মহাৰাষ্ট্ৰ ৰাজ্য চৰকাৰ[এআইআৰ১৯৬১এচচি৮৮৪: [১৯৬১]২ক্ৰিএলজি১৬: (১৯৬১)৩এচচিআৰ৪২৩]

**১০.** সংবিধানত নিজেই সন্নিৱিষ্ট মৌলিক অধিকাৰটোক যুক্তিসংগত নিষেধাজ্ঞাৰ অধীনত ৰখাৰ বাবে বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰৰ কিছুমান নিষেধাজ্ঞা নিৰ্দিষ্ট কৰিবলৈ এনেদৰে প্ৰণয়ন কৰা আইনসমূহক অৰ্থপূৰ্ণভাৱে আৰু সাংবিধানিক উদ্দেশ্যক মনত ৰাখি ব্যাখ্যা কৰিব লাগিব। উদাহৰণস্বৰূপে, য'ত প্ৰতিখন কিতাপ বা কাগজত ছপাযন্ত্ৰ আৰু প্ৰকাশকৰ নাম আৰু ছপাকৰা স্থান আৰু প্ৰকাশনৰ নামপঢ়িবপৰা ধৰণে কৰিব লাগেবুলিখকাআইনত বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ উলংঘা কৰা হোৱা নাই।

**১১.** এইদৰে আইনৰ ভাষা, ভাৰত আৰু আমেৰিকাৰ আইনৰ অধীনত ইয়াৰ সাম্ভাৰ্য্য ব্যাখ্যা আৰু প্ৰয়োগত এক লক্ষণীয় পাৰ্থক্য আছে। মন কৰিবলগীয়া যে, বাক স্বাধীনতা হৈছে গণতান্ত্ৰিক চৰকাৰৰ প্ৰাচীৰস্বৰূপ (বুলৱাৰ্ক)। গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ সঠিক কাৰ্যকৰীতাৰ বাবে এই স্বাধীনতা অতি প্ৰয়োজনীয়। বাক আৰু মত প্ৰকাশৰ স্বাধীনতাক স্বাধীনতাৰ প্ৰথম চৰ্ত হিচাপে গণ্য কৰা হয়। ই স্বাধীনতাৰ স্তৰত পছন্দৰ স্থান দখল কৰে, আন সকলো স্বাধীনতাক সহায় আৰু সুৰক্ষা প্ৰদান কৰে। প্ৰকৃততেসত্য যে, ই আন সকলো স্বাধীনতাৰ মাতৃস্বৰূপ। সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়ত জনমত গঠনত বাক স্বাধীনতাই গুৰুত্বপূৰ্ণ ভূমিকা

পালন কৰে। ইয়াক “মৌলিক মানৱ অধিকাৰ”, “এক জন্মগত অধিকাৰ” ইত্যাদি বুলি অভিহিত কৰা হৈছে। ভাৰতত আইনৰ বিকাশৰ লগে লগে বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰে নিজৰ পৰিসৰৰ ভিতৰত তথ্য লাভৰ অধিকাৰৰ লগতে সংবাদ মাধ্যমৰ অধিকাৰো সামৰিলৈছে।”

১২.৬ **জোচেফ কুৰুভিলা ভেলুকুনেল বনাম ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া, ১৯৬২শুপ্প৩এসসিআৰ৬৩২**ৰ ক্ষেত্ৰত ৭৫ নং দফাত দেখা গৈছে যে, আমাৰ আইনসমূহৰ ব্যাখ্যাত সহায়ৰূপীআমেৰিকাৰ ধাৰণা, আইন আৰু নজিৰৰ সদায়সংকটনথকাকৈনাথাকিবআৰু সেয়েহে সেইবোৰৰ ওপৰত কিছু সাৱধানতাৰে নিৰ্ভৰ কৰিব লাগিব, অন্যথাসেই আইনসমূহৰ প্ৰকৃতিৰ আৰু সেইবোৰ প্ৰযোজ্য হোৱাপ্ৰতিষ্ঠানসমূহৰ পাৰ্থক্যৰ ফলত দ্বিধাগ্ৰস্থ কৰিব।

১২.৭ **বিহাৰ ৰাজ্যচৰকাৰ বনাম ভাৰত চৰকাৰ, (১৯৭০) ১ এছচিচি ৬৭**ৰ ৰায়ত ইয়াক ১৩ নং দফাত তলত দিয়া ধৰণে পালন লগতেউপস্থাপনকৰা হৈছে:

> “আমাৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল আমেৰিকান সংবিধান আৰু অষ্ট্ৰেলিয়াৰ সংবিধান আইনথনৰ কিছুমান বিধান লগতে১৩১নংঅনুচ্ছেদৰলগতসামঞ্জস্যথকাকেইবাটাও সিদ্ধান্তৰলগত। কিন্তু,যিহেতু সাদৃশ্য মাত্ৰ সীমিত, গতিকে আমি উল্লেখ কৰা বিধানসমূহ বা যিবোৰ সিদ্ধান্তৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল, সেইবোৰ পৰীক্ষা কৰাৰপ্ৰস্তাৱ দিয়া নাই। আমাৰ সংবিধানৰ ব্যাখ্যাৰ ক্ষেত্ৰত আমি এনে সিদ্ধান্তৰ দ্বাৰা পৰিচালিত হ’ব নালাগে,

যিবোৰে আমাৰ সংবিধানৰ সৈতে মিলথকাবিধানৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে।”

১২.৮ **অশোক কুমাৰ ঠাকুৰ বনাম ভাৰত চৰকাৰ, (২০০৮) ৬ এছচিচি ১**ৰ ৰায়ৰ ১৬৫ নং দফাত তলত দিয়া ধৰণে উপস্থাপনকৰা হৈছে:

> “১৬৫. আৰম্ভণিতে ক’ব লাগিব যে, আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহ ভাৰতীয় প্ৰেক্ষাপটত প্ৰয়োগ কৰা হোৱা নাছিল কাৰণ অনুভৱ কৰা হৈছিল যে, দুয়োখন দেশতে সংবিধান দুখনৰ অধীনত থকা বিধানৰ গাঁথনি আৰু সামাজিক পৰিস্থিতিৰ লগতে অন্যান্য কাৰকসমূহো বহু পৰিমাণে পৃথক। ভিকাজী নাৰায়ণ ঢকৰাচ আৰু অন্যান্য বনাম মধ্যপ্ৰদেশ ৰাজ্যচৰকাৰ আৰু অন্যান্য ৫৬আৰু এ. এচ.কৃষ্ণ বনাম মাদ্ৰাজ ৰাজ্য৫৭– ৰায়ৰ এই আদালতে বিশেষভাৱে মত দিছিল যে, আমেৰিকাযুক্তৰাষ্ট্ৰৰ সংবিধানৰ যথাযথ প্ৰক্ৰিয়াৰ (ডিঅপ্ৰচেছ) দফাটো ভাৰতৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। কামেশ্বৰ প্ৰসাদ আৰু অন্যান্য বনাম বিহাৰৰাজ্যচৰকাৰ আৰু অন্যান্যৰায়ৰ১৯(১)(ছ) অনুচ্ছেদৰ পৰিসৰ আৰু প্ৰযোজ্যতা বিবেচনা কৰাৰ সময়তেউপস্থাপনকৰা হৈছিল –
>
> > “আমেৰিকান আদালতৰ এই সিদ্ধান্তসমূহৰ সন্দৰ্ভত এইটো মনত ৰখা উচিত যে, যদিও আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ সংবিধানৰ প্ৰথম সংশোধনীত উল্লেখথকাৰলিখা অনুসৰি“কংগ্ৰেছে কোনো আইন প্ৰণয়ন নকৰে ....বাক স্বাধীনতাক সংক্ষিপ্ত কৰি....” এইউল্লেখেনিশ্চিত অধিকাৰৰ

ব্যৱহাৰৰ ওপৰত কোনো ধৰণৰ বাধা আৰোপ কৰাৰ কোনো অধিকাৰকংগ্ৰেছক প্ৰদান নকৰিবলৈস্পষ্টকৰে, তথাপিও সদায় বুজা হৈছে যে ফ্ৰিডমগুৰান্টিড(নিশ্চিত স্বাধীনতা) আৰক্ষী ক্ষমতাৰ অধীনত – যাৰ পৰিসৰ অৱশ্যে নিখুঁতভাৱে বা সংজ্ঞায়িত কৰা হোৱা নাই। ”।

১২.৯ একেধৰণৰ মোকৰ্দমা– **কেশৱানন্দ ভাৰতীৰ গোচৰ, (১৯৭৩) ৪ এছচিচি ২২৫**–ত এই আদালতে উল্লেখকৰিছে যে, ভাৰতৰ সংবিধান আৰু আমেৰিকাৰ সংবিধানত গাঁথনিমূলক পাৰ্থক্য আছে।

১৩) পূৰ্বতে উল্লেখ কৰা সিদ্ধান্তসমূহত নিৰ্ধাৰণ কৰা আইন এই আদালতে হাতত থকা গোচৰৰ তথ্যৰ ক্ষেত্ৰত প্ৰয়োগ কৰা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ আৰু আমাৰ দেশৰ আইনসমূহৰ ভিনভিন অৱস্থা বিবেচনা কৰি লগতেভাৰতৰ সংবিধানৰ১৯(১)(গ) আৰু ১৯(৪)–অনুচ্ছেদৰ অধীনৰ বাক স্বাধীনতাৰ অধিকাৰ যুক্তিসংগত নিষেধাজ্ঞাৰ অধীনত থাকে আৰু ই এক চৰম অধিকাৰ নহয় আৰু সংবিধানে সংসদক পাবলিকঅৰ্ডাৰ (ৰাজহুৱা শৃংখলা) আৰু/বা ভাৰতৰ সাৰ্বভৌমত্ব বিবেচনা কৰি আইন প্ৰণয়নৰ অনুমতি দিয়ে, আমেৰিকাযুক্তৰাষ্ট্ৰৰ আইন আৰু ভাৰতীয় আইনসমূহৰ পাৰ্থক্য লক্ষ্য নকৰাকৈয়ে,**অৰূপ ভূঞা (সুপ্ৰা/উপৰোক্ত) আৰু ৰানীপ (সুপ্ৰা/উপৰোক্ত)** মোকৰ্দমাত এই আদালতে আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহ দ্বিধাহীনভাৱেআৰু পোনপটীয়াকৈ অনুসৰণ কৰি ভুল কৰিছে, তাৰোপৰিভাৰতত আইনসমূহৰমতানৈক্য লগতে অৱস্থানউল্লেখ কৰাৰ পৰাবিৰতআছে।

১৩.১ পূৰ্বতে উল্লেখ কৰা দুয়োটা সিদ্ধান্তত আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ মতানৈক্য লক্ষ্য নকৰাকৈয়ে (উক্ত সিদ্ধান্তসমূহত উল্লেখ কৰা হৈছে) এই আদালতে মাত্ৰ আমেৰিকাৰ সিদ্ধান্তসমূহ অনুসৰণ কৰিছে যিবোৰৰ প্ৰতি আমাৰ সন্মতি নাই। এই আদালতে আমেৰিকাৰ আইন আৰু ভাৰতীয় আইনসমূহৰ পাৰ্থক্য বিশেষকৈ ভাৰতীয় সংবিধানৰ বিধানসমূহ বিবেচনা কৰা উচিত আছিল। পূৰ্বতে উল্লেখ কৰা কথাখিনিৰ দ্বাৰা আমি এক মুহূৰ্তৰ বাবেও কোৱা নাই যে, কোনো এটা গোচৰত আমেৰিকাযুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহ বিবেচনা কৰা নহ'বও পাৰে আৰু/বা ই কোনো পথনিৰ্দেশনা নহ'বও পাৰে। আমেৰিকাৰ সিদ্ধান্ত অনুসৰণ কৰাৰ আগতে ভাৰতীয় আদালতে বেলেগদেশত প্ৰযোজ্য আইনৰ পাৰ্থক্য বিবেচনা কৰিব লাগিব।

১৩.২ এই আদালতে **জোচেফ কুৰুভিলা ভেলুকুনেল (সুপ্ৰা/উপৰোক্ত)**ৰ ক্ষেত্ৰত পৰ্যবেক্ষণ আৰু উদ্ধৃতিদিয়াৰ দৰে, আমেৰিকাৰ ধাৰণা, আইন আৰু নজিৰসমূহৰ সহায়ক ব্যাখ্যাকৰা দিয়া হয়, যাৰ বাবে আইনসমূহ সদায় বিপদমুক্ত নহয় আৰু, সেয়েহে সেই আইন আৰু যিবোৰ প্ৰতিষ্ঠানৰ বাবে সেইআইন বোৰ প্ৰযোজ্যতাৰমাজৰ পাৰ্থক্যৰ বাবেদ্বিধাবোধেৰে নহ'লেও, কিছুমান সাবধানতাৰসৈতে নিৰ্ভৰ কৰিবলগীয়া হয়।

১৪) এতিয়া এই আদালতৰ সন্মুখত বিবেচনাৰ বাবে উত্থাপিত পৰৱৰ্তী প্ৰশ্নটো হ'ল এইয়েযে, উক্ত বিধানটোক অসাংবিধানিক বুলি ঘোষণা কৰাৰ পৰা ৰক্ষা কৰিববলৈ ধাৰা ১০(ক)(i) সীমিত প্ৰায়োগিক ৰূপত ব্যাখ্যাকৰিবলাগিবনেকি আৰু **অৰূপ ভূঞা (সুপ্ৰা/উপৰোক্ত)** আৰু **ৰানীপ (সুপ্ৰা/উপৰোক্ত)**ৰ ক্ষেত্ৰত কৰাৰলেখিয়াকৈসীমিত প্ৰায়োগিক ৰূপত

ব্যাখ্যাকৰিব লাগিবনেকি যে, নিষিদ্ধ সংগঠনৰ সদস্যপদে কোনো ব্যক্তিক দোষী সাব্যস্ত নকৰে যদিহে, তেওঁ হিংসাৰ আশ্ৰয় লোৱা বা মানুহক হিংসাৰ প্ৰতি উচটনি নিদিয়ে আৰু জনসাধাৰণৰ বিশৃংখলতা বা অশান্তিৰ সৃষ্টি কৰাৰ উদ্দেশ্যে হিংসাৰ আশ্ৰয় লৈকোনো কাম নকৰে, অৰ্থাৎ নিষিদ্ধ সংস্থাৰ সদস্যপদৰ ওপৰত মেনচৰিয়াই(অপৰাধীমন) স্থাপন আৰু প্ৰমাণিত হ'ব লাগিব আৰু/বা প্ৰকাশ্যে কাৰ্য্যত হ'ব লাগিব? এই বিষয়টো নিৰ্ণয় কৰাৰ সময়তেবিশদভাৱে উপস্থাপনদাখিল কৰিছে শ্ৰী তুষাৰ মেহতা, বিদ্বান ছলিচিটৰ জেনেৰেল-শ্ৰী বিনয় নাভাৰে, অসম ৰাজ্যৰ হৈ উপস্থিতথকা বিদ্বান জ্যেষ্ঠ অধিবক্তা আৰু শ্ৰী সঞ্জয় পাৰিখ, আপীলকাৰী/হস্তক্ষেপকাৰীৰ হৈ উপস্থিতথকা বিদ্বান জ্যেষ্ঠ অধিবক্তাই।

১৪.১ পূৰ্বতে উল্লেখ কৰা বিষয়টো বিবেচনা কৰাৰ সময়ত ভাৰতৰ সংবিধান আৰু ইউএপিএ, ১৯৬৭ৰ প্ৰাসংগিক বিধানসমূহ উল্লেখ কৰাটো প্ৰয়োজনীয়, যিবোৰৰ বিষয়ে তলত দিয়া ধৰণেউল্লেখকৰাহ'ল:

> “**১৯. বাক স্বাধীনতা আদি সম্পৰ্কীয় কিছুমান অধিকাৰৰ সুৰক্ষা।—**
>
> (১)সকলো নাগৰিকৰ অধিকাৰ থাকিব——
>
> (গ) সংগঠন বা সংঘ [বা সমবায় সমিতি] গঠন কৰিব;
>
> [(২) দফা (১)ৰ উপ-দফা (ক)ৰ কোনো কথাই কোনো বৰ্তমানৰ আইনথনৰ কাৰ্য্যকলাপত প্ৰভাৱ পেলাব নোৱাৰে, বা ৰাষ্ট্ৰক কোনো আইন প্ৰণয়নত বাধা দিব নোৱাৰে, যিহেতু এনে আইনে [ভাৰতৰ সাৰ্বভৌমত্ব এবং অখণ্ডতা,] ৰাষ্ট্ৰৰ নিৰাপত্তা, বিদেশী ৰাষ্ট্ৰৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক, ৰাজহুৱা-শৃংখলা, শালীনতা বা নৈতিকতা বা আদালত অৱমাননা,

মানহানি বা এটা অপৰাধউচটনি দিয়াৰ স্বাৰ্থতঅধিকাৰ ব্যৱহাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰে।

(৪) উক্ত দফাটোৰ উপ-দফা (গ)ৰ কোনো কথাই বৰ্তমানৰ কোনোআইনৰ কাৰ্য্যকলাপত প্ৰভাৱ পেলাব নোৱাৰিব যিমানদূৰলৈকেএইআইনব্যাপ্তহ'ব বা[ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থতবা] ৰাজহুৱা শৃংখলা বা নৈতিকতা, উক্ত উপ-দফাৰ দ্বাৰা প্ৰদান কৰা অধিকাৰৰ ব্যৱহাৰৰ ওপৰত যুক্তিসংগত বাধাৰখাতিৰতৰাষ্ট্ৰৰআইন প্ৰণয়নতবাধা দিব নোৱাৰিব।"

১৯৬৭ চনৰ ইউএপিএৰ প্ৰাসংগিক বিধানসমূহ তলত দিয়া ধৰণৰ:

২) **সংজ্ঞা।**—(১) এই আইনত, যদিহে প্ৰসংগতঅন্যথা প্ৰয়োজন হয়,—

(ক) "সংঘ" যিকোনো গোটবাব্যক্তিবিশেষৰসমষ্টি;

৯[(ইচি) "ব্যক্তি" -য়ে সামৰিল'ব—

(i) এজন ব্যক্তি,

(ii) এটা কোম্পানী,

(iii) এটা প্ৰতিষ্ঠান,

(iv) কোনো সংস্থা বা ব্যক্তিৰ সংঘ বা ব্যক্তিৰ এটা সংস্থা, অন্তৰ্ভুক্ত হওক বা নহওক,

(v) পূৰ্বৰ কোনো উপ-দফাৰ ভিতৰত অন্তৰ্ভুক্তনোহোৱা প্ৰতিজন কৃত্ৰিম ন্যায়িক ব্যক্তি, আৰু...

(vi) পূৰ্বৰ যিকোনো উপ-দফাসমূহৰ ভিতৰতঅন্তৰ্ভুক্ত যিকোনো ব্যক্তিৰ মালিকানাধীন বা নিয়ন্ত্ৰিত যিকোনো সংস্থা, কাৰ্যালয় বা শাখা;]

(k) "সন্ত্ৰাসবাদী কাৰ্য্য"ৰ অৰ্থ ধাৰা ১৫ত দিয়া অৰ্থ, আৰু "সন্ত্ৰাসবাদ" আৰু "সন্ত্ৰাসবাদী" অভিব্যক্তিসমূহ সেই অনুসৰি ব্যাখ্যা কৰা হ'ব;

(l) "সন্ত্ৰাসবাদী দল" সন্ত্ৰাসবাদী সংগঠনৰ বাহিৰে আন যিকোনো সংগঠনক বুজায়, সেয়া পদ্ধতিগত হওক বা অন্যথা হওক, যি সন্ত্ৰাসবাদী কাৰ্য্যৰ সৈতে জড়িত বা উদ্বিগ্নহয়;

(m) "সন্ত্ৰাসবাদী সংগঠন" [প্ৰথম অনুসূচী]ত তালিকাভুক্ত সংগঠন বা তালিকাভুক্ত সংগঠনৰ সৈতে একে নামেৰে কাম কৰা সংগঠন;

(p) "অবৈধ সংগ" (আনলাউফুলএচোচিয়েশন) যিকোনো সংগঠন,—

(i) যাৰ উদ্দেশ্যে কোনো অবৈধ কাৰ্য্যকলাপ, বা যিয়ে ব্যক্তিক কোনো অবৈধ কাৰ্য্যকলাপ অংশগ্ৰহনকৰিবলৈ উৎসাহিত বা সহায় কৰে, বা যাৰ সদস্যসকলে এনে কাৰ্য্যকলাপ অংশগ্ৰহনকৰে; অথবা

(ii) যাৰ উদ্দেশ্যে ভাৰতীয় দণ্ডবিধিৰ (১৮৬০ চনৰ ৪৫) ধাৰা ১৫৩-ক বা ধাৰা ১৫৩-খৰ অধীনত শাস্তিযোগ্য, বা যিয়ে ব্যক্তিক এনে কোনো কাৰ্য্যকলাপ গ্ৰহণ

কৰিবলৈ উৎসাহিত বা সহায় কৰে, বা যাৰ সদস্যসকলে এনে যিকোনো কাৰ্য্যকলাপ গ্ৰহণ কৰে:

যদিহে উপ-দফা (ii)ত থকা একোৱেই জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব;

**৩) কোনো সংগঠনক(এচোচিয়েশন) অবৈধ বুলি ঘোষণা কৰা।—**

(১) যদি কেন্দ্ৰীয় চৰকাৰৰ মতামত যে, কোনো সংগঠনঅবৈধ সংগঠনহয়বা হৈ পৰিছে, তেন্তে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে এনে সংগঠনক বেআইনী বুলি ঘোষণা কৰিব পাৰে।

(২) এনে প্ৰতিখন অধিসূচনাকি ভিত্তিতজাৰি কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় বুলি বিবেচনা কৰা অন্যান্য বিৱৰণসমূহ উল্লেখ কৰিব লাগিব:

যদিহে এই উপ-ধাৰাত কোনো কথাই কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰাটো জনস্বাৰ্থৰ বিৰুদ্ধে বুলি বিবেচনা কৰা কোনো তথ্য প্ৰকাশ কৰিবলৈ বাধ্য নহ'ব।

(৩) ধাৰা ৪ৰ অধীনত দিয়া আদেশৰ দ্বাৰা ন্যায়াধিকৰণে কৰা ঘোষণা নিশ্চিত নকৰালৈকে আৰু আদেশটো ৰাজপত্ৰত প্ৰকাশ নকৰালৈকে এনে কোনো অধিসূচনা কাৰ্যকৰী নহ'ব:

যদিহে কেন্দ্ৰীয় চৰকাৰৰ মতামত আছে যে, নিৰ্দিষ্ট পৰিস্থিতিত কোনোসংঘক বেআইনীবুলি তৎকালীনভাৱে কাৰ্যকৰী হ'ব বুলি নিৰ্দেশ দিব পাৰে,তেন্তেকেন্দ্ৰীয় চৰকাৰেলিখিতভাৱেধাৰা ৪ৰ অধীনত দিয়া যিকোনো

আদেশৰ অধিসূচনাখন ৰাজপত্ৰত প্ৰকাশ পোৱাৰ তাৰিখপৰাকাৰ্যকৰী হোৱাকৈতৎকালীনভাৱে কাৰ্যকৰী হ'ব বুলি নিৰ্দেশ দিব পাৰে।

(৪) এনে প্ৰতিটো অধিসূচনা ৰাজপত্ৰত প্ৰকাশৰ উপৰিও যিখন ৰাজ্যত প্ৰভাৱিত সংগঠনটোৰ প্ৰধান কাৰ্যালয়, যদি আছে, সেই ৰাজ্যত প্ৰচলিত অন্ততঃএখন দৈনিক বাতৰি কাকতত প্ৰকাশ কৰা হ'ব আৰু কেন্দ্ৰীয় চৰকাৰে উপযুক্ত বুলি ভবা ধৰণেও এনে সংগঠনত সেৱা আগবঢ়াব লাগিব আৰু এনে সেৱা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত তলত দিয়া সকলো বা যিকোনো পদ্ধতি অনুসৰণ কৰিব পাৰি, যেনে:

(ক) সংগঠনৰ কাৰ্যালয়ৰ কোনো এটা স্পষ্ট অংশত, যদি আছে, অধিসূচনাৰ প্ৰতিলিপি সংলগ্ন কৰি; অথবা

(খ) সম্ভৱ হ'লে সংগঠনৰ প্ৰধান বিষয়ববীয়াসকলক, যদি আছে, অধিসূচনাৰ প্ৰতিলিপি প্ৰদান কৰি; অথবা

(গ) ঢোলৰ স্পন্দনত বা লাউডস্পীকাৰৰ সহায়ত ঘোষণা কৰি, যিটো অঞ্চলত সাধাৰণতে সংগঠনৰ কাৰ্য্যকলাপ চলি থাকে, সেই অঞ্চলত অধিসূচনাৰ বিষয়বস্তুপ্ৰচাৰকৰিব; অথবা

(ঘ) নিৰ্ধাৰিত অন্য ধৰণেৰে।

**৪) ন্যায়াধিকৰণৰ উল্লেখ।**—(১) য'ত ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰা কোনো সংগঠনক অবৈধ বুলি ঘোষণা কৰা হৈছে, তেনে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে, উক্ত উপ-ধাৰাৰঅধীনত অধিসূচনা প্ৰকাশৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰতসংস্থাটোক বেআইনী

ঘোষণা কৰাৰ বাবে পৰ্যাপ্ত কাৰণ আছে নে নাই সেইটো বিচাৰ কৰাৰ উদ্দেশ্যে জাননীখন ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰিব।

(২) উপ-ধাৰা (১)ৰ অধীনত ৰেফাৰেন্স (উল্লেখ) লাভ কৰাৰ পিছত ন্যায়াধিকৰণে জাননীৰ দ্বাৰা প্ৰভাৱিত সংগঠনক কাৰণ বিচাৰিলিখিতভাৱে আহ্বান কৰিব যে, এনে জাননী প্ৰদানৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত, সংগঠনক কিয় বেআইনী বুলি ঘোষণানকৰিব লাগে।

(৩) সংগঠন বা ইয়াৰ বিষয়ববীয়া বা সদস্যসকলে দেখুওৱা কাৰণ যদি আছে, তেন্তে বিবেচনা কৰাৰ পিছত ন্যায়াধিকৰণে ধাৰা ৯ত উল্লেখ কৰা ধৰণেৰে আৰু প্ৰয়োজনীয় বুলি বিবেচনা কৰা কেন্দ্ৰীয় চৰকাৰ বা সংগঠনৰ কোনো বিষয়ববীয়া বা সদস্যৰ পৰাঅধিক তথ্যৰ বাবে আহ্বান জনোৱাৰ পিছত তদন্ত কৰিব লাগিব, সংগঠনক অবৈধ বুলি ঘোষণা কৰাৰ বাবে পৰ্যাপ্ত কাৰণ আছে নে নাই সেইটো সিদ্ধান্ত ল'ব আৰু যিমান পাৰি ক্ষিপ্ৰতাৰে আৰু যিকোনো ক্ষেত্ৰতে অধিসূচনা জাৰি কৰাৰ তাৰিখৰছমাহৰ ভিতৰত ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত, যি আদেশ উপযুক্ত বুলি বিবেচনা কৰেবা বাতিল কৰে।

(৪) উপ-ধাৰা (৩)ৰ অধীনত ন্যায়াধিকৰণৰ আদেশ ৰাজপত্ৰত প্ৰকাশ কৰা হ'ব।

**৮) অবৈধ সংঘৰ উদ্দেশ্যে স্থান অৱগত কৰাৰ ক্ষমতা।**—(১) য'ত সেই ধাৰাটোৰ উপ-ধাৰা (৩)ৰ অধীনত কাৰ্যকৰী হোৱা ধাৰা ৩ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰা কোনো সংগঠনক অবৈধ বুলি ঘোষণা কৰা হৈছে, তেনে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ অফিচিয়েল গেজেটত অধিসূচনাৰ দ্বাৰা

যিকোনো স্থানক অৱগত কৰিব পাৰে যি চৰকাৰৰ মতত অবৈধ সংগঠনৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হৈছে।

ব্যাখ্যা.—এই উপ-ধাৰাৰ উদ্দেশ্যৰ বাবে “স্থান” ৰ অৰ্থ হ’ল ঘৰ বা অট্টালিকা, বা ইয়াৰ অংশ, বা তম্বু বা জাহাজ।

(২) উপ-ধাৰা(১)ৰ অধীনত অধিসূচনা প্ৰদানৰ ক্ষেত্ৰত জিলা দণ্ডাধীশ, যাৰ স্থানীয় সীমাৰ ভিতৰত এনে অধিসূচনাৰ স্থান অৱস্থিত বা তেওঁৰ দ্বাৰা লিখিতভাৱে অনুমোদিত যিকোনো বিষয়াই অধিসূচিত স্থানত পোৱাসকলো মোভেবল (চলনশীল)সম্পত্তিৰ(পৰিধান-পোছাক, ৰন্ধা-বঢ়াৰ পাত্ৰ, বিচনা আৰু বিচনা, শিল্পীৰ সঁজুলি, পালনৰ সঁজুলি, গৰু, শস্য আৰু খাদ্য সামগ্ৰী আৰু তেওঁৰ মানতনগন্য অন্যান্য সামগ্ৰীৰবাদদি) দুজন সন্মানীয় সাক্ষীৰউপস্থিতিততালিকা প্ৰস্তুত কৰিব লাগিব।

(৩) যদি জিলা দণ্ডাধীশৰ মতত তালিকাত উল্লেখ কৰা কোনো সামগ্ৰী অবৈধ সংগঠনৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয় বা ব্যৱহাৰ কৰিব পৰা যায়, তেন্তে জিলা দণ্ডাধীশৰ নিৰ্দেশততেওঁ কোনো ব্যক্তিক সামগ্ৰী ব্যৱহাৰ কৰাত বাধা দিয়াৰ আদেশ দিব পাৰে।

(৪) ইয়াৰ পিছত জিলা দণ্ডাধীশে আদেশ দিব পাৰে যে কোনো ব্যক্তিয়ে যিজন অধিসূচনাৰ তাৰিখত অধিসূচনা কৰা স্থানত বাসিন্দা নাছিল, তেওঁ জিলা দণ্ডাধীশৰ অনুমতি অবিহনে অধিসূচনা কৰা স্থানত প্ৰৱেশ কৰিব নোৱাৰিব, বা তাত থাকিব নোৱাৰিব:

যদিহে অধিসূচনাৰ তাৰিখত অধিসূচনা কৰা স্থানত বাসিন্দা আছিল কোনো ব্যক্তিৰ কোনো ওচৰৰ আত্মীয়ৰ ক্ষেত্ৰত এই উপ-ধাৰাত কোনো কথা প্ৰযোজ্য নহ'ব।

(৫) য'ত উপ-ধাৰা (৪) অনুসৰি কোনো ব্যক্তিক অধিসূচিত স্থানত প্ৰৱেশ কৰিবলৈ বা তাত থাকিবলৈ অনুমতি প্ৰদান কৰা হয়, তেন্তে সেই ব্যক্তিজনে এনে অনুমতিৰ অধীনত কাম কৰাৰ সময়ত নিজৰ নিয়ন্ত্ৰণৰ বাবে জিলা দণ্ডাধীশে দিয়া ধৰণেএনে আদেশ মানি চলিব লাগিব।

(৬) কোনো আৰক্ষী বিষয়া, উপ-পৰিদৰ্শকৰ পদবীৰ তলত নহয়, বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত আন কোনো ব্যক্তিয়ে অধিসূচিত স্থানত প্ৰৱেশ কৰা, বা প্ৰৱেশ কৰিব বিচৰা, বা তাত থকা বা তাত থকা যিকোনো ব্যক্তিক অনুসন্ধান কৰিব পাৰে আৰু তেনে কোনো ব্যক্তিক তেওঁক তালাচীৰ উদ্দেশ্যে আটক কৰিব পাৰে:

যদিহে, এই উপ-ধাৰা অনুসৰি কোনো মহিলাক মহিলাৰ বাহিৰে অন্যৰদ্বাৰাঅনুসন্ধান কৰা নহ'ব।

(৭) যদি কোনো ব্যক্তি উপ-ধাৰা (৪)ৰ অধীনত দিয়া আদেশ উলংঘা কৰি অধিসূচিত স্থানত থাকে, তেন্তে তেওঁৰ বিৰুদ্ধে ল'ব পৰা আন কোনো কাৰ্য্যবিধিৰ ক্ষতি নকৰাকৈ, তেওঁক কোনো বিষয়াই বা এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰাক্ষমতাপ্ৰাপ্ত আন যিকোনো ব্যক্তিয়ে তাৰ পৰা আঁতৰাব পাৰে।

৮) উপধাৰা (১)ৰ অধীনত বা উপ-ধাৰা (৩) বা উপ-ধাৰা (৪)ৰ অধীনত কোনো স্থান সন্দৰ্ভত জাৰি কৰা অধিসূচনাঅধীনত দিয়া আদেশৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা যিকোনো ব্যক্তি—

(ক)সেই ঠাইখন সংস্থাটোৰ উদ্দেশ্যত অবৈধভাৱে ব্যৱহাৰ কৰা হোৱা নাই বুলি ঘোষণা কৰাঅথবা(খ) উপ-ধাৰা (৩) বা উপ-ধাৰা (৪)ৰ অধীনত দিয়া আদেশ বাতিল কৰাৰউদ্দেশ্যেজাননী বা আদেশ দিয়াৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰতজিলা ন্যায়াধীশৰ আদালতত, যাৰআওতাতউক্তঅধিসূচিত স্থান পৰে, আবেদনকৰিবপাৰিবআৰুআবেদন লাভ কৰাৰপিছতজিলা ন্যায়াধীশৰ আদালতেপক্ষসমূহক শুনানিৰ সুযোগ দিয়াৰ পিছত সেই বিষয়টোৰওপৰত সিদ্ধান্ত ল'ব।

**১০।অবৈধ সংস্থাৰ সদস্য হোৱাৰ শাস্তি**

য'ত কোনো সংস্থাক ধাৰা ৩ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰা অবৈধ ঘোষণা কৰা হৈছেআৰু যি উক্ত ধাৰাটোৰ উপ-ধাৰা (৩)ৰ অধীনত কাৰ্যকৰী হৈছে,—

(ক) এজন ব্যক্তি, যি—

(i) তেনে সংস্থাৰ সদস্য হয়বাসদস্য হিচাপেকামকৰিআছে; অথবা

(ii) তেনে সংস্থাৰ সভাত অংশগ্ৰহণ কৰে; অথবা

(iii) তেনেসংস্থাৰউদ্দেশ্যেবৰঙণিদিয়ে, বৰঙণিলয়বাবৰঙণিসংগ্ৰহৰক্ষেত্ৰতঅৰিহণা যোগায়; অথবা

(iv) যিকোনো ধৰণে সংস্থাৰএনেবোৰৰ কাৰ্য্যকলাপত সহায় কৰে,

তাৰজৰিমনাসহসৰ্বোচ্চ দুবছৰলৈকে কাৰাদণ্ড হ'ব পাৰেআৰু

(খ)যিকোনো ব্যক্তি যি এনে সংস্থাৰ সদস্য বা সদস্য হৈ আছে বা যিয়ে স্বেচ্ছাইকোনো ধৰণে এনে সংস্থাৰ বাবে সহায় বা আগুৱাই নিয়াৰ বাবে কোনো কাম কৰে বাতেওঁৰওচৰত কোনো অনুজ্ঞাপত্ৰবিহীন আগ্নেয়াস্ত্ৰ, গোলাবাৰুদ, বিস্ফোৰক বা অন্যান্য সঁজুলি বা গণধ্বংসী পদাৰ্থথাকেযাৰদ্বাৰাকোনো ব্যক্তিৰ জীৱন হেৰায়বা গুৰুতৰ বাবেআঘাতপ্ৰাপ্তহয়বাকোনো সম্পত্তিৰ যথেষ্ট ক্ষতিসাধন হয়,—

(i) আৰু যদি এনে কামৰ ফলত কোনো ব্যক্তিৰ মৃত্যু হয়, তেন্তে তেওঁক মৃত্যুদণ্ডবাজৰিমনাসহযাৱজ্জীৱনকাৰাদণ্ডৰেদণ্ডিতকৰাহব;

(ii) আন যিকোনো ক্ষেত্ৰত,কমপক্ষেওপাঁচ বছৰৰ কাৰাদণ্ডৰেদণ্ডিতকৰাহবকিন্তুইজৰিমনাসহযাৱজ্জীৱনকাৰাদণ্ডপৰ্যন্তবৃদ্ধিহবপাৰে।

১৩।**বেআইনী কাৰ্যকলাপৰশাস্তি**

(১) যিব্যক্তিয়ে

(ক) যিকোনো অবৈধ কাৰ্য্যত অংশগ্ৰহণ কৰে, বা এনে কাম কৰে, বা

(খ) কোনো পক্ষক কোনো অবৈধ কাম কৰিবলৈ সহায় কৰে, উচটনি দিয়ে, পৰামৰ্শ দিয়ে বা উৎসাহিত কৰে

তাৰ জৰিমনাসহসৰ্বোচ্চ সাতবছৰলৈকে কাৰাদণ্ড হ'ব পাৰে।

২।যিব্যক্তিয়ে ৩নং উপ-ধাৰাৰ অধীনত জাননী বলবৎ হোৱাৰ পিছত ৩নংধাৰাঅনুসৰিঅবৈধ বুলি ঘোষণা কৰাকোনো সংস্থাৰযিকোনো অবৈধ কাৰ্য্যতসহায়কৰে, তাৰপাঁচ বছৰলৈকে কাৰাদণ্ড বা জৰিমনা বা দুয়োটা শাস্তিয়ে হ'বপাৰে।

৩।ভাৰত চৰকাৰ আৰু আন যিকোনো দেশৰ চৰকাৰৰ মাজত কৰা যিকোনো সন্ধি, চুক্তি বা সন্মিলনবা ভাৰত চৰকাৰৰ দ্বাৰা এই ক্ষেত্ৰত অনুমোদিত যিকোনো ব্যক্তিৰ দ্বাৰা চলোৱা যিকোনো আলোচনাৰ ক্ষেত্ৰত এই ধাৰাৰ একো প্ৰযোজ্য নহ'ব।

৩৮) **সন্ত্ৰাসবাদী সংগঠনৰ সদস্যপদৰ সৈতে জড়িত অপৰাধ।–**

(১) যদিকোনো ব্যক্তিয়েনিজকে সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত ৰাখেবাউক্ত সন্ত্ৰাসবাদীসংগঠনৰকাৰ্যকলাপ আগুৱাই নিয়াৰ উদ্দেশ্যেৰে যিকোনো সন্ত্ৰাসবাদীৰ সৈতে জড়িত বা সংযুক্ত হোৱাৰ মুকলিকৈমতপোষণকৰে, তেনেব্যক্তিসন্ত্ৰাসবাদী সংগঠনৰসদস্যএজনৰসমানেঅপৰাধী।

এই উপ-ধাৰা প্ৰযোজ্য নহ'ব যদিহে অভিযুক্ত ব্যক্তিজনে প্ৰমাণ কৰিব পাৰে যে—

(ক) সংগঠনটোৰ সদস্য হোৱাৰ সময়তবানিজকেসদস্যহিচাপেপৰিচয়দিয়াআৰম্ভকৰাৰসময়ত উক্তসংগঠনটোকসন্ত্ৰাসবাদী সংগঠন হিচাপে ঘোষণা কৰা হোৱা নাছিল; আৰু

(খ) সেই সংগঠনটোক সন্ত্ৰাসবাদী সংগঠন হিচাপে [প্ৰথম সূচীত] অন্তৰ্ভুক্ত হোৱাৰযিকোনোসময়ত ইয়াৰ কাৰ্য্যকলাপত অংশগ্ৰহণ কৰা নাই।

(২) কোনো ব্যক্তিযদি উপ-ধাৰা(১)ৰ অধীনত কোনো সন্ত্ৰাসবাদী সংগঠনৰ সদস্যপদৰ সৈতে জড়িত অপৰাধ কৰে, তেওঁৰসৰ্বোচ্চ দহবছৰলৈকে কাৰাদণ্ড হ'ব পাৰেবাজৰিমনা বা দুয়োটা শাস্তি হ'বপাৰে।

**৩৯) যিকোনো সন্ত্ৰাসবাদী সংগঠনক সহায় আগবঢ়োৱাৰ সৈতে জড়িত অপৰাধ।**—(১) এজনব্যক্তিসন্ত্ৰাসবাদী সংগঠনক সহায় আগবঢ়োৱাৰ সৈতে জড়িত অপৰাধসংঘটিত কৰে,-

(ক) যিয়ে কোনো সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যকলাপ আগুৱাই নিয়াৰ উদ্দেশ্যেৰে—

(i) কোনো সন্ত্ৰাসবাদী সংগঠনৰ বাবে সমৰ্থন বিচাৰে; আৰু

(ii) এনে সমৰ্থন ধাৰা ৪০ত সংজ্ঞায়িত কৰা অনুসৰি কেৱল ধন বা সম্পত্তি যোগানধৰাৰ মাজতে সীমাবদ্ধ নহয়; অথবা

(খ) যিয়ে কোনো সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যকলাপ আগুৱাই নিয়াৰ উদ্দেশ্যেৰে যিকোনো সভাৰ ব্যৱস্থা, পৰিচালনা বাতেনেসভাৰ ব্যৱস্থা আৰু পৰিচালনাতসহায় কৰেআৰুতেওঁজ্ঞাতযেএইটোদ্বাৰাবুজায়যে,

(i) কোনো সন্ত্ৰাসবাদী সংগঠনক সমৰ্থন কৰা; অথবা

(ii) কোনো সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যকলাপ আগুৱাই নিয়া; অথবা

(iii) ইয়াক কোনো সন্ত্ৰাসবাদী সংগঠনৰ সৈতে সম্পৰ্কিত বা জড়িত ব্যক্তিয়ে সম্বোধন কৰে;

(গ) যিয়ে কোনো সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যকলাপ আগুৱাই নিয়াৰ লক্ষ্যেৰে ইয়াৰ

কাৰ্য্যকলাপক প্ৰচাৰ বা আগুৱাই নিয়াৰ উদ্দেশ্যে যিকোনো সভাক সম্বোধন কৰে।

(২) যিব্যক্তিয়ে কোনো সন্ত্ৰাসবাদী সংগঠনক দিয়া সহায়ৰ সম্পৰ্কত উপ-ধাৰা (১)ৰ অধীনত কোনো অপৰাধ সংঘটিত কৰে, তেওঁৰসৰ্বোচ্চ দহবছৰলৈকে কাৰাদণ্ড হব পাৰেবাজৰিমনা বা দুয়োটা শাস্তি হ'বপাৰে।

এইদৰে ১৯(১)(ক) আৰু অনুচ্ছেদ ১৯(১)(গ)অনুচ্ছেদৰ অধীনত নিশ্চিত কৰা অধিকাৰ সমূহ(বাক আৰু মত প্ৰকাশৰ অধিকাৰআৰুসংস্থা গঠনৰ অধিকাৰ) চৰমঅধিকাৰনহয়, কিন্তু সেইঅধিকাৰসমূহভাৰতীয় সংবিধানৰ ১৯(২)আৰু ১৯(৪)উল্লেখথকা যুক্তিসংগত নিষেধাজ্ঞাৰ আওতাত থাকে। অনুচ্ছেদ ১৯(২) (৩)&(৪) সংবিধানৰ(ষোড়শসংশোধনী) আইন, ১৯৬৩ অনুসৰি সংশোধন কৰা হৈছেআৰু "সাৰ্বভৌমত্বআৰু ভাৰতৰ অখণ্ডতা" শব্দকেইটাসংবিধানতসন্নিৱিষ্ট কৰা হৈছে।

গতিকে অনুচ্ছেদ ১৯(২)(৩) আৰু(৪)অনুসৰি ১৯ নং অনুচ্ছেদৰ দফা ১ৰ দফা(ক),(খ)আৰু (গ)ৰ কোনো কথাই কোনো প্ৰচলিত আইনৰকাৰ্য্যকলাপত কোনো প্ৰভাৱ নেপেলাববা ৰাষ্ট্ৰক কোনো আইন প্ৰণয়ন কৰাত বাধাআৰোপনকৰে, যিহেতু এনে আইনেসমূহে ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা, ৰাষ্ট্ৰৰ নিৰাপত্তাস্বাৰ্থতউক্ত উপ-দফাসমূহে প্ৰদান কৰা অধিকাৰসমূহৰওপৰত যুক্তিযুক্তবাধাআৰোপ কৰিছে।১৯(৪) অনুচ্ছেদঅনুসৰি (গ)উপ-দফাৰ(সন্থাগঠনৰঅধিকাৰৰ) কোনো কথাই উক্তক্ষেত্ৰত প্ৰযোজ্য হোৱা যিকোনো বিদ্যমান আইনৰ কাৰ্য্যকলাপত প্ৰভাৱ নেপেলাব, বা ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা বা সাৰ্ব্বজনিক শৃংখলা বা নৈতিকতাৰ স্বাৰ্থত উক্ত উপ-দফাটোৱে প্ৰদান কৰা অধিকাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত যুক্তিযুক্তবাধা আৰোপ কৰি আইন প্ৰণয়ন কৰাত ই ৰাষ্ট্ৰক বাধা আৰোপনকৰিব। এই পৰ্যায়ত ১৯(২)(৩) & (৪) অনুচ্ছেদ সংশোধনৰ উদ্দেশ্য আৰু কাৰণবোৰৰসবিশেষ উল্লেখ আৰু বিবেচনা কৰাটো প্ৰয়োজনীয়।

সংবিধান(ষোড়শ সংশোধনী)আইন, ১৯৬৩ হিচাপে প্ৰণয়ন কৰা সংবিধান (ষোড়শ সংশোধনী) বিধেয়ক, ১৯৬৩ৰ লগত সংলগ্ন উদ্দেশ্যআৰু কাৰণসমূহৰ সবিশেষ তলত দিয়া ধৰণৰ:

**<u>উদ্দেশ্যআৰু কাৰণসমূহৰ সবিশেষ</u>**

ৰাষ্ট্ৰীয় সংহতি পৰিষদে নিযুক্তি দিয়া ৰাষ্ট্ৰীয় সংহতি আৰু আঞ্চলিকতাবাদ সমিতিখনে সংবিধানৰ ১৯ নং অনুচ্ছেদটো এনেদৰে সংশোধন কৰিবলৈ পৰামৰ্শ দিছিল যাতে ৰাষ্ট্ৰৰ অখণ্ডতা, আৰু সাৰ্বভৌমত্ব সংৰক্ষণ আৰু বজাই ৰখাৰ বাবে পৰ্যাপ্ত ক্ষমতা উপলব্ধ হয়। কমিটীয়ে এইবুলিও মতামত দিছিল যে ৰাজ্যিক বিধানসভা বা সংসদৰ সদস্যপদৰ প্ৰতিজন প্ৰাৰ্থী, আৰু চৰকাৰী পদৰ প্ৰতি আকাংক্ষী আৰু অধিষ্ঠিত প্ৰতিজন প্ৰাৰ্থীয়ে সংবিধান ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিব লাগে আৰু ৰাষ্ট্ৰৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষা কৰিব লাগে আৰু সংবিধানৰ তৃতীয় অনুসূচীত থকা শপতনামাৰ প্ৰপত্ৰসমূহ সেই উদ্দেশ্যে উপযুক্তভাৱে সংশোধন কৰিব লাগে। এইকমিটিখিনেভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থত১৯ নং অনুচ্ছেদৰ দফা(২),(৩) আৰু(৪)সংশোধন কৰি এই পৰামৰ্শসমূহ কাৰ্যকৰী কৰাৰ প্ৰস্তাৱ দিয়ে যাতে ৰাষ্ট্ৰই সেই অনুচ্ছেদৰ দফা (১)ৰ(ক), (খ) আৰু (গ)উপ-দফাসমূহে প্ৰদান কৰা অধিকাৰসমূহৰ ব্যৱহাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰা যিকোনো আইন প্ৰণয়ন কৰিব পাৰে।

১৪.২ ভাৰতীয় সংবিধানৰ ১৯(২)আৰু(৪) অনুচ্ছেদৰ অধীনত প্ৰদত্ত ক্ষমতাৰ অধীনত ইউএপিএ, ১৯৬৭ গৃহীত কৰাহৈছে।এই পৰ্যায়ত, এইটো মন কৰিব লাগিব যে ৰাষ্ট্ৰীয় সংহতি পৰিষদে(এনআইচি)ৰাষ্ট্ৰীয় সংহতি আৰু আঞ্চলিককৰণ সম্পৰ্কীয় এখন সমিতি নিযুক্ত কৰাৰ পিছত অনুচ্ছেদ 19(1)ৰ অধীনত সংস্থা গঠনৰ স্বাধীনতাঅধিকাৰৰ ব্যতিক্ৰমবোৰ অনুচ্ছেদ 19(4)ৰ অধীনত ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ ৰূপত অন্তৰ্ভুক্ত কৰা হৈছিল। উক্ত সমিতিখনে ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থত যুক্তিসঙ্গত প্ৰতিবন্ধকতা আৰোপ কৰাৰ দিশটো চোৱা-চিতা কৰিব লাগিছিল।উক্ত সমিতিৰ পৰামৰ্শ অনুসৰি, ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থত আইন, যুক্তিসঙ্গত প্ৰতিবন্ধকতা আৰোপ কৰিবলৈ সংবিধান (ষোড়শ সংশোধনী) আইন, 1963 প্ৰণয়ন কৰা হৈছিল। ১৯৬৩ চনৰ আইনখনৰ বিধানসমূহ কাৰ্যকৰী কৰাৰ উদ্দেশ্যে সংসদত বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) বিধেয়ক উত্থাপন কৰা হয়। ইউ.এ.পি.এ.-ৰ মুখ্য উদ্দেশ্য হৈছে ভাৰতৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ বিৰুদ্ধে নিৰ্দেশিত কাৰ্যকলাপৰ সৈতে মোকাবিলা কৰাৰ বাবে ক্ষমতা উপলব্ধ কৰা।এইটোও মন কৰিবলগীয়া যে ৰাষ্ট্ৰীয় সংহতি পৰিষদ আইনখনে নিযুক্তি দিয়া ৰাষ্ট্ৰীয় সংহতি আৰু আঞ্চলিককৰণ সমিতিৰ পৰামৰ্শৰ ভিত্তিত

সংবিধান(ষোড়শ সংশোধনী) আইন, ১৯৬৩ প্ৰণয়ন কৰি ইউএপিএ আইনখনপ্ৰণয়ন কৰা হৈছে। এইটোদেখা যায় যে ৰাষ্ট্ৰীয় সংহতি পৰিষদে ৰাষ্ট্ৰীয় সংহতি আৰু আঞ্চলিককৰণৰ ওপৰত এখন সমিতি নিযুক্তি দিছিল যাতে অন্যান্য বিষয়ৰ লগতে ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থত যুক্তিসংগত বাধা আৰোপ কৰাৰ দিশটো চাব পাৰে আৰু তাৰ পিছত ইউ এ পি এ আইনখনপ্ৰণয়ন কৰা হৈছে।সেয়েহে ভাৰতৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ বিৰুদ্ধে কৰাকাৰ্যকলাপৰমোকাবিলা কৰিবৰ বাবে ক্ষমতা উপলব্ধ কৰাৰ বাবে ইউএপিএ প্ৰণয়ন কৰা হৈছে।

১৪.৩ এতিয়া আমি ইউ.এ.পি.এ.,১৯৬৭ৰ প্ৰস্তাৱনাৰ বিষয়ে বিবেচনা কৰাযাওঁক।প্ৰস্তাৱনা অনুসৰি, ব্যক্তি আৰু সংগঠনৰ কিছুমান বেআইনী কাৰ্যকলাপ অধিক কাৰ্যকৰীভাৱে প্ৰতিৰোধ কৰা আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে মোকাবিলা কৰা আৰু ইয়াৰ সৈতে সম্পৰ্কিত বিষয়বোৰৰ বাবে ইউ.এ.পি.এ.আইনপ্ৰণয়ন কৰা হৈছে। সেয়েহে ইউ.এ.পি.এ. আইনখনপ্ৰণয়নৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে কিছুমান বেআইনী কাৰ্যকলাপৰ অধিক কাৰ্যকৰী প্ৰতিৰোধৰ ব্যৱস্থা কৰা।

গতিকে উক্ত উদ্দেশ্য সাধন কৰিবলৈআৰুকিছুমান অবৈধ কাৰ্যকলাপৰ ফলপ্ৰসূ প্ৰতিৰোধৰ উদ্দেশ্যত উপনীত হ'বলৈ সংসদে নিজৰ বিবেচনা অনুসৰি এই ব্যৱস্থা কৰিছে যে য'ত ধাৰা ৩ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰা কোনো সংগঠন অবৈধ বুলি ঘোষণা কৰা হয়, তেতিয়াএজনব্যক্তিযিসেইসংগঠনৰসদস্যবাসদস্যহিচাপে কৰি আছে, তেনেব্যক্তিৰ২ বছৰলৈকে কাৰাদণ্ডহ'বপাৰেআৰু লগতেজৰিমনাও হ'বপাৰে।গতিকে সংসদে নিজৰ বুদ্ধিমত্তাৰে ভাবিলে যে এবাৰ ধাৰা ৩ৰ অধীনত প্ৰয়োজনীয় পদ্ধতি অনুসৰণ কৰি আৰু ন্যায়াধিকৰণৰ অনুমোদন সাপেক্ষেকোনোএটাসংগঠনক বেআইনীবুলিঘোষণা কৰাৰপাছতযদিকোনো ব্যক্তি সেই সংগঠনৰ সদস্য হৈ থাকেতেন্তেতেনেব্যক্তি শাস্তিৰ সন্মুখীন হ'বলগীয়াহ'ব।

১৪.৪এই পৰ্যায়ত মন কৰিবলগীয়া যে কোনো সংগঠনক অবৈধ ঘোষণা কৰাৰ আগতে উক্তআইনৰ ধাৰা ৩ৰ অধীনত প্ৰয়োজনীয় পদ্ধতি অনুসৰণ/গ্ৰহণ কৰাটো বাধ্যতামূলক। ধাৰা 3(1)অনুসৰি যদি কেন্দ্ৰীয় চৰকাৰে মত পোষণ কৰে যে কোনো সংগঠন বেআইনী সংগঠনহয়বা বেআইনী সংগঠন হৈ পৰিছে,

ই চৰকাৰী গেজেটত জাননীৰ দ্বাৰা এনে সংগঠনক বেআইনী বুলি ঘোষণা কৰিব পাৰে।

ধাৰা ৩(২) অনুসৰি এনে প্ৰতিটো অধিসূচনাই ইয়াক জাৰি কৰাৰ ভিত্তি আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় বুলি বিবেচনা কৰা অন্যান্য সবিশেষ তথ্য উল্লেখ কৰিব লাগিবকিন্তুএইক্ষেত্ৰতকেন্দ্ৰীয় চৰকাৰে জনস্বাৰ্থৰ বিৰুদ্ধে বুলি ভবা কোনো তথ্য প্ৰকাশ নকৰিবপাৰে। ধাৰা ৩(৩)ত উল্লেখ আছে যে ন্যায়াধিকৰণে ধাৰা ৪ৰ অধীনত দিয়া আদেশৰ দ্বাৰা কৰা ঘোষণা নিশ্চিত নকৰালৈকে আৰু আদেশটো চৰকাৰী ৰাজপত্ৰত প্ৰকাশ নকৰালৈকে এনে কোনো অধিসূচনা কাৰ্যকৰী নহ'ব।ইয়াৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰক কোনো সংগঠনক তাৎক্ষণিকভাৱে বেআইনীসংগঠনবুলিঘোষণা কৰাৰ ক্ষমতা প্ৰদান কৰা হয় যদিহে কেন্দ্ৰীয় চৰকাৰে এনে পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি বিবেচনা কৰে যে কোনো সংগঠনক তাৎক্ষণিকভাৱে বেআইনীবুলি ঘোষণা কৰাটো প্ৰয়োজনীয়, কিন্তুউক্তঘোষণাকাৰণসমূহ লিখিতভাৱে লিপিবদ্ধ কৰা আৰু ধাৰা ৪ৰ অধীনত কৰা যিকোনো আদেশসাপেক্ষেহে'বলাগিব।ধাৰা ৪ অনুসৰি এনে প্ৰতিটো অধিসূচনা চৰকাৰী ৰাজপত্ৰত প্ৰকাশকৰাৰ উপৰিও যিখন ৰাজ্যতপ্ৰভাৱিত সংগঠনটোৰ প্ৰধান কাৰ্যালয়, সেই ৰাজ্যত প্ৰচলিত অন্ততঃ এখন দৈনিক বাতৰি কাকতত প্ৰকাশ কৰা হ'বআৰুএইটোকেন্দ্ৰীয় চৰকাৰে উপযুক্ত বুলি বিবেচনা কৰা ধৰণে উক্তসংগঠনটোক জাৰি কৰিব লাগিব।ধাৰা ৪ অনুসৰি য'ত ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰা কোনো সংগঠনটোক বেআইনী বুলি ঘোষণা কৰা হৈছে, তেনে ক্ষেত্ৰত সংগঠনটোক বেআইনী ঘোষণা কৰাৰ বাবে পৰ্যাপ্ত কাৰণ আছে নে নাই সেইটো বিচাৰ কৰিবলৈকেন্দ্ৰীয় চৰকাৰে অধিসূচনা প্ৰকাশৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত অধিসূচনাখনকন্যায়াধিকৰণলৈ প্ৰেৰণ কৰিব লাগিব।ধাৰা ৪(২)অনুসৰি কোনোপ্ৰসংগ লাভ কৰাৰ পিছত ন্যায়াধিকৰণে জাননীখনৰ দ্বাৰা প্ৰভাৱিত সংগঠনটোক কিয় অবৈধ ঘোষণা কৰিব নালাগে তাৰ কাৰণ দেখুৱাবলৈলিখিতভাৱে জাননী দিব লাগিব।তাৰ পিছত, ন্যায়াধিকৰণে ধাৰা ৯ত উল্লেখ কৰা ধৰণে তদন্ত কৰিব আৰু কেন্দ্ৰীয় চৰকাৰ বা সংগঠনটোৰকোনো বিষয়া বা সদস্যৰ পৰা এনে অধিক তথ্যৰ বাবে আহ্বান জনোৱাৰ পিছত সংগঠনটোকবেআইনী ঘোষণা কৰা হ'ব নে নহয় সেই বিষয়ে সিদ্ধান্ত ল'ব আৰু

ধাৰা ৩ৰ উপ-ধাৰা(১)ৰ অধীনত অধিসূচনা জাৰি কৰাৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত যিমান পাৰি সোনকালে অধিসূচনাত কৰা ঘোষণা নিশ্চিত বা বাতিল কৰাৰক্ষেত্ৰত উপযুক্ত আদেশজাৰিকৰিব।

১৪.৫এইদৰে পূৰ্বতে উল্লেখ কৰা কথাখিনিৰ পৰা দেখা যায় যে কোনো সংগঠনটোকবেআইনী ঘোষণা কৰাৰ আগতে ব্যাপক প্ৰচাৰআৰুসংগঠনটোৰ সদস্যই ন্যায়াধিকৰণৰ সন্মুখত প্ৰতিনিধিত্ব কৰাৰ অধিকাৰকেধৰি বিশদ পদ্ধতি মানি চলাটো প্ৰয়োজনীয়।ওপৰত পৰ্যবেক্ষণ কৰা অনুসৰিকোনো বিশেষ সংগঠনটোকবেআইনী ঘোষণা কৰি কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা এনে অধিসূচনা ধাৰা ৪ৰ অধীনত ন্যায়াধিকৰণৰ নিৰীক্ষণ আৰু অনুমোদনৰ আওতাত থাকে।এইটো কৰাৰ পিছতোযদি কোনো ব্যক্তি, যিউক্তবেআইনীসংগঠনটোৰ এজনসদস্য, সদস্য হৈয়ে থাকে, তেওঁ পৰিণতিৰ সন্মুখীন হ'ব লাগিব আৰুইউএপিএ, ১৯৬৭ৰ ধাৰা ১০, বিশেষকৈ ধাৰা ১০ (ক)(i)ৰ বিধানসমূহৰ অধীনত শাস্তিৰসন্মুখীন হ'ব।

১৪.৬এই পৰ্যায়ত এটা কথা মন কৰিবলগীয়া যে কেন্দ্ৰীয় চৰকাৰে কোনো বিশেষ সংগঠনবেআইনী কামত জড়িত আৰু ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ বিৰোধী বুলি সন্তুষ্ট হোৱাৰ পিছতহে তেনেসংগঠনক অবৈধ বুলিঘোষণা কৰে।ধাৰা২(অ) ৰ অধীনত 'বেআইনী কাম-কাজ' ৰ সংজ্ঞা দিয়া হৈছে আৰু ধাৰা২(পি) ৰ অধীনত 'বেআইনী সংগঠন' ৰ সংজ্ঞা দিয়া হৈছে।সেয়েহেতেনেস্থলত এনে বেআইনী সংগঠনৰ সদস্য থকা এজন ব্যক্তিয়ে এইটো ক'ব নোৱাৰিব যে তেনে সংগঠনৰ সৈতে জড়িত হৈ থাকিব পাৰে অথবা ইয়াৰ সদস্য হৈ থাকিব পাৰে যদিও এনে সংগঠনক ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা বিঘ্নিত হোৱাবেআইনী কাৰ্যকলাপৰ বাবে বেআইনী ঘোষণা কৰা হয়।বাহুল্যসত্ত্বেওএইটো লক্ষ্য কৰা গৈছে যে ইউএপিএ আইনৰ উদ্দেশ্য হ'ল বেআইনী কাম-কাজবোৰ অধিক ফলপ্ৰসূ ভাৱে প্ৰতিৰোধ কৰা। বেআইনী কাম-কাজৰ বাবে বেআইনী ঘোষণা কৰা এনে বেআইনী সংগঠনৰ সদস্য হিচাপে অব্যাহত থকা এজন ব্যক্তিক শাস্তি দিয়াটো বেআইনী গতিবিধিৰ কাৰ্যকৰী প্ৰতিৰোধৰ বাবে জোৰ দিয়া বুলি ক'ব পাৰি।সেয়েহে, ধাৰা ১০(ক)(i)ত কোৱা হৈছে যে যদিএজনব্যক্তি ধাৰা ৩ৰ অধীনত জাৰী কৰা এক অধিসূচনাৰ দ্বাৰা ঘোষণা কৰা আৰু সেই ধাৰাৰ উপ-ধাৰা ৩ৰ অধীনত কাৰ্যকৰী কৰাকোনোবেআইনীসংগঠনৰ সদস্য হয়বাসদস্য

হিচাপেকামকৰিআছেতেন্তেসেইব্যক্তিজনৰ 2 বছৰলৈকে কাৰাদণ্ড আৰু জৰিমনাও হ'ব পাৰেআৰুএইটোভাৰতৰ সংবিধানৰ অনুচ্ছেদ 19(1)(2) আৰু (4)ৰ সৈতে সম্পূৰ্ণৰূপে সামঞ্জস্যপূৰ্ণ আৰু ইউএপিএ আইনখনউক্তউদ্দেশ্যৰ ওপৰত প্ৰণয়ন কৰা বুলিকবপাৰি।

১৫।বিদ্বান জ্যেষ্ঠ অধিবক্তাশ্ৰী পাৰিখৰ **মেন্স ৰিয়া**(অপৰাধকৰাৰঅভিপ্ৰায়)ৰউপাদানৰওপৰতযুক্তিদিকৈছেযেকেৱল এনে অবৈধ সংগঠনৰ ব্যক্তিৰ সদস্যপদটোৱেই শাস্তি দিয়াৰ ভিত্তি হ'ব নোৱাৰেআৰুতেখেতৰযুক্তিৰসমৰ্থনত**কেদাৰনাথ**(ওপৰতউল্লেখকৰা) গোচৰতদিয়াৰায় লগতেঅন্যগোচৰতদিয়াৰায়বোৰৰকথাউল্লেখকৰিকৈছেকিন্তুএইক্ষেত্ৰতমন কৰিবলগীয়া যে ইউএপিএৰ বিধানসমূহ বিবেচনা কৰাৰ সময়ত উক্ত সিদ্ধান্তসমূহ প্ৰযোজ্য নহ'ব।আইপিচিৰ অধীনতকৰা অপৰাধ আৰু ইউএপিএৰ অধীনত কৰাঅপৰাধ দুয়োটা পৃথক। ওপৰত পৰ্যবেক্ষণ কৰা ধৰণে এইটোগোচৰতধাৰা ৩ৰ অধীনত প্ৰয়োজন অনুসৰি যথাযথ প্ৰক্ৰিয়া অনুসৰণ কৰাৰ পিছত আৰু ধাৰা ৪ৰ অধীনত ন্যায়াধিকৰণৰ অনুমোদন সাপেক্ষে আৰু এনে সংগঠন, সংগঠনৰ কাৰ্য্যালয়আৰু আনকি সংগঠনৰ সদস্যসকলক সুযোগ দিয়াৰ পিছত সংগঠন এটাক বেআইনী ঘোষণা কৰা হৈছে।

১৫.১) এতিয়া বিদ্বান জ্যেষ্ঠ অধিবক্তাই শ্ৰীযুত পাৰিখে **কেদাৰ নাথ সিং**(ওপৰতউল্লেখকৰা)গোচৰত এই আদালতৰ সিদ্ধান্তৰ ওপৰত যিমানদূৰআস্থাপ্ৰকাশকৰিছেতাৰওপৰত ক'বলৈ গ'লে, আৰম্ভণিতে মন কৰিবলগীয়াবিষয়এইটোহ'ব যে উক্ত সিদ্ধান্তটো সংবিধানৰ(ষোড়শ সংশোধনী) আইন, ১৯৬৩পূৰ্বৰআছিল।**কেদাৰ নাথ সিং**(ওপৰতউল্লেখকৰা) গোচৰৰৰায়ৰপিছতৰাষ্ট্ৰীয় একত্ৰীকৰণ পৰিষদৰ পৰামৰ্শঅনুসৰিবাক স্বাধীনতা আৰু সন্থাগঠণৰ স্বাধীনতাৰ ব্যতিক্ৰম হিচাপে অনুচ্ছেদ ১৯(২) আৰু ১৯(৪) সংশোধন কৰা হৈছে যাতে "ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা"ৰ এক ব্যতিক্ৰম বিশেষভাৱে অন্তৰ্ভুক্ত কৰা হয়।গতিকে ইউএপিএৰ প্ৰেক্ষাপটত ১৯ আৰু ২১ নং অনুচ্ছেদৰ প্ৰয়োগৰ ক্ষেত্ৰত যিকোনো প্ৰশ্নৰ ওপৰত একেই বস্তুগত প্ৰভাৱ পেলাব।এইদৰে “ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা”ক১৯ নং অনুচ্ছেদৰ এটাব্যতিক্ৰম হিচাপেলৈ১৯৬৩ চনৰ সংবিধান সংশোধনীৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে ইউএপিএৰ ব্যাখ্যা কৰিবলাগিব।

১৬) এতিয়া বিদ্বান জ্যেষ্ঠ অধিবক্তাশ্ৰীপাৰিখেই ধাৰা ১০(i)(ক)ৰ অস্পষ্টতা আৰু অপব্যৱহাৰৰ সম্ভাৱনাৰ ওপৰত দৰ্শোৱা যুক্তিৰক্ষেত্ৰতমন কৰিবলগীয়া যে এই আদালতৰ সিদ্ধান্ত অনুসৰি কোনো বিধানএটাৰসাংবিধানিকতা বিবেচনা কৰাৰ সময়ত কেৱল অপব্যৱহাৰৰ সম্ভাৱনাই ভিত্তি আৰুবা প্ৰাসংগিক বিবেচনা হ'ব নোৱাৰে।আইনৰ নিৰ্ধাৰিত অৱস্থা অনুসৰি যিকোনো আইনঅপব্যৱহাৰ ফলত হোৱা যিকোনো কাৰ্য্য প্ৰত্যাহ্বান জনোৱাৰ আওতাত পৰে।কিন্তু আইনৰ অপব্যৱহাৰৰ সম্ভাৱনাৰ ওপৰত সাংবিধানিকভাৱে বৈধ আইনক অসাংবিধানিক বুলি ঘোষণা কৰিব নোৱাৰি।

১৬.১) এতিয়াওপৰত পৰ্যবেক্ষণ কৰা ধাৰা ১০(ক)(i)ৰ অস্পষ্টতাৰ ওপৰতদৰ্শোৱাযুক্তিৰক্ষেত্ৰতআমিক'বপাৰোঁযেওপৰত আলোচনা কৰা ইউএপিএ, ১৯৬৭ৰ ধাৰা ৩ আৰু ৪ৰ অধীনত সকলো প্ৰয়োজনীয়বিধানসমূহ মানি চলাৰ পিছতহে এটা সংস্থাক অবৈধ বুলি ঘোষণা কৰা হৈছে।এনে বেআইনী সংগঠনৰ সদস্য এজনে সেইসংগঠনটোক বেআইনী বুলি ঘোষণাকৰাৰ বিষয়ে অৱগত হোৱাৰপিছতোযদিতেনেবেআইনী কাৰ্যকলাপত লিপ্তহোৱাআৰুভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ বিৰুদ্ধে কাম কৰাসংগঠনৰ সদস্য হৈ থাকে, তেন্তে তেওঁৰ উদ্দেশ্য অতি স্পষ্ট যে তেওঁ এতিয়াও এনে এক সংগঠনৰ সৈতে সম্পৰ্ক স্থাপন কৰিব বিচাৰে যি বেআইনী কাৰ্যকলাপত লিপ্তহোৱাআৰুভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ বিৰুদ্ধে কাম কৰিআছে।কোনোসংগঠনকবেআইনীবুলিঘোষনাকৰাৰক্ষেত্ৰতধাৰা ১০(১)(i)ত ব্যৱহৃত ভাষাআৰু ধাৰা ৩আৰু ৪ৰ অধীনত অনুসৰণ কৰিব লগা প্ৰক্ৰিয়াসমূহঅতি স্পষ্টআৰুএইক্ষেত্ৰতবিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী সঞ্জয় পাৰিখে দাবী কৰা ধৰণে কোনোধৰণৰ অস্পষ্টতা নাই।গতিকে ধাৰা ১০(ক)(i)তকোনো ধৰণৰ অস্পষ্টতা বা অযুক্তিকৰতা বা অসামঞ্জস্যতা নাই।

১৭) এতিয়া **চিলিং ইফেক্ট ডক্ট্ৰিন**(মুক্তঅভিমতপ্ৰকাশৰঅধিকাৰবাধাগ্ৰস্তহোৱা)ৰ ওপৰত বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী পাৰিখে দৰ্শোৱাযুক্তিৰক্ষেত্ৰতএইটো মন কৰিবলগীয়া যেএজন ব্যক্তি তেওঁ সদস্য হোৱা এটা সংগঠনক ইয়াৰ বেআইনী কাৰ্যকলাপআৰুভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰাৰবাবে বেআইনী সংগঠনহিচাপে ঘোষণা কৰা বুলি ভালদৰে জনাৰ পিছতোযদিতেনে বেআইনী সংগঠনৰ সদস্যহৈথাকে এনে ব্যক্তিক মুক্তঅভিমতপ্ৰকাশৰঅধিকাৰবাধাগ্ৰস্তহোৱাৰ(**চিলিং**

**ইফেক্ট**) ওপৰতকোনোধৰণৰঅভিযোগদাখিল কৰিবলৈ অনুমতি দিব নোৱাৰি।পৰিণামবোৰ আইনৰ অধীনত প্ৰদান কৰা হয়। এনে ব্যক্তিক বুজাই দিয়া হয় অথবা জনাই দিয়া হয় যে এনে বেআইনী সংগঠনৰসদস্যপদ অব্যাহত ৰখাটোয়েই এটাঅপৰাধ।। এনে জ্ঞান থকা স্বত্বেও যদিতেওঁ উক্তসংগঠনৰসদস্যপদ অব্যাহত ৰাখে তেতিয়া শাস্তিৰ সন্মুখীনহ’ববিশেষকৈ যেতিয়ালৈকে ধাৰা ১০(ক)(i) থাকিব আৰু ইয়াকঅসাংবিধানিক বুলিঘোষণা কৰা নহয়।

১৭.১)এই পৰ্যায়ত উল্লেখ কৰাটো প্ৰয়োজনীয় যে কোনো ব্যক্তিক কেৱল এনে বেআইনীসংগঠনৰ সদস্য হোৱাৰ বাবেই ধাৰা ১০(ক)(i)ৰ অধীনত শাস্তি দিব নোৱাৰি। ধাৰা ১০তব্যৱহাৰকৰাভাষাটো অতি তাৎপৰ্যপূৰ্ণ। ইয়াত উল্লেখ কৰা হৈছে যে য'ত ধাৰা ৩ৰ অধীনত অধিসূচনাৰ দ্বাৰা কোনো সংগঠনক বেআইনীবুলি ঘোষণা কৰা হয়আৰু যিটো সেই ধাৰাটোৰ উপধাৰা ৩ৰ অধীনত কাৰ্যকৰীকৰাহয়। গতিকে উপ-ধাৰা ৩ৰ অধীনত ৩ নং ধাৰাত অধীনতকোনো অধিসূচনা বলবৎ হোৱাৰ পিছতহে সেই ধাৰাটোৰ পিছৰ অংশটো প্ৰযোজ্য হ’ব। “যিজনএনে সংগঠনৰ সদস্য আৰুউক্তসদস্যপদতঅধিষ্ঠিত থাকিব"এইকথাথিনিধাৰা ১০(ক)(i)তঅতি সাৱধানে লিখা হৈছে। গতিকে সঁচা ব্যাখ্যাত যদি কোনো ব্যক্তি সংগঠনৰসদস্যআছিল যদিও ঘোষণাৰ পিছত সদস্য হৈথকানাই তেন্তে তেওঁ ধাৰা১০ৰ দ্বাৰাপ্ৰভাৱিতনহয়। উদ্দেশ্য যেন এইটোৱেই যে সংগঠনটোক বেআইনীবুলিঘোষণা কৰা সময়তে তেওঁ উক্তসংগঠনৰকেৱল সদস্য হোৱাই নহয়, তেওঁ সদস্য হৈয়েই আছে।ইয়াৰ উদ্দেশ্য অতি স্পষ্ট যে কেৱল নিৰ্দিষ্ট তাৰিখতে নহয় তাৰ পিছতো আপুনি সেই সংগঠনৰসদস্যহৈয়েআছেযাকভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ স্বাৰ্থৰ বিৰুদ্ধে হোৱা অবৈধ কাৰ্য্যকলাপৰ বাবে বেআইনী সংগঠনহিচাপে ঘোষণা কৰাহৈছে।সেয়েহে, এবাৰ এটা সংগঠনক বেআইনী বুলি ঘোষণা কৰাৰ পিছত, সংশ্লিষ্ট ব্যক্তিজন যিউক্তসংগঠনৰসদস্য আছিলআৰু সেই সংগঠনক বেআইনী ঘোষণা কৰা হৈছে বুলি ভালদৰে জানিওতেওঁৰ সদস্য পদ অব্যাহত ৰাখিব বিচাৰে আৰু এতিয়াও তেনেবেআইনী কামকাজৰ অংশ হৈ থাকিব বিচাৰে তেন্তে ই তেওঁৰ এক সচেতন সিদ্ধান্ত প্ৰদৰ্শন কৰে আৰু সেয়েহে তেওঁ তেনেবেআইনী সংগঠনৰসদস্যপদটোঅব্যাহতৰখাৰবাবেদণ্ডিত হ'ব পাৰে। তেনেক্ষত্ৰতপৰৱৰ্ত্তীপৰ্য্যায়তএনেএজনলোকেমুক্তঅভিমতপ্ৰকাশৰঅধিকাৰবাধাগ্ৰস্তহোৱাৰ (**চিলিং ইফেক্ট**) অভিযোগ আনিবনোৱাৰে।

14. ওপৰতউল্লেখকৰা বিষয়সমূহ আৰু কাৰণবোৰৰ প্ৰতি লক্ষ্য ৰাখিআমিএইসিদ্ধান্তত উপনীতহওঁযে**কেৰালা ৰাজ্য বনাম ৰাণীফ,(২০১১)১এছচিচি ৭৮৪; অৰূপ ভূঞা বনাম ইউনিয়ন অফ ইণ্ডিয়া,(২০১১)৩এছচিচি ৩৭৭আৰু শ্ৰী ইন্দ্ৰ দাস বনাম অসম ৰাজ্য ২০১১(৩)এছচিচি ৩৮০**গোচৰসমূহতএইআদলতে যিসিদ্ধান্তলৈছিলযেসন্ত্ৰাসবাদী আৰু বিঘ্নিতকাৰী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৮৭ৰ ধাৰা ৩(৫)আৰু বেআইনী কাৰ্যকলাপ(প্ৰতিৰোধ) আইন, ১৯৬৭ ৰ ধাৰা ১০(ক)(i)ৰঅধীনতনিষিদ্ধ সংগঠনৰ কেৱল সদস্যপদেই কোনো ব্যক্তিক অপৰাধী বুলি গণ্য নকৰে যদিহে তেওঁ হিংসাৰ আশ্ৰয় নলয় বা মানুহক হিংসাৰ প্ৰতি উচটনি নিদিয়ে আৰু হিংসাৰ আশ্ৰয় লৈ জনশান্তিৰ বিশৃংখলতা বা বিঘিনি সৃষ্টি কৰাৰ উদ্দেশ্যেৰে কোনো কাম নকৰেআৰু উক্ত বিধানসমূহ পঢ়াৰপিছতযিদেখাযায়যে এটানিষিদ্ধ সংগঠনৰ সদস্যই অপৰাধমূলক কাৰ্যকলাপত লিপ্তহবলাগিব আৰু লগতে**মেন্স ৰিয়া**(অপৰাধ সংঘটিত কৰাৰঅভিপ্ৰায়)ৰউপাদানযোগকৰাটো যথাযথআইন নহয়।সবিশেষপৰ্যালোচনাকৰিএইটোসিদ্ধান্তকৰাহয়যে যেতিয়া কোনো সংগঠনক ধাৰা ৩ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰাবেআইনীবুলি ঘোষণা কৰা হয় আৰুযিটো সেই ধাৰাটোৰ উপধাৰা ৩ৰ দ্বাৰা কাৰ্যকৰীকৰাহয়, তেতিয়া এনে সংগঠনৰ সদস্য হৈ থকা ব্যক্তি এজনক ইউএপিএ, ১৯৬৭আইনৰ ধাৰা ১০(ক)(i)ৰ অধীনত দুবছৰলৈকে কাৰাদণ্ডআৰু জৰিমনা বিহাহব।

ইয়াৰওপৰতবিপৰীত মতামত লোৱা উচ্চ ন্যায়ালয়ৰ অন্য কোনো সিদ্ধান্তক ভাল আইন বুলি গণ্য কৰা নহব আৰু এই সিদ্ধান্তৰ দ্বাৰা বিশেষভাৱে প্ৰত্যাখ্যান কৰাহব।

সেই অনুসৰি প্ৰসঙ্গৰ উত্তৰ দিয়া হয়। ফলস্বৰূপে কেন্দ্ৰীয়চৰকাৰ আৰু অসম ৰাজ্যই দাখিল কৰা পুনৰীক্ষণৰ আৱেদনসমূহ ইয়াৰ দ্বাৰা অনুমতি দিয়াহ'ল।

এতিয়া মাননীয় মুখ্য ন্যায়াধীশ মহোদয়ৰ পৰা উপযুক্ত আদেশ লাভ কৰাৰ পিছত মূলআপীলআৰুএছ এল পিসমূহসংশ্লিষ্ট বিচাৰপীঠতশুনানীৰবাবেপেচকৰা হওক।

....................জে. (এম. আৰ. শ্বাহ)

......................জে. (চি.টি. ৰবিকুমাৰ)

......................জে. (সঞ্জয় কাৰোল)

নতুন দিল্লী,

২৪ মাৰ্চ, ২০২৩

প্ৰকাশযোগ্য

**ভাৰতৰ উষ্চতম ন্যায়ালয়**

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ

ফৌজদাৰীআপীল নং. ৮৮৯/২০০৭

লগতে

ফৌজদাৰী আপীল নং ১৩৮৩/২০০৭তপুনৰীক্ষণআবেদন (ফৌজদাৰী) নং.১৩৮৩/২০০৭

ফৌজদাৰী আপীল নং ৮৮৯/২০০৭তপুনৰীক্ষণ আবেদন (ফৌজদাৰী) নং. ৪২৬/২০১১ফৌজদাৰী আপীল নং ৮৮৯/২০০৭

এছ এল পি (ফৌজদাৰী) ৫৯৭১/২০১৯

এছ এল পি (ফৌজদাৰী) ৫৯৬৪/২০১৯

ফৌজদাৰীআপীলনং১৩৮৩/২০০৭

এছএলপি (ফৌজদাৰী)চিআৰএলএমপি নং.১৬৬৩৭/২০১৪

এছএলপি (ফৌজদাৰী) নং ৫৬৪৩/২০১৯

এছ এল পি (ফৌজদাৰী)নং ৬২৭০/২০১৯ নম্বৰত

অৰূপ ভূঞা ..... আপীলকাৰী

বনাম

অসম ৰাজ্য..... প্ৰতিপক্ষ

**ৰায়**

সঞ্জয় কাৰোল, জে.

এই আদালততদাখিলকৃতপ্ৰসংগ ৩

এই আদালততদাখিলকৃতপ্ৰসংগ ৩

ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদৰ সাধাৰণবিকাশ ৫

ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদৰ সাধাৰণ বিকাশ ৫

বিশেষকৈ, অনুচ্ছেদ ১৯(১)(গ)ৰ বিকাশ ১৩

বিশেষকৈ, অনুচ্ছেদ ১৯(১)(গ)ৰ বিকাশ ১৩

ভাৰতীয় আৰু আমেৰিকাৰ সংবিধানৰ মাজত পাৰ্থক্য ১৬

ভাৰতীয় আৰু আমেৰিকাৰ সংবিধানৰ মাজত পাৰ্থক্য ১৬

অৰূপ ভূঞাত নিৰ্ভৰ কৰা আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পটভূমি, আমদানি আৰু প্ৰাসংগিকতা ২৮

অৰূপ ভূঞাত নিৰ্ভৰ কৰা আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পটভূমি, আমদানি আৰু প্ৰাসংগিকতা ২৮

ইন্দ্ৰ দাস ৩৩ত নিৰ্ভৰ কৰা আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পটভূমি, আমদানি আৰু প্ৰাসংগিকতা

ইন্দ্ৰ দাস ৩৩ত নিৰ্ভৰ কৰা আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পটভূমি, আমদানি আৰু প্ৰাসংগিকতা

সামৰণি ৪২

সামৰণি ৪২

মোৰ সন্মানীয় সহকৰ্মী মাননীয় ন্যায়াধীশএম.আৰ.শ্বাহে আগবঢ়োৱা পাণ্ডিত্যপূৰ্ণ মতামতটো মইমনোযোগেৰেপঢ়িছোআৰুইয়াৰ সৈতে মই একমত। মোৰ অন্য একপ্ৰয়াসহ'লভাৰতত এই বিষয়টোত আইনৰ বিকাশ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ

আদালতৰ দ্বাৰা প্ৰদান কৰা সিদ্ধান্তসমূহৰ প্ৰয়োগৰ সন্ধান কৰা।মোৰ সিদ্ধান্ত তলত দিয়া ধৰণৰ:

এইআদালততদিয়াপ্ৰসংগ:

১) **অৰূপ ভূঞা বনাম অসম ৰাজ্য** (ইয়াৰ পিছত ৰেফাৰেন্স আদেশ বুলি কোৱা হ'ব) গোচৰত এই আদালতেদিয়া ২৬.০৮.২০১৪ তাৰিখৰ আদেশৰ পৰাই বৰ্তমানৰ পুনৰীক্ষণ আবেদনখন উদ্ভৱ হৈছে।উক্তআদেশটোৰকাৰ্য্যকৰী অংশটো তলত দিয়া ধৰণে পুনৰউত্থাপন কৰা হ'ল:

"**১০.** কেন্দ্ৰীয়চৰকাৰৰবিদ্বান ছলিচিটৰ জেনেৰেলশ্ৰীযুত ৰঞ্জিত কুমাৰে দাঙিধৰাগুৰুত্বপূৰ্ণযুক্তিহৈছে যে যদি সংসদৰ দ্বাৰা গৃহীত আইনৰ কোনো বিধানক কেন্দ্ৰীয়চৰকাৰঅনুপস্থিতিতযদি সীমিতপ্ৰায়োগিকৰূপতব্যাখ্যা কৰা হয়, ই ৰাজ্যখনৰ স্বাৰ্থৰ গুৰুত্বপূৰ্ণ ক্ষতি কৰিব পাৰে। ইয়াৰ কাৰণ হৈছে আইনৰ কিছুমান ব্যৱস্থা বিশেষকৈ ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা সুৰক্ষিত কৰাৰ বাবে অন্তৰ্ভুক্ত কৰা হয়আৰু যদি সেইবোৰ সঠিকভাৱে ব্যাখ্যা কৰা নহয়তেন্তেইৰাজ্যখনৰযথেষ্ট ক্ষতিকৰাৰসম্ভাৱনাথাকিযায়।

**১১.** বিদ্বান ছলিচিটৰ জেনেৰেলে যুক্তি আগবঢ়ায় যে দুজনীয়া ন্যায়াধীশ বিচাৰপীঠে নিৰ্ভৰ কৰা**[অৰূপ ভূঞা বনাম অসম ৰাজ্য, (২০১১) ৩ এছচিচি ৩৭৭: (২০১১) ১ এছচিচি (ফৌ:) ৮৫৫]**আৰু**[ইন্দ্ৰ দাস বনাম অসম ৰাজ্য, (২০১১) ৩ এছচিচি ৩৮:(২০১১)১ এছচিচি (ফৌ:)১১৫০**] গোচৰৰ ৰায়দান অধিকাৰ বিল(Bill of Rights)ৰ ওপৰত ভিত্তি কৰি দিয়া হৈছিল, যিটোভাৰতৰ সংবিধানৰ ১৯ নং অনুচ্ছেদৰ পৰা পৃথক। তেখেতে সংবিধানৰ ১৯(১)(গ) আৰু ১৯(৪) অনুচ্ছেদৰ কথা উল্লেখ কৰিছে। ১৯(১)(গ) অনুচ্ছেদত তলত দিয়া ধৰণেউল্লেখআছে:

**"১৯(১)(গ):** সংস্থা বা সংঘ গঠন কৰা;"

উক্ত প্ৰবন্ধটো অনুচ্ছেদ ১৯(৪)ৰ দ্বাৰা অধিক সীমাবদ্ধ কৰা হৈছে যিটো নিম্নলিখিত ধৰণৰ:

**১৯(৪)**উক্ত দফাৰ (গ) উপ-দফাৰ কোনো কথাই উক্ত উপ-দফাৰ দ্বাৰা প্ৰদত্ত অধিকাৰপ্ৰয়োগৰ ওপৰত, ভাৰতৰপ্ৰভুত্বআৰুঅখণ্ডতাৰঅথবাসাৰ্ব্বজনিকশৃংখলা হিতৰ বাবে, কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিযুক্ত

নিৰ্বন্ধনআৰোপকৰেসেইপৰ্য্যন্ততাৰপ্ৰৱৰ্ত্তনতপ্ৰভাৱনেপেলাবঅথবাএনেকোনোবিধিপ্ৰস্তুতক ৰাতৰাজ্যকবাধানিদিব।

ইয়াৰ ওপৰত নিৰ্ভৰ কৰি বিজ্ঞ ছলিচিটৰ জেনেৰেলৰ দ্বাৰা এইটো আলোকপাত কৰা হৈছে যে ভাৰতৰ সংবিধানৰ বিধানৰ সৈতে সামঞ্জস্য ৰাখি প্ৰণয়ন কৰা ব্যৱস্থাবোৰৰ ব্যাখ্যামূলক প্ৰক্ৰিয়াৰ ক্ষেত্ৰত মৌলিকভাৱে প্ৰযোজ্য নোহোৱা বিদেশী কৰ্তৃপক্ষৰ ওপৰত গধুৰ নিৰ্ভৰশীলতা ৰাখি ন্যায়ালয়ে এই দিশটো দৃষ্টিগোচৰ কৰা নাই।

**১২.** বিদ্বান ছলিচিটৰ জেনেৰেল আৰু বিদ্বান জ্যেষ্ঠ অধিবক্তা জয়দীপ গুপ্তা ডাঙৰীয়াইঅসম ৰাজ্যৰ হৈ উত্থাপন কৰা গুৰুত্বপূৰ্ণ বিষয়টোৰ সন্দৰ্ভত আমি বিষয়টো বহুজনীয়া বিচাৰপীঠে বিবেচনা কৰাটো উপযুক্ত বুলি ভাবো।এইবিষয়ৰওপৰত উপযুক্ত আদেশৰ বাবে পঞ্জীয়কেভাৰতৰ মাননীয় মুখ্য ন্যায়াধীশৰ আগত নথিপেচকৰক।

২.
বিবেচনাকৰাপ্ৰশ্নটোহ’লসন্ত্ৰাসবাদীআৰুবিঘ্নিতকাৰীকাৰ্য্যকলাপপ্ৰতিৰোধআইন,১৯৮৭ৰ ধাৰা৩(৫) আৰুবেআইনীকাৰ্য্যকলাপপ্ৰতিৰোধআইন,১৯৬৭ (ইয়াৰ পিছত ইউএপিএবুলি কোৱা হ’ব)ৰধাৰা১০ৰপৰিসৰসীমিতকৰাৰবাবেখণ্ডবিচাৰপীঠে(দুইজনীয়ান্যায়াধীশৰবিচাৰ পীঠ) **অৰূপভূঞাবনামঅসমৰাজ্যআৰুইন্দ্ৰদাসবনামঅসমৰাজ্য**(ইয়াৰ পিছত ‘অৰূপভূঞা’ আৰু ‘ইন্দ্ৰদাস’ বুলি কোৱা হ’ব)গোচৰতভাৰতৰমৌলিকঅধিকাৰসমূহআমেৰিকাৰসংবিধানৰ ‘Bill of Rights’ৰঅধিকাৰসমূহৰলগতসাদৃশ্যথকাৰবাবেইআমেৰিকাৰআদালতসমূহৰসিদ্ধান্তবোৰ ভাৰতৰক্ষেত্ৰতপ্ৰযোজ্যবুলিকৈএইগোচৰদুটাতপ্ৰয়োগকৰাটোশুদ্ধআছিলনেকি?

**<u>ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদৰ সাধাৰণবিকাশ</u>**

**৩.** আৰম্ভণিতে ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদ পুনৰউত্থাপন কৰাটো গুৰুত্বপূৰ্ণ যিটো তলত লিখা আছে:

১৯(১) সকলো নাগৰিকৰে এইবোৰত অধিকাৰ থাকিব –

‘(ক) বাক্ আৰু অভিব্যক্তিৰ স্বতন্ত্ৰতা;

খ) শান্তিপূৰ্ণ ভাবে আৰু বিনা অস্ত্ৰে গোট খোৱা;

**গ) সংস্থা বা সংঘ গঠন কৰা;**

ঘ) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ সৰ্বত্ৰ অবাধ চলাচল কৰা;

ঙ) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ যিকোনো অংশত থকামেলা আৰু বসতি কৰা;

চ) যিকোনো বৃত্তি চলোৱা, কিম্বা যিকোনো উপজীবিকা, বেহা-বেপাৰ বা কাৰবাৰ

চলোৱা ।

(২) দফা ১ৰ উপ-দফা(ক)ৰ কোনো কথাই উক্ত উপ-দফাৰ দ্বাৰা প্ৰদত্ত অধিকাৰপ্ৰয়োগৰওপৰত, ভাৰতৰপ্ৰভুত্বআৰুঅখণ্ডতাৰ, ৰাজ্যৰনিৰাপত্তাৰ, বিদেশীৰাজ্যৰলগতমৈত্ৰীপূৰ্ণসম্বন্ধৰসাৰ্ব্বজনিকশৃখলা, শিষ্টাচাৰওৰসদাচাৰৰহিতৰবাবেঅথবান্যায়ালয়অৱমাননা, মানহানিবাঅপৰাধপ্ৰৰোচনাসম্পৰ্কত, কোনোবৰ্ত্তমানবিধিয়েযিপৰ্য্যন্তযুক্তিযুক্তনিৰ্বন্ধনআৰোপকৰেসেইপৰ্য্যন্ততাৰপ্ৰৱৰ্ত্তনতপ্ৰভাৱ নেপেলাবঅথবাএনেকোনোবিধিপ্ৰস্তুতকৰাতৰাজ্যকবাধানিদিব।

(৩)উক্ত দফাৰ (খ) উপ-দফাৰ কোনো কথাই উক্ত উপ-দফাৰ দ্বাৰা প্ৰদত্ত অধিকাৰপ্ৰয়োগৰ ওপৰত, ভাৰতৰপ্ৰভুত্বআৰুঅখণ্ডতাৰঅথবাসাৰ্ব্বজনিকশৃখলা হিতৰ বাবে, কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিযুক্ত নিৰ্বন্ধনআৰোপকৰেসেইপৰ্য্যন্ততাৰপ্ৰৱৰ্ত্তনতপ্ৰভাৱনেপেলাবঅথবাএনেকোনোবিধিপ্ৰস্তুতক ৰাতৰাজ্যকবাধানিদিব।

৪) উক্ত দফাৰ (গ) উপ-দফাৰ কোনো কথাই উক্ত উপ-দফাৰ দ্বাৰা প্ৰদত্ত অধিকাৰপ্ৰয়োগৰ ওপৰত, ভাৰতৰপ্ৰভুত্বআৰুঅখণ্ডতাৰঅথবাসাৰ্ব্বজনিকশৃখলা হিতৰ বাবে, কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিযুক্ত নিৰ্বন্ধনআৰোপকৰেসেইপৰ্য্যন্ততাৰপ্ৰৱৰ্ত্তনতপ্ৰভাৱনেপেলাবঅথবাএনেকোনোবিধিপ্ৰস্তুতক ৰাতৰাজ্যকবাধানিদিব।

৪) ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ মতেভাৰতীয় সংবিধান প্ৰণয়নৰ সময়ত ১৯ নং অনুচ্ছেদত ‘যুক্তিসংগত বাধা’ নাছিল।১৯(২) অনুচ্ছেদত ‘যুক্তিসংগত বাধা’ শব্দটো সংবিধান (প্ৰথম সংশোধনী) আইন, ১৯৫১ৰ দ্বাৰা প্ৰৱৰ্তন কৰা

হৈছিল।এই আইনখনে ইয়াৰ উদ্দেশ্যসম্পৰ্কে উল্লেখ কৰিকৈছিল যে ভাৰতৰ সংবিধান কাৰ্যকৰী হোৱাৰ পাছতপ্ৰথম ১৫ মাহত কিছুমান অসুবিধাৰসৃষ্টি হৈছিল, বিশেষকৈমৌলিক অধিকাৰৰ অধ্যায়টোৰ সন্দৰ্ভত।সেইবোৰ বিষয়ৰ সমাধানৰ বাবেআৰুলগতেসাধাৰণ জনতাৰ স্বাৰ্থৰকথাচিন্তাকৰি।ৰাষ্ট্ৰকযুক্তিসংগত বাধা আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছিল।

৫) ইয়াৰ পিছত সংবিধান (ষোল্লনং) সংশোধনী আইন, ১৯৬৩, প্ৰণয়নকৰাহয়য'ত ৰাষ্ট্ৰক ১৯ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা স্বাধীনতাসমূহৰ ওপৰত বিশেষভাৱে ভাৰতৰ “সাৰ্বভৌমত্ব” আৰু “অখণ্ডতা”ৰ স্বাৰ্থৰ সুৰক্ষাৰ ভিত্তিত যুক্তিসংগত বাধা আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰা হয়।ইয়াৰ উদ্দেশ্য আৰু কাৰণ বাখ্যাকৰিউল্লেখ কৰা হৈছিল যে ৰাষ্ট্ৰীয় সংহতি পৰিষদে নিযুক্ত কৰা "ৰাষ্ট্ৰীয় সংহতি আৰু আঞ্চলিকতাবাদ" সমিতিৰ পৰামৰ্শৰ ভিত্তিত এই সংশোধনী আইনভাৰতৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষা কৰাতথাবজাইৰখাৰবাবে প্ৰণয়ণকৰা হৈছে।

৬) ১৯ নং অনুচ্ছেদৰ ব্যাখ্যা আৰু তাত থকা যুক্তিসংগত বাধা প্ৰয়োগৰ বিষয়ে এই আদালতে ধৰম দত্ত বনাম কেন্দ্ৰিয়চৰকাৰ[৫] (খণ্ডবিচাৰপীঠ) গোচৰত তলত উল্লেখ কৰা ধৰণে চমুভাবেকৈছে:

“৩৫. ১৯ নং অনুচ্ছেদত দেখুওৱা হৈছে যে অধিকাৰৰ এটা গোটক দফা (ক)ৰ পৰা (ছ)লৈকে তালিকাভুক্ত কৰা হৈছে আৰু নাগৰিকক প্ৰদান কৰা মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে।সকলো অধিকাৰ একমাত্ৰ উমৈহতীয়াভিত্তিৰউপৰতপ্ৰতিস্থিত নহয় বৰঞ্চ এইবোৰৰপৰিধি আৰু অন্তৰ্নিহিত দৰ্শন ভিন্ন। ১৯ নং অনুচ্ছেদৰ দফা (২)ৰ পৰা (৬)লৈকেপ্ৰস্তুত কৰাখচৰাৰ পৰা এই কথা স্পষ্টহৈছে।সংবিধান প্ৰণয়নকাৰিসকলেএনে নিষেধাজ্ঞাৰ এক উমৈহতীয়া খচৰা বনাব পাৰিলেহেঁতেন যিটো দফা (১)ত উল্লেখ কৰা মৌলিক অধিকাৰসমূহৰ পৰিচালনাৰ ওপৰত জাপি দিয়াটো অনুমোদিত আছিল, কিন্তু সেয়া কৰা হোৱা নাই।দফা (২)ৰ পৰা (৬)লৈকে এটা সাধাৰণ বিষয়বস্তু আছে, যিটো হৈছে বৰ্তমানৰ আইনসমূহৰ কাৰ্য্যকলাপ সংৰক্ষণ কৰা বা ৰাষ্ট্ৰৰ দ্বাৰা নতুন আইন প্ৰণয়ন কৰা, যেতিয়ালৈকে এই আইনসমূহে নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ যুক্তিসংগত বাধা আৰোপ কৰে।কিন্তু ১৯ নং অনুচ্ছেদৰ

দফা (১)ৰ উপ-দফা (ক)ৰ পৰা (ছ)ৰ প্ৰতিটোৰেক্ষেত্ৰত এনে আইনৰ গুণগত মান আৰু বিষয়বস্তু বেলেগ বেলেগ হ'ব যি তলত সূচীভুক্ত কৰাহৈছে।

অনুচ্ছেদ ১৯

| দফা (১) | দফা (২)ৰ পৰা (৬) |
|---|---|
| অধিকাৰৰ প্ৰকৃতি | অনুমোদিত বাধা |
| ৫) (২০০৪) ১ এছচিচি ৭১২ | |
| | প্ৰচলিত আইনৰ দ্বাৰা বা ৰাষ্ট্ৰই প্ৰণয়ন কৰাআইনৰ দ্বাৰা যুক্তিসংগত বাধা তলতউল্লেখকৰাবিষয়সমূহৰক্ষেত্ৰত আৰোপ কৰাহয়। |
| (ক) বাক আৰু মত প্ৰকাশৰ স্বাধীনতা | (i)ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা |
| | (ii) ৰাষ্ট্ৰৰ নিৰাপত্তা |
| | (iii) বিদেশী ৰাষ্ট্ৰৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক |
| | (iv) জনশৃংখলা, শালীনতা বা নৈতিকতা |
| | (v) আদালত অৱমাননা, মানহানি বা অপৰাধৰ বাবে উচটনি দিয়াৰ সম্পৰ্কত |
| (খ) শান্তিপূৰ্ণভাৱে আৰু অস্ত্ৰ অবিহনে একত্ৰিত হোৱাৰ অধিকাৰ | (i) ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা |

(ii) ৰাজহুৱা শৃংখলা

৩) সংস্থা বা সংঘ গঠনৰ অধিকাৰ

(i) ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা

(ii) ৰাজহুৱা শৃংখলা বা নৈতিকতা

ঘ) আৰু (ঙ) সমগ্ৰ ভাৰত ভূখণ্ডত মুক্তভাৱে (i) সাধাৰণ জনতা

চলাচল আৰু/বা বাস আৰু বসতি স্থাপনৰ অধিকাৰ

(ii) অনুসূচিত জনজাতিৰ স্বাৰ্থৰ সুৰক্ষা

(ছ)যিকোনো বৃত্তি চৰ্চা কৰাৰ অধিকাৰ,

বা কোনোবৃত্তিবা ব্যৱসায় চলোৱাৰ

অধিকাৰ

সাধাৰণ জনতা আৰু বিশেষকৈ তলতউল্লেখিতবিষয়ৰলগত জড়িত যিকোনো আইন

(i) যিকোনো বৃত্তিৰ অনুশীলন বা যিকোনো বৃত্তি, ব্যৱসায় বা ব্যৱসায় চলাই নিয়াৰ বাবে প্ৰয়োজনীয় পেছাদাৰী বা কাৰিকৰী অৰ্হতা

(ii) নাগৰিকক সম্পূৰ্ণ বা আংশিকভাৱে বাদ দি বা ইয়াৰঅন্যথাই হওক, ৰাষ্ট্ৰই বা ৰাষ্ট্ৰৰ মালিকানাধীন বা নিয়ন্ত্ৰিত নিগমে যিকোনো বাণিজ্য, ব্যৱসায়, উদ্যোগ বা সেৱা আগবঢ়াই নিয়া।

৩৬) ১৯ নং অনুচ্ছেদত নাগৰিকক মৌলিক অধিকাৰ প্ৰদান কৰা হৈছে। যিজন ব্যক্তি ভাৰতৰ নাগৰিক নহয় আৰু ভাৰতৰ নাগৰিক বুলি দাবী কৰিব নোৱাৰে, তেওঁ ১৯ (১) অনুচ্ছেদত প্ৰদান কৰা অধিকাৰ দাবী কৰিব নোৱাৰে আৰু ১৯ (১) অনুচ্ছেদৰ দ্বাৰা প্ৰদান কৰা অধিকাৰ তেওঁৰ বাবে উপলব্ধ নহয়। ব্যক্তি বা নাগৰিকক প্ৰদান কৰা বিধিগত অধিকাৰ যিমৌলিক অধিকাৰৰ পৰা পৃথক — আইনে এনে অধিকাৰ বঞ্চিত কৰিবলৈ সক্ষম আৰু আইনে এনে অধিকাৰ কাঢ়ি নিব পাৰে।কোনো আইনৰ দ্বাৰা মৌলিক অধিকাৰ কাঢ়ি ল'ব নোৱাৰি; আইন এখনে অধিকাৰৰ ব্যৱহাৰৰ ওপৰত যুক্তিসংগত বাধাহে আৰোপ কৰিব পাৰে। ১৯ নং অনুচ্ছেদৰ দফা (১)ত উল্লেখ কৰা কেইবাটাও অধিকাৰৰ ভিতৰত উপ-দফা (ক)তউল্লেখিত অধিকাৰ কেৱল বাক আৰু মত প্ৰকাশৰ অধিকাৰ নহয় বৰঞ্চ বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ।আনবোৰ অধিকাৰৰ উল্লেখ স্বাধীনতাৰ কথা উল্লেখ কৰি কৰা হোৱা নাই।সেইসময়ৰ মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰীয়ে "পশ্চিম বংগ চৰকাৰ বনাম সুবোধ গোপাল বসু [AIR 1954 SC 92 : 1954 SCR 587]।"গোচৰৰ সন্দৰ্ভত কৈছিল- এই স্বীকৃতিপ্ৰাপ্তঅধিকাৰসমূহ মহান আৰু মৌলিক অধিকাৰ আৰুএইঅধিকাৰসমূহক মুক্ত দেশৰ নাগৰিকৰ মৰ্যাদাৰ অন্তৰ্নিহিত প্ৰাকৃতিক অধিকাৰ হিচাপে নিশ্চিত কৰা হয়। তথাপিও কোনো স্বাধীনতা নিৰ্ঘাত আৰু অনিয়ন্ত্ৰিত হ'ব নোৱাৰেযাৰজৰিয়তেকোনোএকঅধিকাৰকসকলোধৰণৰ সংযমৰ পৰা সম্পূৰ্ণৰূপে মুক্তকৰিবপাৰি।কোনো বাধা নাথাকিলে অধিকাৰ আৰু স্বাধীনতাবোৰ হয়তো অৰাজকতা আৰু বিশৃংখলতাৰ সমাৰ্থক হৈ পৰাৰ প্ৰৱণতা থাকিব পাৰে। সংবিধানৰ প্ৰতিষ্ঠাপকসকলে সেয়েহেযুক্তিসংগতভাৱে উল্লেখিত অধিকাৰ আৰু স্বাধীনতাসমূহ উপস্থাপনকৰিছিলআৰু এনে যুক্তিসংগত বাধাসমূহ ১৯ নং অনুচ্ছেদৰ দফা (২)ৰ পৰা (৬)লৈকেউল্লেখকৰাহৈছে।

(গুৰুত্বপ্ৰদানকৰাহৈছে)

ii) ১৯(২)ৰ পৰা ১৯(৬) অনুচ্ছেদৰ অধীনত আৰোপ কৰা বাধাৰ যুক্তিসংগতা বিবেচনা কৰি এই আদালতৰ এখন সাংবিধানিক বিচাৰপীঠে মাদ্ৰাজ চৰকাৰবনাম ভি জি ৰো[৬] (পাঁচজনীয়া বিচাৰপীঠ) গোচৰত তলত দিয়া ধৰণেপৰ্যবেক্ষণকৰিছে।

“২২. এই আদালতে খাৰে গোচৰত [N.B.Khare v. State of Delhi, 1950 SCR 519 : 1950 SCC 522] ১৯ নং অনুচ্ছেদৰ দফা (৫)ৰ অধীনত ন্যায়িক পৰ্যালোচনাৰ পৰিসৰ সংজ্ঞায়িত কৰিছিল য'ত “অধিকাৰ ব্যৱহাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰা” বাক্যাংশটোও দেখা যায়। সিদ্ধান্তত অংশগ্ৰহণ কৰা পাঁচজন ন্যায়াধীশৰ ভিতৰত চাৰিজনে এই মতামত প্ৰকাশ কৰিছিল (আনজন ন্যায়াধীশে প্ৰশ্নটো অনিৰ্ণিত কৰি ৰাখিছিল) যে বিবাদিত বাধামূলক আইনখনৰ বস্তুনিষ্ঠ আৰু পদ্ধতিগত দুয়োটা দিশ যুক্তিসংগততাৰ দৃষ্টিকোণৰ পৰা পৰীক্ষা কৰা উচিত; অৰ্থাৎ আদালতে কেৱলবাধাৰ সময়সীমা আৰু পৰিসৰৰ দৰে কাৰকসমূহেই বিবেচনা কৰা উচিত নহয়, কিন্তু ইয়াকআৰোপকৰাৰঅনুমোদন কি পৰিস্থিতিত আৰু কেনেকৈ কৰা হৈছে সেই বিষয়েও বিবেচনা কৰা উচিত।

২৩) এই প্ৰসংগত এইটো মনত ৰখাটো গুৰুত্বপূৰ্ণ যে যুক্তিযুক্ততাৰ পৰীক্ষা, য'তেই নিৰ্ধাৰিত নহওক কিয়, বিবাদ কৰা প্ৰতিটো ব্যক্তিগত বিধিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা উচিত, আৰু সকলো গোচৰৰ বাবে প্ৰযোজ্য বুলি কোনো বিমূৰ্ত মানদণ্ডবা যুক্তিযুক্ততাৰ সাধাৰণ আৰ্হি নিৰ্ধাৰণ কৰিব নোৱাৰি। উলংঘা কৰা বুলি অভিযোগ কৰা অধিকাৰৰ প্ৰকৃতি, আৰোপ কৰা বাধাৰ অন্তৰ্নিহিত উদ্দেশ্য, ইয়াৰ দ্বাৰা প্ৰতিকাৰ কৰিব

১৯৫২ চনৰ এছচিআৰ ৫৯৭

বিচৰা ক্ৰুটিপূৰ্ণবিষয়ৰ পৰিসৰ আৰুপ্ৰয়োজনীয়তা, আৰোপকৰাৰক্ষেত্ৰতঅসমতা, সেই সময়ত প্ৰচলিত পৰিস্থিতি, এই সকলোবোৰ ন্যায়িক ৰায়দানৰ অংশ হ'ব লাগে” ।

(গুৰুত্বপ্ৰদানকৰাহৈছে)

iii) সংবিধানৰ ১৯ নং অনুচ্ছেদৰ অধীনত নিশ্চিত কৰা স্বাধীনতাক বাধা দিয়া আইনসমূহ অনুমোদিত নিষেধাজ্ঞাৰ শ্ৰেণীসমূহৰ এটাৰ অন্তৰ্গত হ'ব লাগিব। ইয়াৰ উপৰিও এই আইনসমূহৰ ঘনিষ্ঠ আৰু প্ৰত্যক্ষ সম্পৰ্ক থাকিব লাগিব সেইটোশ্ৰেণীৰসৈতেযিটো নিৰ্দিষ্ট শ্ৰেণীৰ অধীনত এই আইনসমূহ জাপি দিয়া হৈছে। (চাওক: বিহাৰ চৰকাৰ বনাম শৈলাবালা দেৱী[৭] (পাঁচজনীয়া বিচাৰপীঠ); O.K. Ghosh and Anr. v. E.X. Joseph (পাঁচজনীয়া বিচাৰপীঠ) আৰু শ্ৰেয়া সিংঘাল বনাম কেন্দ্ৰিয়চৰকাৰ (খণ্ডবিচাৰপীঠ)]

- iii) ১৯ নং অনুচ্ছেদৰ এই বিকাশৰঅতিকৈপ্ৰয়োজনীয়দিশসমূহ এই আদালতৰ এখন সংবিধানিক বিচাৰপীঠে Kaushal Kishor v. State of U.P. & Ors.[১০] (পাঁচজনীয়া বিচাৰপীঠ) গোচৰতউল্লেখকৰিছে।ন্যায়াধীশ ভি ৰামাসুব্ৰমণিয়ানে পুনৰ কৈছে যে ১৯(২) অনুচ্ছেদৰ অধীনত থকা বাধাসমূহ বিতং আলোচনাৰ অন্তত অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি ওপৰত আলোচনা কৰা সংবিধানৰ সংশোধনীৰ পিছত "ৰাষ্ট্ৰক ৰক্ষা কৰাআৰু সক্ষম কৰা" বাধাৰঅন্তৰ্ভুক্তকৰাহৈছেযিয়েভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা, ৰাষ্ট্ৰৰ নিৰাপত্তা ৰক্ষা কৰেআৰুঅপৰাধকৰিবলৈউচটনি দিয়াত বাধা দিয়ে।[১১]

বিশেষকৈ ১৯(১)(গ) অনুচ্ছেদৰ বিকাশ

v) ১৯(১)(গ) অনুচ্ছেদে সকলো নাগৰিককে এনে সংঘ গঠন কৰাৰ অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰে যিবোৰ অনুচ্ছেদ ১৯(৪)ৰ অধীনত যুক্তিসংগত বাধাৰ অধীনত আছে।এই যুক্তিসংগত বাধাসমূহ কেৱল সংঘ গঠনত সীমাবদ্ধ নহয় বৰঞ্চ বৈধ লক্ষ্যৰ সৈতে জড়িত সংঘৰ সুচাৰুপৰিচালনালৈকেবিস্তৃত। [A.P.DairyDevelopmentCorpn.Federationv.B. NarasimhaReddy[১২] (খণ্ডবিচাৰপীঠ)]

vi) এই আদালতৰ এখন সাবিধানিক বিচাৰপীঠে ৰঘুবৰ দয়াল জয় প্ৰকাশ বনাম কেন্দ্ৰীয় চৰকাৰ[১৩] (পাঁচজনীয়া বিচাৰপীঠ) গোচৰত, ১৯ (১)(গ) অনুচ্ছেদৰলগতজড়িত বিধিসমূহে আৰোপ কৰা

৭) এ আই আৰ ১৯৫২ এছ চি ৩২৯

৮) এ আই আৰ ১৯৬৩ এছ চি ৮১২

৯.(২০১৫) ৫ এছচিচি ১

10. ২০২৩ চনৰ এছচিচি অনলাইন ৬

১১) অনুচ্ছেদ ২৯-৩১

১২.(২০১১) ৯ এছচিচি ২৮৬

১৩) এ আই আৰ ১৯৬২ এছ চি ২৬৩

নিষেধাজ্ঞত বিশেষভাবে উল্লেখ কৰিছিল আৰু পৰ্যবেক্ষণ কৰিছিল যে:

“১১. ... আইনৰ অধীনত কাম কৰাৰ উদ্দেশ্যে সংঘৰ স্বীকৃতিৰ বাবে কৰা আবেদন সংঘৰ স্বেচ্ছামূলক কাৰ্য্যআৰু যদি বিধিখনে এনে চৰ্ত আৰোপ কৰে যাৰ অধীনত স্বীকৃতি প্ৰদান বা স্বীকৃতিঅব্যাহত ৰাখিব পৰা যায়, তেন্তে সংঘ গঠনৰ স্বাধীনতা কেনেকৈ প্ৰভাৱিত হয় সেয়া সহজেই দেখা যায় যদিহে, অৱশ্যেই, সেই স্বাধীনতাই স্বীকৃতিৰ নিশ্চিত অধিকাৰকো বুজায় বা জড়িত কৰে”।

vii) তদুপৰি, এই আদালতে ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদৰ অধ্যাদেশ ২০০১ৰ সাংবিধানিক বৈধতা বিবেচনা কৰি ধৰ্ম দত্ত (উপৰোক্ত) গোচৰত, নিৰ্ধাৰিত আইনী স্থিতিৰ সন্ধান কৰি থকাৰ সময়তে পুনৰ কয় যে অনুচ্ছেদ ১৯(১৯)ৰ দ্বাৰা প্ৰদান কৰা অধিকাৰৰ ওপৰত বাধা আৰোপ কৰিব পাৰি। ১)(গ)। দেখা গ'ল যে এই অধিকাৰ সেই বাধাৰ অধীনত থাকিব পাৰে যিবোৰসংবিধানৰ ১৯(৪) অনুচ্ছেদৰ দ্বাৰা মূল্যায়ন কৰা হয়।

viii) জামাত-ই-ইছলামী হিন্দ বনাম কেন্দ্ৰীয় চৰকাৰৰ[১৪] গোচৰ, যিটোইউএপিএৰ সৈতে জড়িত, বিচাৰৰসময়ত (তিনিজনীয়া বিচাৰপীঠ), অনুচ্ছেদ ১৯(৪)ৰ অধীনত এনে অধিকাৰৰ ওপৰত আৰোপ কৰিব পৰা বাধাৰ লগতে প্ৰাকৃতিক ন্যায়ৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত, তলত দিয়া ধৰণে কোৱা হৈছিল:

“২০. ... এই আইনৰ অধীনত এই আঁচনিখনে বিতৰ্কৰ এই ধৰণে বিচাৰৰ প্ৰয়োজনীয়তা প্ৰদান কৰি পৰোক্ষভাবেইয়াকেবুজাই যে বিচাৰক অৰ্থপূৰ্ণ কৰিবলৈ প্ৰাকৃতিক ন্যায়ৰ নূন্যতম প্ৰয়োজনীয়তা পূৰণ কৰিব লাগিব।নিঃসন্দেহে এই ধৰণৰ গোচৰত প্ৰাকৃতিক ন্যায়ৰ প্ৰয়োজনীয়তা জনস্বাৰ্থ ৰক্ষাৰ বাবে তৈয়াৰ কৰিব লাগিব আৰুসকলোক্ষুদ্ৰস্বাৰ্থৰউৰ্ধতহবলাগিব।এই কথাও স্পষ্ট যে আইনখনৰ ধাৰা ৩ৰ উপধাৰা (২)ৰ বিধানে নিজেই কেন্দ্ৰীয় চৰকাৰক এনে তথ্য প্ৰকাশ কৰাটো বন্ধ কৰিবলৈ অনুমতি দিয়ে যিবোৰ প্ৰকাশ কৰাটো জনস্বাৰ্থৰ বিৰুদ্ধে বুলি এইবিধানেবিবেচনা কৰে।একেদৰে নিয়ম ৩(২) আৰু অবৈধ কাৰ্য্যকলাপ (প্ৰতিৰোধ) নিয়ম, ১৯৬৮ৰ নিয়ম ৫ৰ বিধানেও গোপনীয় নথি-পত্ৰ আৰু তথ্য প্ৰকাশ নকৰাৰ অনুমতি দিয়ে যিবোৰ প্ৰকাশ কৰিলেচৰকাৰে জনস্বাৰ্থৰ বিৰুদ্ধাচৰনকৰাহববুলি বিবেচনা কৰে।”

"২৬. সংবিধানৰ ১৯(১)(গ) অনুচ্ছেদে প্ৰদান কৰা স্বাধীনতাৰ ওপৰত ১৯(৪) অনুচ্ছেদৰদ্ধাৰাঅনুমোদিত বাধা যুক্তিসংগত হ'ব লাগিব।"

(গুৰুত্বপ্ৰদানকৰাহৈছে)

**<u>ভাৰতৰ আৰু আমেৰিকাৰ সংবিধানৰ মাজত পাৰ্থক্য</u>**

ওপৰৰ আলোচনাৰ প্ৰতি লক্ষ্য ৰাখি এতিয়া তলতউল্লেখকৰাউধৃতিৰজৰিয়তেআমেৰিকাৰ সংবিধানৰ প্ৰথম সংশোধনীৰ বিষয়ে বিবেচনা কৰিবলৈআগবঢ়াহওক:

(ix) "কংগ্ৰেছে ধৰ্মক সন্মান জনাই, বা ইয়াৰ মুক্ত ব্যৱহাৰ নিষিদ্ধ কৰা কোনো আইন প্ৰণয়ন নকৰিব; বা বাক স্বাধীনতাক সংক্ষিপ্ত কৰা, বা সংবাদ মাধ্যমৰ স্বাধীনতাক সংক্ষিপ্ত কৰা; বা জনসাধাৰণৰ শান্তিপূৰ্ণভাৱে একত্ৰিত হোৱাৰ অধিকাৰ, আৰু অভিযোগৰ প্ৰতিকাৰৰ বাবে চৰকাৰৰ ওচৰত আবেদন কৰাৰ অধিকাৰৰক্ষেত্ৰতআইনপ্ৰণয়ণনকৰিব।"

x) আমেৰিকাৰ সংবিধানৰ প্ৰথম সংশোধনী আৰু ভাৰতীয় সংবিধানৰ ১৯ অনুচ্ছেদে সৃষ্টি কৰা অধিকাৰৰ মাজত বৈপৰীত্য এয়েযে ভাৰতত এনে স্বাধীনতাক যুক্তিসংগতভাৱে বাধা দিয়া আইন প্ৰণয়নৰ ক্ষমতা ৰাষ্ট্ৰক দিয়া হৈছে।ইয়াৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰত অৰূপ ভূঞা আৰু ইন্দ্ৰ দাসৰ গোচৰৰক্ষেত্ৰত নিৰ্ভৰ কৰা ধৰণে ন্যায়পালিকাৰ দ্বাৰা বাধা আৰোপ কৰা হৈছে যদিও বিধানসভাৰ ওচৰত এনে কোনো স্পষ্ট ক্ষমতা উপলব্ধ নহয়।

xi) এই পাৰ্থক্য এই আদালতেও স্পষ্টকৈ উল্লেখ কৰিছে।বাবুলাল পাৰাটে বনাম মহাৰাষ্ট্ৰ ৰাজ্য[১৫]গোচৰতভাৰতৰ কেন্দ্ৰীয় চৰকাৰে দাখিল কৰা অনুসৰি, এই আদালতৰ এখন সাংবিধানিক বিচাৰপীঠে (পাঁচজনীয়া বিচাৰপীঠ) ফৌজদাৰী আইনৰধাৰা ১৪৪ৰ সাংবিধানিক বৈধতা ৰক্ষা কৰাৰ লগতেৰায় দিছে যে আমেৰিকাত স্থানযিয়েই নহওক কিয়, Anticipatory Action ফৌজদাৰী আইনৰ১৯ নং অনুচ্ছেদৰ দফা (২) আৰু (৩)ৰ অধীনত অনুমোদিত, যিয়ে বিধায়িনী দলক ১৯ নং অনুচ্ছেদৰ এই দফাসমূহে প্ৰদান কৰা অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰি আইন প্ৰণয়ন কৰিবলৈ অনুমতি দিয়ে। গুৰুত্বপূৰ্ণ কথাটো হ'ল এই আদালতে আৰু লক্ষ্য কৰিলে যে ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদৰ দফা (২)ৰ পৰা (৬)ৰ সৈতে মিল থকা আমেৰিকাৰ

সংবিধানত একোৱেই নাই। ইয়াৰ উপৰিও দেখা গ'ল যে ভাৰতীয় সংবিধানৰ কাঠামো আমেৰিকাৰ সংবিধানতকৈ পৃথক।

xii) উপৰতউল্লেখকৰাবাবুলালপাৰাতেগোচৰতযিধৰণেকোৱাহৈছিল, সেইয়ামধু লিমায়ে বনাম মহকুমাধিপতি[১৬]গোচৰত (সাতজনীয়াবিচাৰপীঠ) পুনৰ দৃঢ়তাৰে কোৱাহৈছেযেএইআদলতেফৌজাদাৰিআইনৰ১৪৪ধাৰাৰবিষয়েআলোচনাকৰাৰসময়ততথা আৰোপ কৰিব পৰা বাধাৰ পৰিসৰৰবিষয়েআলোচনাকৰাৰসময়তলক্ষ্যকৰিছেযেআমেৰিকাত ভাৰতৰ দৰে প্ৰথম সংশোধনীৰ স্বাধীনতাসমূহৰ কোনো অৰ্হতা নাই আৰু আমেৰিকাৰ ৰায়দানসমূহ আমাৰ সংবিধানত[১৭] ভুলভাবে প্ৰয়োগ কৰাৰ থলআছে।

xiii) তদুপৰি গোচৰটোত অৰ্থাৎ ইণ্ডিয়ান এক্সপ্ৰেছ নিউজপেপাৰছ (বম্বে) প্ৰাইভেট লিমিটেডআৰুঅন্যান্য বনাম ইউনিয়ন অৱ ইণ্ডিয়া আৰুঅন্যান্য[১৮] (তিনিজনিয়াবিচাৰপীথ), ই.এছ ভেংকট্ৰামাইয়া জে.লক্ষ্য কৰিলে যে–

৪৪) সংবিধানৰ ১৯(১)(ক) অনুচ্ছেদ উলংঘা কৰা বুলি অভিযোগ কৰা আইন এখনৰ সাংবিধানিকতা পৰীক্ষা কৰিলে আমি নিঃসন্দেহে কেৱল আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ দ্বাৰা পৰিচালিত হ'ব নোৱাৰো। কিন্তু বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ মৌলিক নীতি আৰু গণতান্ত্ৰিক দেশত তাৰ প্ৰয়োজনীয়তা বুজিবলৈ হ'লে আমি হয়তো সেইবোৰৰ প্ৰতি লক্ষ্য ৰাখিব পাৰো। আমাৰ সংবিধানৰ ১৯(১)(ক) অনুচ্ছেদ আৰু ১৯(১)(ছ) অনুচ্ছেদৰ আৰ্হি আমেৰিকাৰ সংবিধানৰ প্ৰথম সংশোধনীৰ আৰ্হিৰ পৰা নিশ্চয়পৃথক । সংবিধানৰ অনুচ্ছেদ ১৯(১)(ক) আৰু অনুচ্ছেদ ১৯(১)(ছ)য়েকিছুমানঅধিকাৰৰনিশ্চয়তা প্ৰদানকৰেআৰুএইবোৰ১৯নংঅনুচ্ছেদৰদফা (২) আৰু (৬) ৰসৈতেসংগতিৰাখিবিবেচনাকৰিবলাগিব, যতবৈধআইনপ্ৰণয়নকৰিব পৰা ক্ষেত্ৰসমূহনিৰ্দিষ্টকৰাহৈছে।

১৪ (১৯৯৫) ১ এছচিচি ৪২৮, ১৫ (১৯৬১) ৩ এছচিআৰ ৪২৩, ১৭ দফা ১৭ আৰু ২৮,

১৮ (১৯৮৫) ১ এছচিচি ৬৪১, ১৯ (২০০৪) ২ এছচিচি ৫১০, ২০ দফা ৭৭

xiv) ভাৰত চৰকাৰ বনাম নবীন জিন্দাল আৰু আন এজন[19] (তিনিজনীয়া বিচাৰপীঠ)গোচৰত এই আদালতে নাগৰিকৰ ৰাষ্ট্ৰীয় পতাকা উৰোৱাৰ অধিকাৰৰ বিষয়টো আলোচনা কৰাৰ সময়ত বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰৰ বিষয়ত ভাৰতৰ সংবিধান আৰু আমেৰিকাৰ সংবিধানৰ মাজত থকা পাৰ্থক্য লক্ষ্য কৰে। এই পাৰ্থক্য হ'ল আমেৰিকাত প্ৰথম সংশোধনীত নাগৰিকক মুক্ত মত প্ৰকাশৰ নিৰ্ঘাত অধিকাৰ দিয়া হৈছে যদিও ১৯(১)(ক) অনুচ্ছেদৰ অধীনত কোনো নিৰ্ঘাত অধিকাৰ প্ৰদান কৰা হোৱা নাই। ইয়াত কেৱল যোগ্য অধিকাৰৰ ব্যৱস্থা কৰা হৈছে, যিটো ১৯.[২০] অনুচ্ছেদৰ ২ নং দফাত থকা নিয়ন্ত্ৰণমূলক ব্যৱস্থাৰ অধীনত। আমেৰিকাৰ সংবিধানত সন্নিৱিষ্ট অধিকাৰ বিল আৰু ভাৰতীয় সংবিধানত উল্লেখ কৰা মৌলিক অধিকাৰৰ মাজৰ এই পাৰ্থক্য অধীক্ষক, কেন্দ্ৰীয় কাৰাগাৰ বনাম ড° ৰামমনোহৰলোহিয়া[২১](পাঁচজনীয়াবিচাৰপীঠ), কেৰালা ৰাজ্য[২২] (সাতজনীয়া বিচাৰপীঠ); এম.চি. মেহতা বনাম ইউনিয়ন অৱ ইণ্ডিয়া[২৩] (শ্ৰীৰাম – অলিয়াম গেছ) (পাঁচজনীয়া বিচাৰপীঠ); অশোক কুমাৰ ঠাকুৰ বনাম ইউনিয়ন অৱ ইণ্ডিয়া[২৪] (দুজনীয়া বিচাৰপীঠ) আৰু জয়েন্দ্ৰ বিষ্ণু ঠাকুৰ বনাম মহাৰাষ্ট্ৰ ৰাজ্য[২৫] (দুজনীয়া বিচাৰপীঠ) গোচৰতো লক্ষ্য কৰা হৈছিল।

(xv) ৰামলীলা ময়দান কাণ্ডৰ গোচৰত, In re (2012) 5 SCC 1 (দুজনীয়াবিচাৰপীঠ), ভাৰত চৰকাৰে আমেৰিকাই Schneck v. United States[26]ৰ গোচৰত 'the doctrine of clear and present danger' মতবাদ ব্যৱহাৰ কৰা কৰাৰ বিৰুদ্ধে যুক্তি আগবঢ়ায়। আদালতে এই যুক্তি নাকচ কৰি কয় যে আমেৰিকাৰ মতবাদ ভাৰতত প্ৰয়োগ কৰিব নোৱাৰি। ভাৰতত বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ যুক্তিসংগত নিষেধাজ্ঞাৰ অধীনত আছে, যাৰ ফলত ভাষা, প্ৰয়োগ আৰু ব্যাখ্যাৰ ক্ষেত্ৰত ই আমেৰিকাৰ আইনতকৈ পৃথক।

২১ (১৯৬০) ২ এছচিআৰ ৮২১

২২ (১৯৭৮) ২ এছচিচি ১

২৩ (১৯৮৭) ১ এছচিচি ৩৯৫

২৪ (২০০৮) ৬ এছচিচি ১

২৫ (২০০৯) ৭ এছচিচি ১০৪

২৬ ২৪৯ ইউ এছ ৪৭ (১৯১৯)

২৭ দফা ৮

২৮দফা৯-১১

xvi) শ্ৰেয়া সিংঘল (ওপৰত উল্লেখ কৰা)গোচৰত, আৰ.এফ. নৰিমান, জে.য়েএই আদালতৰ জৰিয়তে ১৯(২) অনুচ্ছেদৰ লগত অনুচ্ছেদ ১৯(১)(ক)ৰ অধীনত আমেৰিকাৰ প্ৰথম সংশোধনী আৰু বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ মাজৰ পাৰ্থক্যৰ ওপৰত তলত উল্লেখ কৰা ধৰণে আলোকপাত কৰে:

১৫. প্ৰথমে ১৯(২) অনুচ্ছেদৰ লগতে আমেৰিকাৰ প্ৰথম সংশোধনী আৰু ১৯(১)(ক) অনুচ্ছেদৰ মাজৰ পাৰ্থক্য লক্ষ্য কৰাটো তাৎপৰ্যপূৰ্ণ। প্ৰথম গুৰুত্বপূৰ্ণ পাৰ্থক্যটো হ'ল আমেৰিকাৰ প্ৰথম সংশোধনী চৰ্তহীন—কংগ্ৰেছে বাক স্বাধীনতাক সংক্ষিপ্ত কৰা কোনো আইন প্ৰণয়ন নকৰিব। দ্বিতীয়তে, আমেৰিকাৰ প্ৰথম সংশোধনীত "প্ৰকাশ"ৰ কোনো উল্লেখ নকৰাকৈয়ে বাক স্বাধীনতা আৰু সংবাদ মাধ্যমৰ কথা কোৱা হৈছে যদিও ১৯(১)(ক) অনুচ্ছেদত "প্ৰেছ"ৰ কোনো উল্লেখ নকৰাকৈ বাক স্বাধীনতাৰ কথা কোৱা হৈছে। তৃতীয়তে, আমেৰিকাৰ সংবিধানৰ অধীনত speech সংক্ষিপ্ত হ'ব পাৰে, আনহাতে আমাৰ সংবিধানৰ অধীনত যুক্তিসংগত নিষেধাজ্ঞা আৰোপ কৰা হ'ব পাৰে। চতুৰ্থতে, আমাৰ সংবিধানৰ অধীনত এনেবাধা আঠটা নিৰ্দিষ্ট বিষয়ৰ স্বাৰ্থত হ'ব লাগিব— অৰ্থাৎ বাক স্বাধীনতাৰ ওপৰত বাধা আৰোপ কৰিব বিচৰা যিকোনো আইনক ১৯(২) অনুচ্ছেদত উল্লেখ কৰা আঠটা বিষয়ৰ যিকোনো এটাৰ সৈতে জড়িত হ'লেহে বৈধ বুলি গণ্য কৰিব পাৰি।"

১৭) দ্বিতীয়টো আপাত পাৰ্থক্যৰ ক্ষেত্ৰত আমেৰিকাৰ উষ্চতম ন্যায়ালয়ে বাক স্বাধীনতাৰ অংশ হিচাপে "প্ৰকাশ"ক অন্তৰ্ভুক্ত কৰিছে আৰু এই আদালতে

“প্ৰেছ”ক ১৯(১)(ক) অনুচ্ছেদৰ অধীনত সামৰি লোৱা বুলি অন্তৰ্ভুক্ত কৰিছে, যাতে ন্যায়িক ব্যাখ্যাৰ ক্ষেত্ৰত আমেৰিকা আৰু ভাৰত দুয়োখন দেশেই বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাৰ লগতে সংবাদ মাধ্যমৰ স্বাধীনতাক সুৰক্ষিত কৰে। সংক্ষিপ্তকৰণ আৰু যুক্তিসংগত বাধাৰ ক্ষেত্ৰত আমেৰিকাৰ উচ্চতম ন্যায়ালয় আৰু এই আদালত উভয়ে ৰায় দিছে যে বাধা যুক্তিসংগত হ’বলৈ হ’লে সংকীৰ্ণভাৱে প্ৰস্তুত কৰা বা সংকীৰ্ণভাৱে ব্যাখ্যা কৰিব লাগিব যাতে কেৱল একেবাৰে প্ৰয়োজনীয়খিনিহে সংক্ষিপ্ত বা নিষিদ্ধ কৰিব পৰা যায়। আঠটা বিষয়-বস্তুৰ কথা আহিলেহে বিশাল পাৰ্থক্য দেখা যায়। আমেৰিকাত যদি কোনো গুৰুত্বপূৰ্ণ চৰকাৰী বা সামাজিক লক্ষ্যত উপনীত হ’বলৈ বাধ্যতামূলক প্ৰয়োজনীয়তা থাকে, তেন্তে বাক স্বাধীনতাক সংক্ষিপ্ত কৰা আইন এখন গৃহীত হ’ব পাৰে। কিন্তু ভাৰতত এনে আইন সাধাৰণ জনতাৰ স্বাৰ্থত হ’লে গৃহীত হ’ব নোৱাৰে। এনে আইন ১৯(২) অনুচ্ছেদৰ অধীনত উল্লেখ কৰা আঠটা বিষয়ৰ যিকোনোএটাবিষয়ৰঅন্তৰ্ভুক্তহবলাগিব। যদি নহয়, আৰু ১৯(২) অনুচ্ছেদৰ পৰিসৰ বাহিৰত থাকে, তেন্তে ভাৰতীয় আদালতে এনে আইনক বাদ দিব।”

১৮) বাক স্বাধীনতাআৰু মত প্ৰকাশৰ স্বাধীনতাৰ বিষয়বস্তু আৰু ইয়াৰ উলংঘাৰ ক্ষেত্ৰত নিৰ্ধাৰিতমাপকাঠীৰ ওপৰত আমেৰিকাৰ ৰায়দানেযথেষ্টপ্ৰভাবপেলায়।সাধাৰণ জনস্বাৰ্থৰকথা আহিলেহে এক বৃহৎ পাৰ্থক্য দেখা যায়।”

(গুৰুত্ব দিয়া হৈছে)

২৮ দফা ৯ – ১১, ২৯দফা২০২ (iii) আৰু২০৩, ৩০ (১৯৫৯) এচচিআৰ১২

২২) শ্ৰেয়া সিংঘলৰ (উপৰোক্ত) গোচৰত ওপৰত উল্লেখ কৰা সিদ্ধান্তটোঅনুসৰণকৰাহৈছে, শেহতীয়াকৈ কৌশল কিশোৰ (উপৰোক্ত) গোচৰত

ন্যায়াধীশ বি.ভি.নাগাৰত্নইঁ১৯ নং অনুচ্ছেদৰ অধীনত বাক আৰু মত প্ৰকাশৰ স্বাধীনতা বিশ্লেষণ কৰিতেওঁৰ পাণ্ডিত্যপূৰ্ণমতামতপ্ৰদানকৰোতে।[২৯]

২৩) আমেৰিকাৰ সংবিধান, বিশেষকৈ ইয়াৰ প্ৰথম সংশোধনী আৰু ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদৰ মাজত বিভিন্ন সিদ্ধান্তত এই আদালতে উল্লেখ কৰা পাৰ্থক্যটো ওপৰত উল্লেখ কৰা হৈছে।

২৪) অৱশ্যে এনে কিছুমান গোচৰ আছে য'ত এই আদালতে বিবেচনা কৰি আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰওপৰতআলোকপাতকৰিছে।উদাহৰণস্বৰূপে, এক্সপ্ৰেছ নিউজপেপাৰছ (প্ৰাইভেট) লিমিটেড আৰু আনএজন বনাম ইউনিয়ন অৱ ইণ্ডিয়াআৰুঅন্যান্য[৩০] (পাঁচজনীয়া বিচাৰপীঠ)গোচৰত কৰ্মৰত সাংবাদিক (সেৱাৰ চৰ্ত) আৰু বিবিধ বিধান আইন, ১৯৫৫ৰ সাংবিধানিকতাক লৈ প্ৰশ্ন উত্থাপন হৈছিল।

ন্যায়াধীশ এন.এইচ.ভাগৱতীয়ে লক্ষ্য কৰিছিলযে যিহেতু আমাৰ সংবিধানৰ ১৯(১)(ক) অনুচ্ছেদ আমেৰিকাৰ সংবিধানৰ প্ৰথম সংশোধনীৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে, গতিকে "এই অধিকাৰৰ প্ৰকৃত প্ৰকৃতিআৰু পৰিসৰৰবিষয়ে বুজিবলৈ" আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহৰ উল্লেখ কৰাটো "বৈধ আৰু উপযুক্ত" হ'ব। এই পৰ্যবেক্ষণ কৰাহৈছেষ্টেট অৱ ট্ৰেভানকোৰ – কোচিন আৰুঅন্যান্য বনাম বম্বে কোম্পানী লিমিটেড[৩১] (পাঁচজনীয়া বিচাৰপীঠ) আৰু ষ্টেট অৱ বম্বে বনাম আৰ.এম.ডি. চামাৰবাউগৱালা[৩২] (পাঁচজনীয়া বিচাৰপীঠ)গোচৰত। সেই সময়তগোচৰতদিয়াসতৰ্কবাণীসমূহৰওপৰতবিবেচনাকৰাস্বত্তেওএইটো কৰা হৈছিল, "সংবিধানৰ ১৯(১)(ক) অনুচ্ছেদৰ অধীনত সন্নিৱিষ্ট এই মৌলিক বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ প্ৰকৃতিআৰু পৰিসৰৰ ওপৰত ভাৰতত কৰ্তৃত্বৰ অভাৱ"ক যথাযথভাৱে স্বীকৃতি দিয়াৰ পিছত।

২৫) ন্যায়াধীশ এন এইচ ভাগৱতীৰ এই পৰ্যবেক্ষণক আৰু অধিক অনুসৰণ কৰা হৈছে ৰিলায়েন্স পেট্ৰ'কেমিকেলছ লিমিটেড বনাম ইণ্ডিয়ান এক্সপ্ৰেছ নিউজপেপাৰছৰ মালিক, বম্বে প্ৰাইভেট লিমিটেডআৰু অন্যান্যগোচৰত।[৩৩] (দুজনীয়াবিচাৰপীঠ) য'ত আলোচনাৰ বিষয়টো আছিল ১৯ নং অনুচ্ছেদৰ প্ৰেছৰ স্বাধীনতাৰ ওপৰতপ্ৰভাৱ।

নেব্ৰাস্কা প্ৰেছ এছ'চিয়েচন বনাম হিউ ষ্টুয়াৰ্ট[৩৫], জন ডি পেনেকামো বনাম ষ্টেট অৱ ফ্ল'ৰিডা[৩৬]আৰু এটৰ্নী জেনেৰেল বনাম ব্ৰিটিছ ব্ৰডকাষ্টিং কৰ্প'ৰেশ্যন[৩৭]গোচৰত আমেৰিকা আৰু ব্ৰিটেইনৰ সিদ্ধান্তৰ উল্লেখ কৰি আদালতে ৰায় দিছিল যে যিটোবাধালৈপ্ৰশ্নউত্থাপিতহৈছেসেইটো চলি থকাৰ কোনো কাৰণ নাই।

২৬) আৰ.কে. গাৰ্গ বনাম ইউনিয়ন অৱ ইণ্ডিয়া[৩৬](পাঁচজনীয়া বিচাৰপীঠ)গোচৰতএকসাংবিধানিক বিচাৰপীঠে অৰ্থনৈতিক আইনসমূহৰ বৈষম্যৰ পৰা সকাহ পাবলৈ আদালতসমূহক ন্যায়াধিকৰণলৈ ৰূপান্তৰিত কৰিব নোৱাৰিব বুলিসিদ্ধান্তদিবলৈআমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ মৰে বনাম ডাউড আৰু চেচি. কৃষি বনাম চেণ্ট্ৰেল ৰইগ ৰিফাইনিং কোম্পানীৰগোচৰৰসিদ্ধান্তকঅনুসৰণকৰিছে।

৩১ ১৯৫২ এছচিআৰ ১১১২

৩২ ১৯৫৭ এছচিআৰ ৮৭৪

৩৩ (১৯৮৮) ৪ এছচিচি ৫৯২

৩৪ দফা ১০।

৩৫ ৪২৭ ইউ এছ ৫৩৯

৩৬ (১৯৪৫) ৯০ এল এড ৩৩১

৩৭ (১৯৭৯) ৩ সকলো ই আৰ ৪৫

৩৮ দফা ২০ – ২২, ৩৮।

৩৯ (১৯৮১) ৪ এছচিচি ৬৭৫

৪০ ৩৫৪ ইউ এছ ৪৫৭ (১৯৫৭)

৪১ ৩৩৮ ইউ এছ ৬০৪ (১৯৪৯)

৪২ দফা ৮।

২৭) ইয়াত লৰ্ড ডেনিঙৰ ঘনী বনাম জ'নছ[৪৩] গোচৰত কৰা এটা পৰ্যবেক্ষণ পুনৰ উল্লেখ কৰা কৰাটোপ্ৰয়োজনীয়, যিটো মানেকা গান্ধী বনাম ইউনিয়ন অৱ ইণ্ডিয়া[৪৪] (সাতজন ন্যায়াধীশ বিচাৰপীঠ) গোচৰত অনুমোদন জনাই উদ্ধৃত কৰা হৈছে।ইয়াত লিখা আছে, "ইংলেণ্ডৰ আইন অনুসৰি মানুহৰ গতিবিধিৰ স্বাধীনতাক ইমানেই উচ্চভাৱে গণ্য কৰা হয় যে নিশ্চিত ভিত্তিৰ বাহিৰে ইয়াক বাধা দিব নালাগে"। গতিকে, যথোপযুক্তআইনীব্যৱস্থাৰঅন্তৰ্গতআইনপৰিষদেকোনোসঠিকবাউপযুক্তকাৰণতব্যক্তিগত স্বাধীনতাৰওপৰতবাধাআৰোপকৰিবপাৰেবিশেষকৈনিষিদ্ধঘোষিতঅনুস্থানৰসৈতেসংযোগ স্থাপনকৰাৰক্ষেত্ৰত।

২৮) যিবোৰগোচৰৰসিদ্ধান্তৰক্ষেত্ৰতআমেৰিকাৰউচ্চতমন্যায়ালয়ৰৰায়দানৰওপৰতনিৰ্ভৰকৰা হৈছেবাহোৱানাই, তেনেদুয়োটাপ্ৰকৃতিৰসিদ্ধান্তৰগভীৰভাবেঅধ্যয়ন কৰাৰ উদ্দেশ্য হৈছে এইটো প্ৰমাণ কৰা যে কিছুমান বিশেষ ক্ষেত্ৰত সেই ৰায়ৰ উল্লেখ ন্যায্য। এনে উল্লেখক, কোৱা অপ্ৰয়োজনীয়যে আমাৰ নিজৰ সাংবিধানিক, বিধানসভাৰ লগতে ন্যায়িক, ঐতিহাসিক দৃষ্টিভংগীৰ জৰিয়তে মূল্যায়ন কৰিব লাগিব।

৪৩ (১৯৭০) ১ কিউবি ৬৯৩, ৪৪ (১৯৭৮) ১ এছচিচি ২৪৮

কিন্তুএকমাত্ৰএইটোবেইঅৰূপ ভূঞা আৰু ইন্দ্ৰ দাসৰগোচৰৰক্ষেত্ৰত কৰা ধৰণে সিদ্ধান্তত উপনীত হোৱা একমাত্ৰ ভিত্তি গঠন কৰিব নোৱাৰে।

২৯) পূৰ্বতে উল্লেখিত পটভূমিত ইয়াৰ উত্তৰ দিবলৈ হ'লে অৰূপ ভূঞা আৰু ইন্দ্ৰ দাসৰ ক্ষেত্ৰত নিৰ্ভৰ কৰা কথাবোৰৰ অনুসৰণকৰাটো অতি প্ৰয়োজনীয়। আমি এই সিদ্ধান্তসমূহৰ মূল্যায়নৰ পিছতহে আমাৰ সন্মুখৰ পৰিস্থিতিত ইয়াৰ প্ৰয়োগ ফলপ্ৰসূভাৱে পৰীক্ষা কৰিব পাৰো।

<u>আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পটভূমি আৰু প্ৰাসংগিকতাযিটো অৰূপ ভূঞাগোচৰৰ ক্ষেত্ৰত কৰা হৈছিল</u>

৩০) অৰূপ ভূয়াৰ গোচৰত দুজন ন্যায়াধীশৰ বিদ্বান বিচাৰপীঠে এলফব্ৰেণ্ড বনাম ৰাছেল[৪৫], ক্লেৰেন্স ব্ৰেণ্ডেনবাৰ্গ বনাম ষ্টেট অৱ অহাইঅ'[৪৬] আৰু

আমেৰিকা বনাম ইউজিন ফ্রেংক ৰবেল[৪৭] গোচৰত আমেৰিকাৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিছিল য'ত "guilt by association" মতবাদ নাকচ কৰা হৈছে।

আদালতে লক্ষ্য কৰিলে যে ওপৰত উল্লেখ কৰা ৰায়দানসমূহ ভাৰতৰ ক্ষেত্ৰতো প্ৰযোজ্য, যিহেতু ভাৰতৰ মৌলিক অধিকাৰসমূহৰ আমেৰিকাৰ "Bill of Rights"সৈতে মিল আছে।

তদুপৰি এই আদালতে S.3(5) TADA ৰ অধীনত আপীলকাৰীৰ দোষী সাব্যস্ত হোৱাটো বাতিল কৰাৰ সময়ত লক্ষ্য কৰিছিল:

"১২. আমাৰ মতে ধাৰা ৩(৫)ক আক্ষৰিক অৰ্থত বিবেচনা কৰিব নোৱাৰি অন্যথা ই সংবিধানৰ ১৯ আৰু ২১ নং অনুচ্ছেদ উলংঘা কৰিব। ওপৰত কৰা আমাৰ পৰ্যবেক্ষণৰ জৰিয়তেইয়াক বিবেচনা কৰিব লাগিব। সেয়েহে নিষিদ্ধ সংগঠনৰ কোনোসদস্যক অপৰাধী গণ্যকৰানহবযদিহে তেওঁ হিংসাৰ আশ্ৰয় লোৱা নাই বা মানুহক হিংসাৰ প্ৰতি উচটনি দিয়ানাই বা হিংসাৰ বাবে উচটনি দি ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি কৰানাই।"

৩১) ষ্টেট অৱ কেৰেলা বনাম ৰানীফ[৪৮] (দুজনীয়াবিচাৰপীঠ) গোচৰত এই আদালতৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল, য'ত ন্যায়াধীশ কাটজুৱে প্ৰতিবাদীক জামিন প্ৰদান কৰা আদেশক সমৰ্থন কৰাৰ সময়তে আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্ত যেনে এলফব্ৰেন্ডট (উপৰোক্ত)ৰ ওপৰত নিৰ্ভৰ কৰিছিল যিয়ে "guilt of association"ৰ মতবাদ নাকচ কৰিছে।

৩২) এলফব্ৰেণ্ডত (উপৰোক্ত) এৰিজোনা আইনখনৰ সাংবিধানিকতাক লৈ প্ৰশ্ন উত্থাপন হৈছিল কাৰণ ৰাজ্যখনৰ সকলো কৰ্মচাৰীয়ে শপত ল'ব লাগিছিল।

৪৫ ৩৮৪ ইউ.এছ.১৭ (১৯৬৬)

৪৬ ৩৯৫ ইউ.এছ.৪৪৪ (১৯৬৯)

৪৭ ৩৮৯ ইউ.এছ.২৫৮ (১৯৬৭),৪৮ (২০১১) ১ এছচিচি ৭৮৪, ৪৯ ৩৯৫ ইউ.এছ.৪৪৪ (১৯৬৯)

এই শপতৰ অধীনত কোনো কৰ্মচাৰীয়ে যদি ৰাজ্য চৰকাৰক উফৰাই পেলাবলৈ"জানি বুজি আৰুইচ্ছাকৃতভাৱে আমেৰিকাৰ কমিউনিষ্ট দল বা ইয়াৰ উত্তৰাধিকাৰী বা ইয়াৰ কোনো অধীনস্থ সংগঠনৰ সদস্য পদ গ্ৰহন কৰে বা সদস্য হৈথাকে" বা "অন্য কোনো সংগঠন"ৰ সদস্য পদ গ্ৰহন কৰে বা সদস্য

হৈ থাকে, তেন্তে শপত গ্ৰহণ কৰিও ইচ্ছাকৃতভাৱে মিছা কথা কোৱাৰ বাবে তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হ'ব আৰু তেওক পদৰ পৰা বৰ্খাস্ত কৰা হব পাৰে।এইটো ধাৰণা কৰা হৈছিল যে যিসকলে কোনো সংগঠনত যোগদান কৰে কিন্তু ইয়াৰ অবৈধ উদ্দেশ্যৰ অংশীদাৰ নহয় আৰু যিসকলে ইয়াৰ অবৈধ কাৰ্য্যকলাপত অংশগ্ৰহণ নকৰে তেওঁলোকে নিশ্চয় কোনো ভাবুকিৰ সৃষ্টি নকৰে। এই আইনখনে প্ৰথম সংশোধনীৰ দ্বাৰা সুৰক্ষিত কৰা “freedom of association” ক চতুৰ্দশ সংশোধনীৰ জৰিয়তে ভাবুকি প্ৰদান কৰিছে।

৩৩) ক্লেৰেন্স ব্ৰেণ্ডেনবাৰ্গ বনাম ষ্টেট অৱ অহাইঅ’[৪৭] গোচৰত আপীলকাৰীক অহাইঅ’ ক্ৰিমিনেল ছিণ্ডিকেলিজম বিধিৰ অধীনত দোষী সাব্যস্ত কৰা হৈছিল:
(i) ‘ঔদ্যোগিক বা ৰাজনৈতিক সংস্কাৰ সম্পন্ন কৰাৰ উপায় হিচাপে অপৰাধ, হিংসা বা অবৈধ পদ্ধতিৰ সন্ত্ৰাসবাদৰ কৰ্তব্য, প্ৰয়োজনীয়তা বা যথাযথতাৰ পোষকতা কৰা’ আৰু...
(ii) ‘অপৰাধমূলক ছিণ্ডিকেলিজমৰ মতবাদ শিকোৱা বা পোষকতা কৰিবলৈ গঠিত যিকোনো সমাজ, গোট বা ব্যক্তিৰ সমাৱেশৰ সৈতে স্বেচ্ছাই একত্ৰিত হোৱাৰ বাবে।’

আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে দোষী সাব্যস্ত কৰণ সলনি কৰাৰ সময়তে ৰায় দিছিল যে অহাইঅ’ ক্ৰিমিনেল ছিণ্ডিকেলিজম আইনখন স্থায়ী হ’ব নোৱাৰে।এই আইনখনে ‘ঔদ্যোগিক বা ৰাজনৈতিক সংস্কাৰ সম্পন্ন কৰাৰ উপায় হিচাপে’ হিংসামূলক কৰ্তব্য, প্ৰয়োজনীয়তা বা যথাযথতাৰ পোষকতা বা শিকোৱা ব্যক্তিক শাস্তি প্ৰদান কৰে; বা যিয়ে এনে পোষকতা থকা যিকোনো কিতাপ বা কাগজ প্ৰকাশ বা প্ৰচাৰ বা প্ৰদৰ্শন কৰে; বা যিয়ে ‘অপৰাধমূলক ছিণ্ডিকেলিজমৰ মতবাদৰ উদাহৰণ, প্ৰচাৰ বা যথাযথতাৰ পোষকতা কৰাৰ উদ্দেশ্যেৰে’ হিংসাত্মক কাৰ্য্য সংঘটিত কৰাটো ‘ন্যায্যতা’ প্ৰদান কৰে; বা যিয়ে 'অপৰাধমূলক ছিণ্ডিকেলিজমৰ মতবাদ শিকাবলৈ বা পোষকতা কৰিবলৈ' গঠন কৰা এটা গোটৰ সৈতে 'স্বেচ্ছাই একত্ৰিত' হয়।

অভিযোগনামা বা বিচাৰ ন্যায়াধীশে জুৰীক দিয়া নিৰ্দেশনাই কোনোধৰণে অপৰাধৰ সংজ্ঞাটোক কেৱল ‘advocacy’ ক্ষেত্ৰত পুনৰ সংজ্ঞায়িত কৰা নাছিলযিটো সম্ভাৱ্যঅবৈধ কাম কৰিবলৈ উচটনি দিয়াৰ পৰা পৃথক নহয়।

তদুপৰি, ৰায় দিয়া হৈছিল যে মুক্ত কন্ঠ আৰু মুক্ত প্ৰেছৰ সাংবিধানিক নিশ্চয়তাই কোনো ৰাষ্ট্ৰিক বল প্ৰয়োগ বা আইন উলংঘাৰ পোষকতা নিষিদ্ধ বা নিষিদ্ধ কৰিবলৈ অনুমতি নিদিয়েকেৱল এনে পৰিস্থিতিৰ বাহিৰে য'ত উচটনি দিয়া বা উৎপন্ন কৰিবলৈ পোষকতা কৰা হয় আৰু এনে ব্যৱস্থাক উচটনি দিয়া বা উৎপন্ন কৰাৰ সম্ভাৱনা থাকে।

৩৪) আমেৰিকা বনাম ইউজিন ফ্ৰেংক ৰবেল[৫০] গোচৰত ১৯৫০ চনৰ ছাবভাৰ্চিভ এক্টিভিটিজ কন্ট্ৰল এক্টৰ এছ ৫(ক)(১)(ডি)ৰ সাংবিধানিকতাক লৈ আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সন্মুখত প্ৰশ্ন উত্থাপন কৰা হৈছিল।আইনখনৰ S.5(a)(1)(D) ত উল্লেখ কৰা হৈছে যে, যেতিয়া কোনো কমিউনিষ্ট–কাৰ্য্য সংস্থাই পঞ্জীয়ন কৰাৰ চূড়ান্ত আদেশৰ অধীনত থাকে, তেতিয়া সংগঠনটোৰ যিকোনো সদস্যই 'যিকোনো প্ৰতিৰক্ষা সুবিধাত যিকোনো নিয়োগত যোগদান কৰাটোবেআইনী হ'ব।

৫০ ৩৮৯ ইউ.এছ.২৫৮ (১৯৬৭)

এই গোচৰত আপীলকাৰীক অভিযুক্ত বুলি ধৰা হৈছিল যিহেতু তেওঁ কমিউনিষ্ট পাৰ্টিৰ সদস্য আছিল আৰু টড শ্বিপয়াৰ্ডছ কৰ্পৰেশ্যনত কৰ্মৰত আছিল, যিটোক 'ৰক্ষা সুবিধা' হিচাপে নিৰ্ধাৰণ কৰা হৈছিল। আদালতে S.5(a)(1)(D)ক অসাংবিধানিক বুলি ঘোষণা কৰিছিল আৰু ৰায় দিছিল যে:

"ই প্ৰথম সংশোধনীৰ বিৰুদ্ধে চলিছে" কাৰণ সেই বিধিখনে কমিউনিষ্ট–কাৰ্য্য গোটৰ সৈতে সকলো ধৰণৰ সংযোগক নিৰ্দিষ্টভাৱে সামৰি লৈছে, সদস্যপদৰ গুণগত মান আৰু মাত্ৰাক গুৰুত্ব নিদিয়াকৈ।

<u>ইন্দ্ৰ দাসৰ গোচৰত নিৰ্ভৰ কৰা আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পটভূমি, আমদানি আৰু প্ৰাসংগিকতা</u>

৩৫) ইন্দ্ৰ দাসৰ গোচৰত দুজন ন্যায়াধীশৰবিচাৰপীঠে অৰূপ ভূঞাৰ পূৰ্বৰ ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰিছিল আৰু অনুসৰণ কৰিছিল আৰু একেদৰে এতিয়াৰ পৰা আলোচনা কৰা আমেৰিকাৰ সিদ্ধান্তসমূহৰ ওপৰত নিৰ্ভৰ কৰিও সংবিধানৰ সৈতে সামঞ্জস্যপূৰ্ণ কৰিবলৈ ইউএপিএৰ টাডা/এছ.১০ৰ এছ.৩(৫) মানি চলিব লাগিব বুলি ৰায় দিয়া হৈছিল।

৩৬) ওপৰত আলোচনা কৰা ধৰণে এলফব্ৰাণ্ড (পূৰ্বতে উল্লেখ কৰা)ৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল।

৩৭) খণ্ডবিচাৰপীঠেএটা সংস্থাৰ সক্ৰিয় আৰু নিষ্ক্ৰিয় সদস্যৰ মাজত পাৰ্থক্য কৰিবলৈ স্কেলছ বনাম ইউনাইটেড ষ্টেটছ্[৫১]ৰ ওপৰত নিৰ্ভৰ কৰিছিল। এই গোচৰত স্মিথ আইন অনুসৰি আবেদনকাৰীৰ দোষী সাব্যস্ত হোৱাটো আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সন্মুখত পুনৰীক্ষণৰবাবে আহিছিল। এই আইনখনে "হিংসাৰ দ্বাৰা আমেৰিকা চৰকাৰক উফৰাই পেলোৱাৰ পোষকতা কৰা যিকোনো সংস্থাৰ সদস্যপদ ৰখা" বুলি এটা গুৰুতৰ অপৰাধ কৰি তুলিছিল।ইয়াৰ উপৰিও আদালতে আবেদনকাৰীৰ সাংবিধানিক প্ৰত্যাহ্বান বাতিল কৰাৰ সময়ত লক্ষ্য কৰিছিল যে:

"এইদফাটোতকোৱাহৈছেযেকোনোএজনব্যক্তিএকঅবৈধসংস্থাৰসৈতেজড়িতহলেইতেওঁকঅ পৰাধীগন্যকৰানহব।তেওঁৰবিৰুদ্ধে তেওঁহিংসাৰ আশ্ৰয় লৈ সংস্থাটোৰ লক্ষ্য পূৰণ কৰাৰ উদ্দেশ্যেৰেকামকৰা" বুলি স্পষ্ট প্ৰমাণ থাকিব লাগিব।এইদৰে, যিজন সদস্যৰ বাবে সংগঠনটো বৈধ লক্ষ্য আৰু নীতিৰ উন্নতিৰ বাহন, তেওঁ বিধিৰ নিষেধাজ্ঞাৰ ভিতৰত নপৰেআৰুপৰিস্থিতিসাপেক্ষেক্ষীপ্ৰতাৰে চৰকাৰক উৎখাত কৰাৰদৰেতেওঁৰকোনোউদ্দেশ্যনাই।

এনে ব্যক্তি হয়তো মূৰ্খ, ভুলভাবেপৰিচালিত বা হয়তো কেৱল আশাবাদী, কিন্তু এই বিধিৰ দ্বাৰা তেওঁক অপৰাধী গণ্যকৰা হোৱা নাই।"

৩৮) নোটো বনাম আমেৰিকা যুক্তৰাষ্ট্ৰ[৫২] গোচৰত আবেদনকাৰীক স্মিথ আইনখনৰ অন্তৰ্গতসদস্যপদৰচৰ্তউলংঘা কৰাৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল, যিয়ে আমেৰিকা চৰকাৰক বলপূৰ্বক বা হিংসাৰ দ্বাৰা উফৰাই পেলোৱাৰ পোষকতা কৰা যিকোনো সংস্থাৰ সদস্যপদ জানিশুনিঅধিগ্ৰহণ বা ৰখাক অপৰাধ হিচাপে গণ্য কৰে।

৫১ ৩৬৭ ইউ এছ ২০৩ (১৯৬০)

উচ্চতমন্যায়ালয়েকৈছেযেকমিউনিষ্টদলৰশিক্ষাৰআৰুঅবোধগম্যতাত্বিকসূত্ৰবোৰৰহিংসাৰ পোষকতাৰমাজতসংযোগস্থাপনকৰিবলৈহলেপ্ৰমাণসমূহযথেষ্টস্পষ্টহবলাগিব।

এই পটভূমিত এইটো ধৰা হৈছিল যে আবেদনকাৰীৰ দোষী সাব্যস্তকৰন সলনি হৈছে কাৰণ চৰকাৰে এনে প্ৰমাণ দাখিল কৰাত ব্যৰ্থ হৈছে যিবোৰ আদালতে প্ৰমাণ কৰিবলৈ যথেষ্ট বুলি বিশ্বাস কৰে যে কমিউনিষ্ট পাৰ্টিয়ে বৰ্তমান চৰকাৰক বলপূৰ্বকভাৱে উফৰাই পেলোৱাৰ পোষকতা কৰিছে।

৩৯) কমিউনিষ্ট পাৰ্টি বনাম বিধ্বংসী কাৰ্যকলাপ নিয়ন্ত্ৰণ ব'ৰ্ড[৫৩] গোচৰত ন্যায়াধীশ হুগো ব্লেকৰ বিৰোধী মতামতৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল।

এই ক্ষেত্ৰত আমেৰিকাৰ কমিউনিষ্ট পাৰ্টিৰ পঞ্জীয়নক লৈ প্ৰশ্ন উত্থাপন হৈছিল কাৰণ ই ১৯৫০ চনৰ বিধ্বংসী কাৰ্যকলাপ নিয়ন্ত্ৰণ আইন অনুসৰিইএক"কমিউনিষ্ট কাৰ্য্য সংস্থা" আছিল।

ন্যায়াধীশ হুগো ব্লেকে লক্ষ্য কৰিছিল যে: “প্ৰথম সংশোধনীৰ দ্বাৰা নিশ্চিত কৰা বাক, সংবাদ, আবেদন আৰু সমাৱেশৰ স্বাধীনতা আমি ঘৃণা কৰা ধাৰণাসমূহৰক্ষেত্ৰটোপ্ৰযোজ্যহৰলাগে।অন্যথাএটাসময়তআমিবৰ্তমানসমৰ্থনকৰাধাৰণাস মূহও ঘৃণিত বুলিপ্ৰতিপন্নহব।ঘৃণিতধাৰণাবোৰৰ পোষকতা কৰা বাবেই কোনোসংঘৰ নিষেধাজ্ঞা -- সেই সংঘক ৰাজনৈতিক দল বুলি কোৱা হওক বা নহওক -- মুক্ত দেশৰ ইতিহাসৰ এক দুৰ্ভাগ্যজনক মুহূৰ্ত। সেই মুহূৰ্তটো যেন এই দেশৰ বাবেই আহি পাইছে।”

৪০) যৌথ ফেচিষ্ট বিৰোধী শৰণাৰ্থী সমিতি বনাম মেকগ্ৰাথ[৫৪] গোচৰত আবেদনকাৰী সংস্থাসমূহক এটৰ্নী জেনেৰেলে কমিউনিষ্ট হিচাপে অন্তৰ্ভুক্ত কৰিছিলশুনানি গ্ৰহণ নকৰাকৈ আৰু তেওঁ আমেৰিকাৰ অসামৰিক সেৱা আয়োগৰ ল'য়ালিটি ৰিভিউ ব'ৰ্ডত প্ৰদান কৰিছিল।

আদালতে এটৰ্নী জেনেৰেলৰ কোনো ক্ষমতা নাই বুলি স্বীকাৰ কৰিও বিষয়টো পুনৰ জিলা আদালতলৈ প্ৰেৰণ কৰে। দেখা গ'ল যে:

“অতি উত্তেজনাময়পৰিবেশতআমাৰবাবেএক সহজ প্ৰলোভনহ'লবিৰোধীৰএকনায়কত্ত্বাদীকৌশলৰঅৱলম্বনকৰা। কিন্তু যেতিয়া আমি এনেকৰোঁ, তেতিয়া আমি নিজৰ পৰিকল্পনাৰ এক বিধ্বংসী প্ৰভাৱক গতিশীল কৰি তোলোঁ যিয়ে আমাক ভিতৰৰ পৰা ধ্বংস কৰি পেলায়।”

৪১) কেইছিয়ান বনাম নিউয়ৰ্কৰ ব'ৰ্ড অৱ ৰিজেন্টছ[৫৫] গোচৰত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে এনে এখন আইনক বাতিল কৰিছিল যিয়ে

চৰকাৰৰ বিৰোধিতা কৰা সংস্থাসমূহৰ তালিকা প্ৰস্তুত কৰিবলৈ আৰু সেই সংস্থাসমূহৰ শিক্ষকসকলক চাকৰিৰ পৰা বঞ্চিত কৰিবলৈ ৰিজেণ্টছ ব'ৰ্ডক কৰ্তৃত্ব দিছিল।

৫২ ৩৬৭ ইউ এছ ২৯০ (১৯৬০)

৫৩ ৩৬৭ ইউ এছ ১ (১৯৬১)

৫৪ ৩৪১ ইউ এছ ১২৩, ১৭৪ (১৯৫১), ৫৫৩৪৫ইএচ৫৮৯১৯৬৬

এই আইনখনে কমিউনিষ্ট পাৰ্টিৰ সদস্যপদগ্ৰহণকঅন্যনিয়োগৰসুবিধাৰপৰাবঞ্চিতহোৱাৰক্ষেত্ৰতচাক্ষুসপ্ৰমাণহিচাপেগন্যকৰিছিল । ন্যায়াধীশ ব্ৰেনানে কয় যেযদিকোনোব্যক্তিয়েকমিউনিষ্ট পাৰ্টিৰ সদস্যপদগ্ৰহণকৰেকিন্তুতেওঁকমিউনিষ্টদলৰঅবৈধলক্ষ্যসমূহৰপোষকতানকৰে, তেনেক্ষেত্ৰতকেৱলসদস্যপদগ্ৰহণৰবাবেইতেওঁকপদৰপৰাবৰ্খাস্তকৰিবলৈকোনোপৰ্য্যাপ্তবিধানসাংবিধানিকভাবেগৃহীতকৰাৰকাৰণনাই।

৪২) য়েটছ বনাম ইউ.এছ.[৫৬] গোচৰত আবেদনকাৰীসকল কেলিফৰ্ণিয়াৰ কমিউনিষ্ট পাৰ্টিৰ সদস্য আছিল আৰু স্মিথ আইন অনুসৰি তেওঁলোকৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হৈছিল যে তেওঁলোকে ষড়যন্ত্ৰ কৰিছিল (১) আমেৰিকা চৰকাৰক বলপূৰ্বক আৰু হিংসাৰ দ্বাৰা উফৰাই পেলোৱাৰ কৰ্তব্য আৰু প্ৰয়োজনীয়তাৰ পোষকতা আৰু শিকোৱা, আৰু(২) আমেৰিকাৰ কমিউনিষ্ট পাৰ্টি হিচাপে চৰকাৰক বলপূৰ্বকভাৱে উফৰাই পেলোৱাৰ উদ্দেশ্যেৰে পোষকতা আৰু শিক্ষা দিয়া ব্যক্তিৰ সমাজ এখন সংগঠিত কৰা।আবেদনকাৰীসকলৰ দোষী সাব্যস্ত হোৱাৰ সিদ্ধান্ত সলনি কৰাৰ সময়ত উচ্চতম ন্যায়ালয়ে লক্ষ্য কৰিলে যে জিলা আদালতে আগন্তুক ভৱিষ্যত সময়ত হিংসাত্মক ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰাটো যথেষ্ট বুলি ধৰি লৈ বলপূৰ্বকভাৱে উফৰাই পেলোৱাৰ পোষকতা কৰাআৰু ব্যৱস্থা গ্ৰহণৰ পোষকতাৰ মাজত পাৰ্থক্য স্থাপন কৰাত ব্যৰ্থ হৈছে।

৪৩) ওপৰত আলোচনা কৰা ধৰণে ক্লেৰেন্স ব্ৰেণ্ডেনবাৰ্গ (ওপৰত উল্লেখ কৰা )ৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল।

৪৪) হুইটনী বনাম কেলিফৰ্ণিয়া[৫৭] গোচৰত যিটো প্ৰশ্ন উত্থাপন হৈছিলসেইয়াহলকেলিফৰ্ণিয়া ক্ৰিমিনেল ছিণ্ডিকেলিজম আইন উলংঘা কৰা

কমিউনিষ্ট লেবাৰ পাৰ্টিৰ সংগঠনত যোগদান আৰু সহায় কৰা আবেদনকাৰীয়ে ইয়াৰ অবৈধ চৰিত্ৰ আৰু উদ্দেশ্যৰ বিষয়ে জানিও তেনে কৰিছিল নেকি?

আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে ওপৰত উল্লেখ কৰা আইনখনৰ সাংবিধানিকতাক ৰক্ষা কৰি লক্ষ্য কৰিছিল যে সংবিধানে যি বাক স্বাধীনতা সুৰক্ষিত কৰিছে, সেই স্বাধীনতাই দায়িত্ব অবিহনেকথা কোৱাৰ নিৰপেক্ষ অধিকাৰ প্ৰদান নকৰে।তদুপৰি মুক্ত বাক আৰু সমাৱেশৰ অধিকাৰ যদিও মৌলিক, তথাপিও ই চৰম নহয়।

ইন্দ্ৰ দাসৰ ক্ষেত্ৰত ন্যায়াধীশ ব্ৰেণ্ডেইছ ডাঙৰীয়াৰ মতামতৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল য'ত তেওঁ লক্ষ্য কৰিছিল যে গুৰুতৰ আঘাতৰ ভয়েই কেৱল মুক্ত বাক্য আৰু সমাৱেশ দমন কৰাটো ন্যায্যতা প্ৰদান কৰিব নোৱাৰে।অযুক্তিকৰ ভয়ৰ বন্ধনৰ পৰা মানুহক মুক্ত কৰাটো মুক্ত কন্ঠৰ কাম।মুক্ত কন্ঠৰ দমনক ন্যায্যতা প্ৰদান কৰিবলৈ হ'লে মুক্ত কন্ঠৰ অভ্যাস কৰিলে অতি বেয়া কিবা এটা হ'ব বুলি ভয় কৰাৰ যুক্তিসংগত ভিত্তি থাকিব লাগিব।আশংকা কৰা বিপদটো হ'ব বুলি বিশ্বাস কৰাৰ যুক্তিসংগত ভিত্তি থাকিব লাগিব।প্ৰতিৰোধ কৰিবলগীয়া বেয়া কামটো গুৰুতৰ কথা বুলি বিশ্বাস কৰাৰ যুক্তিসংগত ভিত্তি থাকিব লাগিব।

৫৫ ৩৮৫ ইউ এছ ৫৮৯ ১৯৬৬

৫৬ ৩৫৪ ইউ এছ ২৯৮ (১৯৫৭)

৪৫) গিটল' বনাম নিউয়ৰ্ক[৫৮] গোচৰত ন্যায়াধীশ হোমছৰ বিৰোধী মতামতৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল।এই গোচৰত আপীলকাৰীজন আছিল ছ'চিয়েলিষ্ট পাৰ্টিৰ বাওঁপন্থী শাখাৰ সদস্য। সংগঠিত চৰকাৰখনক উফৰাই পেলোৱা আৰু উলংঘা কৰাৰ পোষকতা কৰাৰ বাবে তেওঁৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হৈছিল। সংখ্যাগৰিষ্ঠ মতামতহ'লযেসংবিধানেবাকস্বাধনতাআৰুসংবাদমাধ্যমৰস্বাধীনতাসুৰক্ষিতকৰিছেকিন্তু সংবিধানেদ্বায়িত্বঅবিহনেকথাকোৱাৰবাপ্ৰকাশকৰাৰচৰমঅধিকাৰদিয়ানাই, যিটোবহুআগতেপ্ৰতিস্থিতহোৱামৌলিকনীতি ।সংগঠিত চৰকাৰৰ ভেটি বিপন্ন কৰা আৰু অবৈধ উপায়েৰে ইয়াক উফৰাই পেলোৱাৰ ভাবুকি দিয়া কন্ঠক কোনো ৰাষ্ট্ৰই শাস্তি দিব পাৰে।এইবোৰে সাংবিধানিক ৰাষ্ট্ৰ হিচাপে নিজৰ অস্তিত্ব বিপন্ন কৰি পেলায়। বাক আৰু সংবাদ মাধ্যমৰ স্বাধীনতাই জনশান্তিৰ বিঘিনি বা

চৰকাৰক উফৰাই পেলোৱাৰ চেষ্টাক সুৰক্ষা নিদিয়ে। বিধিখনৰ সাংবিধানিকতা আৰু আপীলকাৰীৰ দোষী সাব্যস্ত হোৱাটো নিশ্চিত কৰা হৈছিল।ন্যায়াধীশ হোমছে লক্ষ্য কৰিছিল যে:

"এইটো স্পষ্ট যে প্ৰতিবাদকাৰীৰ মতামতৰ সৈতে মিল থকা সংখ্যালঘুৰ ফালৰ পৰা বলপূৰ্বকভাৱে চৰকাৰক উফৰাই পেলোৱাৰ চেষ্টাৰ বৰ্তমান কোনো সম্ভাৱনা নাছিল।কোৱা হয় যে এই ইস্তাহাৰৰ তত্বৰ বাহিৰেও আন অৰ্থ আছিল, ই এক উচটনি আছিল। প্ৰতিটো ধাৰণাই এক উচটনি।যদি এই নথিখন প্ৰকাশ কৰাটো চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ প্ৰৰোচিত কৰাৰ তাৎক্ষণিক প্ৰয়াস হিচাপে গন্য হ'লহেঁতেন , আৰু ভৱিষ্যতে কোনো অনিৰ্দিষ্টকালৰ প্ৰয়াস হিচাপে নহয়, তেন্তে ই এটা বেলেগ প্ৰশ্ন উত্থাপন কৰিলেহেঁতেন। কিন্তু এইবিধিয়েকেৱলএইতথ্যপ্ৰচাৰিতকৰাকহেঅপৰাধবুলিগন্যকৰে।

৪৬) টাৰ্মিনিয়েলো বনাম চিকাগো[৫৯] গোচৰত আবেদনকাৰীৰ বিৰুদ্ধে "শান্তি ভংগ" নিষিদ্ধ কৰা অধ্যাদেশ উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰা হৈছিল। তেওঁৰ দোষী সাব্যস্ত হোৱাৰ সময়ত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে আমাৰ চৰকাৰ ব্যৱস্থাৰ অধীনত মুক্ত কন্ঠৰ এটা কাম হ'ল বিবাদক আমন্ত্ৰণ কৰা। ই সঁচাকৈয়ে নিজৰ উদ্দেশ্য পূৰণ কৰিব পাৰে যেতিয়া ই অশান্তিৰ অৱস্থাৰ সৃষ্টি কৰে, পৰিস্থিতিৰ প্ৰতি অসন্তুষ্টি সৃষ্টি কৰে, আনকি মানুহক খং উঠায়। আদালতে লক্ষ্য কৰিছিল যে "..ভাষণ প্ৰায়ে উত্তেজক আৰু প্ৰত্যাহ্বানমূলক।"

৪৭) ডি জংগে বনাম অৰেগন[৬০] গোচৰত আপীলকাৰীৰ বিৰুদ্ধে এই ভিত্তিত অভিযোগ উত্থাপন কৰা হৈছিল যে তেওঁ অপৰাধমূলক ছিণ্ডিকেলিজমৰ পোষকতা কৰা সংস্থা কমিউনিষ্ট পাৰ্টিৰ তত্বাৱধানত আহ্বান কৰা এখন সভা অনুষ্ঠিত কৰাত সহায় কৰিছিল।আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে অৰেগনৰ ক্ৰিমিনেল ছিণ্ডিকেলিজম আইন বিবেচনা কৰি থাকোঁতে ৰায় দিছিল যে "আমাৰ কোনো সিদ্ধান্তই, অৰেগনৰ বিধিয়ে ইয়াৰ বৰ্তমানৰ প্ৰয়োগত দাবী কৰা ধৰণে, স্বাধীন বাক আৰু সমাৱেশৰ অধিকাৰৰ ইমান হ্ৰাস নকৰে।" গিটলেব (উপৰোক্ত) আৰু হুইটনী (উপৰোক্ত)ত ওপৰত উল্লেখ কৰা সিদ্ধান্তসমূহৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল।

৫৯ ৩৩৭ ইউ এছ ১ (১৯৪৮),৫৭ ২৭৪ ইউ এছ ৩৫৭ (১৯২৬),

৫৮ ২৬৮ ইউ এছ ৬৫২ (১৯২৫)

<u>সামৰণি</u>

৪৮) ওপৰত উল্লেখ কৰা সিদ্ধান্তসমূহ ভাৰতৰ পৰিস্থিতিৰ বিপৰীত। আমেৰিকাৰ সিদ্ধান্তসমূহত মূলতঃ ৰাজনৈতিক সংগঠনৰ সদস্যপদৰ ভিত্তিত অভিযোগনামা দাখিল কৰা বা চৰকাৰক উৎখাত কৰাৰ পোষকতা কৰা মুক্ত কন্ঠৰ দৰেঘটনা জড়িত হৈ থাকে।

কিন্তু ভাৰতীয় আইন অনুসৰি ৰাজনৈতিক সংগঠন আদিৰ সদস্যপদ বা মুক্ত কন্ঠ বা চৰকাৰৰ সমালোচনা নিষিদ্ধ কৰিব বিচৰা নাই, ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাকবিপদাপন্নকৰাৰ লক্ষ্য লোৱা আৰু অবৈধ বুলি অধিসূচনা কৰা সংগঠনকহে নিষিদ্ধ কৰিব বিচৰা হৈছে, যাৰ সদস্যপদ নিষিদ্ধ।ব্যক্তি আৰু সংঘৰ কিছুমান অবৈধ কাৰ্যকলাপ আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে মোকাবিলা আৰু ইয়াৰ সৈতে জড়িত বিষয়সমূহৰ বাবে অধিক ফলপ্ৰসূভাৱে প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ প্ৰণয়ন কৰা ইউএপিএৰ উদ্দেশ্যক আগুৱাই নিয়াৰ বাবে এইটো কৰা হৈছে। সেয়েহে পাৰ্থক্যটো স্পষ্ট।

৪৯) তদুপৰি, ইউএপিএই বেআইনী ঘোষণা কৰা যিকোনো সংস্থাৰ বাবে চেক এণ্ড বেলেন্স আৰু ৰাজহুৱা অধিসূচনাৰ ব্যৱস্থাৰ ব্যৱস্থা কৰিছে:

●আইনখনৰ S.3 ত উল্লেখ কৰা হৈছে যে কেন্দ্ৰীয় চৰকাৰে যিখন ৰাজ্যত সংশ্লিষ্ট সংঘৰ প্ৰধান কাৰ্যালয় অৱস্থিত সেই ৰাজ্যৰ চৰকাৰী গেজেট আৰু দৈনিক বাতৰি কাকতত অবৈধ সংঘ ঘোষণা কৰা অধিসূচনা প্ৰকাশ কৰিব লাগিব। তদুপৰি সংস্থাটোক নিজৰ কাৰ্যালয়ত কপি সংলগ্ন কৰি বা বিষয়ববীয়াক বা লাউডস্পীকাৰৰ জৰিয়তে অৱগত কৰিব লাগিব।

এই বিচাৰত সংঘক শুনানিৰ সুযোগ দিয়া হয়। S.5 ত এই UAPA ন্যায়াধিকৰণ গঠনৰ ব্যৱস্থা কৰা হৈছে, য'ত কোনো ব্যক্তিক নিযুক্তি দিয়া নহ'ব যদিহে তেওঁ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ নহয়। “আছে আৰু হৈ আছে” ৰ অৰ্থ হ'ল যে এজন ব্যক্তিয়ে সংস্থাটোক বেআইনী বুলি অৱগত কৰাৰ পিছতো সদস্য হৈ আছে, গতিকেতেওঁ উক্ত ধাৰাটোৰ অধীনত শাস্তি পাব। “আৰু" ব্যৱহাৰৰ অৰ্থ হ'ল ওপৰত উল্লেখ কৰা দুয়োটা চৰ্ত পূৰণ কৰিব লাগিব।

[হায়দৰাবাদ এছবেষ্টছ চিমেন্ট প্ৰডাক্টছ আৰু এন.আৰ. বনাম ইউনিয়ন অৱ ইণ্ডিয়া এণ্ড অৰ্চ.[৬১], (তিনিজনীয়া বিচাৰপীঠ)]

এইটো পুনৰ কোৱাটো গুৰুত্বপূৰ্ণ যে ওপৰৰ পৰ্যবেক্ষণসমূহ বৰ্তমানৰ উল্লেখৰ প্ৰসংগত আৰু প্ৰয়োগৰ বাবে কৰা হৈছে।

৫০) গুৰুত্বপূৰ্ণভাৱে, শ্ৰেয়া সিংঘালৰ (উপৰোক্ত)ৰক্ষেত্ৰতআমেৰিকাৰ উষ্চতম ন্যায়ালয়ৰ ৰায়দানৰ ব্যৱহাৰৰ সন্দৰ্ভত ক'ব পাৰি যে সেই ৰায়সমূহৰ "বৃহৎ অনুপ্ৰেৰণামূলকমূল্য" আছে কিন্তু ইয়াত এইটোও লক্ষ্য কৰা হৈছে যেজনস্বাৰ্থৰ ৰক্ষাৰক্ষেত্ৰতআমেৰিকান আৰু ভাৰতীয় পৰিস্থিতিৰ মাজত "এটা বিশাল পাৰ্থক্য" আছে।

৬০ ২৯৯ ইউ এছ ৩৫৩ (১৯৩৬),৬১ (২০০০) ১ এছচিচি ৪২৬

এই পাৰ্থক্যই যেন অৰূপ ভ্যান আৰু ইন্দ্ৰ দাসৰ ক্ষেত্ৰত বিজ্ঞ খণ্ড বিচাৰপীঠৰ দৃষ্টিৰ পৰা আতৰি গ'ল।

৫১) ১৯৫১ চনৰ সংবিধানৰ প্ৰথম সংশোধনী আইনত উল্লেখ কৰা অধিকাৰৰ কাৰ্য্যকলাপ আৰু কাৰ্যকৰীকৰণৰ কিছুমান প্ৰশ্ন আৰম্ভণিৰে পৰাই আছিল। সংবিধানৰ ১৯ নং অনুচ্ছেদৰ ভিত্তিত বিকশিত হোৱা বিশাল আৰু বৈজ্ঞানিক ন্যায় ব্যৱস্থাক আদালতে স্বীকাৰ কৰে। কিন্তু ইয়াত জোৰ দিয়া হৈছে যে সাত দশকৰ পাছত যিকোনো আদালতৰ সিদ্ধান্ত সাংবিধানিক বিধানৰ অজ্ঞাতে ল'ব নালাগে। আমাৰ সংবিধানখন হয়তো অন্য সংবিধানৰ দ্বাৰা প্ৰভাৱিত হৈছে বা আমাৰ সংবিধানৰ কিছু অংশ অন্য সংবিধানৰ পৰা ধাৰলৈ লোৱা হৈছে যদিও ভাৰতত প্ৰচলিত পৰিস্থিতি আৰু পৰিস্থিতিৰ নিৰ্দিষ্ট প্ৰেক্ষাপটৰ ভিতৰতে ইয়াৰ বিকাশ ঘটিছে।

৫২) ওপৰৰ কথাখিনিৰ ভিত্তিত এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে বিশেষকৈ ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সাৰ্বভৌমত্বৰ সৈতে জড়িত গোচৰতকেৱল ভিন্ন পৰিস্থিতিত আৰু ভিন্ন সাংবিধানিক স্থিতিত লোৱা সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰাটো ন্যায্য নাছিল।

৫৩) এই উল্লেখৰ উত্তৰ ওপৰত উল্লেখ কৰা ধৰণে দিয়া হৈছে।

স্থানঃ নতুন দিল্লী ..........জে.

তাৰিখ: ২৪ মাৰ্চ, ২০২৩ (সঞ্জয় কেৰল)

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of thelitigant to understand it in his/her language and may not be used for any other purpose.For all practical and official purposes, the English version of the judgment shall beauthentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃতনহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণআৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"

| CRIMINALAPPEALNo. 889 of 2007 | |
|---|---|
| Pages in the judgement (English version) | Translated by |
| 1 to 10 | Mitali Kotoki |
| 11 to 34 | Mayashree Mahanta |
| 35 to 58 | Md. Sofizur Rahman |
| 59 to 76 | Archana Devi |
| 77 to 97 | Mobarak Hussain |
| CRIMINALAPPEALNo. 889 of 2007 | |
| 1 to 6 | Mobarak Hussain |
| 7-47 | Mrinal Kumar Bhattacharyya |